গান্ধীজী, অসম আৰু অসমৰ চাহ মজদুৰ

ৰবীন কাকতী

GANDHIJI, ASOM ARU ASOMAR CHAH MAZDOOR written by Shri Robin Kakati and Published by Assam Chah Mazdoor Sangha (Central Office), Dibrugarh—786003. and printed at the Tribune Press, Guwahati-3, Price : Rs. 19.00 (Rupees Nineteen only)

প্ৰকাশক ঃ
অসম চাহ মজদুৰ সংঘ (কেন্দ্ৰীয় কাৰ্য্যালয়)
জীৱন ফুকন নগৰ
ডিব্ৰুগড়—৭৮৬০০৩

পৰিবেশক :
অসম চাহ মজদুৰ সংঘ (কেন্দ্ৰীয় কাৰ্য্যালয়) ডিব্ৰুগড়

●

প্ৰথম প্ৰকাশ ঃ ১৯৮৯

●

বেটুপাতৰ চিত্ৰশিল্পী ঃ ত্ৰৈলোক্য দত্ত

●

মূল্য ঃ উনৈশ টকা মাত্ৰ

●

মুদ্ৰক ঃ
ট্ৰিবিউন প্ৰেছ, গুৱাহাটী—৩

নিবেদন

ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত মহাত্মা গান্ধীয়ে অকল দেশ স্বাধীন কৰাৰ বাবেই গণ সংগঠন কৰা নাছিল, দেশৰ সকলো স্তৰৰ মানুহৰ সামগ্ৰিক উন্নতি আৰু প্ৰগতিৰ বাবে পৰিকল্পনা হাতত লৈছিল। সমাজৰ অতি পিছপৰা শ্ৰেণীৰ মাজত সোমাই তেওঁলোকক মৰ্যাদা দান কৰিবলৈ গান্ধীজীয়ে আত্মনিয়োগ কৰিছিল।

ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ ছত্ৰছায়াত আজি ভাৰতবৰ্ষৰ অধিকাংশ শ্ৰমিকেই যোৱা দুকুৰি বছৰ সামাজিক আৰু অৰ্থনৈতিক ন্যায় পাই আহিছে আৰু গান্ধীজীয়ে দেখুৱাই থৈ যোৱা আদৰ্শৰ পথত এতিয়াও ই অবিচলিতভাবে গতি কৰিছে। সত্য, নিষ্ঠা, অহিংসা আৰু পাৰস্পৰিক বুজাবুজিৰ মাজত ভাতৃত্ববোধৰ ঐক্য বান্ধোনেৰে আগবাঢ়ি যোৱা ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ নীতি মহাত্মাই দি যোৱা নীতি—যাৰ ফলত ই আজি দেশৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ আৰু সৰ্ববৃহৎ শ্ৰমিক সংগঠন হোৱাই নহয়; ই আন্তঃৰাষ্ট্ৰীয় মঞ্চতো উল্লেখযোগ্য ভূমিকা লব পাৰিছে।

অসমৰ পটভূমিত মহাত্মা গান্ধীৰ একেই আদৰ্শত পদদলিত শ্ৰেণীটোৰ মাজত কাম কৰা সেই সময়ৰ কৰ্মীসকলৰ ভিতৰত শ্ৰদ্ধেয় শ্ৰীযুত ৰবীন কাকতীৰ নাম অন্যতম। প্ৰবীনতম মুক্তি সংগ্ৰামী, অসমৰ শ্ৰম আন্দোলনৰ পিতৃ স্বৰূপ, ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ অসম শাখাৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক আৰু অসম সমবায় আন্দোলনৰ গুৰি ধৰোতা শ্ৰীযুত কাকতী ডাঙৰীয়া আমাৰ সকলোৰে অকল পথপ্ৰদৰ্শক নহয়—আদৰ্শ-স্বৰূপ। তেখেতৰ সমগ্ৰ জীৱনৰ সঞ্চিত অভিজ্ঞতাৰে আজি তেখেতৰ বাৰ্দ্ধক্য অৱস্থাটো 'গান্ধীজী, অসম আৰু অসমৰ চাহ মজদুৰ' পুথিখনি যুগুত কৰি আমাৰ ওপৰত প্ৰকাশৰ দায়িত্বভাৰ অৰ্পণ কৰাৰ কাৰণে আমি তেখেতৰ ওচৰত কৃতাৰ্থ মানিছো।

পুথিখনি প্ৰকাশৰ ক্ষেত্ৰত সংশ্লিষ্ট সকলো ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানক আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। পঢ়ুৱৈৰ সমাজৰ শুভাশীষেই আমাৰ সাহস আৰু প্ৰেৰণাৰ থল হব।

বিনীত

চাহ মজদুৰ ভৱন
ডিব্ৰুগড়
১ বহাগ, ১৯১১ শক
১৪ এপ্ৰিল, ১৯৮৯ চন

সাধাৰণ সম্পাদক
অসম চাহ মজদুৰ সংঘ

পাতনি

অসমত চাহ গছৰ জন্মৰ ইতিহাসৰ লগত চাহ শ্ৰমিকসকলৰ জীৱনৰ ইতিহাস সাঙোৰ খাই আছে। চাহ শিল্পৰ অৰ্থনৈতিক উন্নতিৰ পিছফালে অগণন শ্ৰমিকৰ হা-হুতাহ, নিৰ্য্যাতন আৰু দুখৰ কাহিনী বিৰাজমান। বৃটিছে চাহ মজদুৰসকলক কেৱল মজদুৰ হিচাপে গণ্য কৰি তেওঁলোকৰ সম্পদ আহৰণৰ আহিলা হিচাপেহে ব্যৱহাৰ কৰিছিল। মহাত্মা গান্ধী আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ চেষ্টাত এই শ্ৰমিকসকলক নাগৰিকৰ শাৰীলৈ উন্নীত কৰা হ'ল আৰু পৰ্য্যায়ক্ৰমে অসমৰ আন আন জনগোষ্ঠীৰ দৰে অসমীয়া ঘাই সুঁতিত মিলি বৰ্ত্তমানৰ বৰ অসমত এওঁলোকে বৰঙণি যোগাই আহিছে। অসমৰ চাহ মজদুৰসকলক এটা সংগঠনৰ মাজলৈ আনি তেওঁলোকৰ সৰ্বাত্মক বিকাশৰ চেষ্টা কৰিবলৈ প্ৰথমতে যি চেষ্টা চলোৱা হৈছিল তাৰ দায়িত্ব মোৰ ওপৰতেই পৰিছিল। অতীতৰ চাহ মজদুৰ একপ্ৰকাৰ বাগিচাৰ মালিক-সকলৰ নিকিনা গোলামৰ (Bonded Labour) দৰে আছিল আৰু আজিৰ চাহ মজদুৰ অসমৰ সম্পূৰ্ণ খলুৱা নাগৰিকৰ দৰে সমাজৰ সকলো দিশতেই বিচৰণ কৰাৰ অধিকাৰ পাইছে। ই ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন আৰু তেওঁলোকৰ মাজত গঢ়ি উঠা সংগঠনৰেই ফল। ঐক্যবদ্ধ সংগঠন, নিষ্ঠা আৰু স্থিৰ উদ্দেশ্য আগত ৰাখি মানুহৰ গতি যে গতিশীল হয় ই তাৰেই নিদৰ্শন। অসমৰ চাহ মজদুৰসকলে সমাজত আজি এটা অগ্ৰণী ভূমিকা লৈছে। এই লোকসকলৰ ওপৰত এখন পূৰ্ণাঙ্গ ইতিহাস ৰচনা কৰিব পাৰি। 'গান্ধীজী, অসম আৰু অসমৰ চাহ মজদুৰ' এখন ইতিহাস নহয়। সঁচা কথা কবলৈ গলে ই মোৰ মৌলিক ৰচনাও নহয়। মহাত্মা গান্ধীয়ে বিভিন্ন সময়ত কোৱা কথা, তেখেতে 'ইয়ং ইণ্ডিয়া'ত লিখা প্ৰবন্ধ আৰু ব্যক্তিগতভাৱে এই শ্ৰেণীটোৰ

লগত জড়িত থাকি যি সাধাৰণ অভিজ্ঞতা অৰ্জন কৰিছিলো তাৰ ওপৰতেই সংক্ষিপ্তভাবে এই পুথিখন যুগুত কৰা হৈছে। মই ভাবো, সাধাৰণভাবে হলেও অসমৰ চাহ মজদুৰসকলৰ এটা আভাষ ই দিব পাৰিব আৰু অসমৰ নতুন পুৰুষসকলে ইয়াৰ নৱমূল্যায়ন কৰিব পাৰিব।

অসমৰ চাহ মজদুৰ সংঘৰ সাধাৰণ সম্পাদক শ্ৰীমান পৱন ঘাটোৱাৰে পুথিখন ছপাবলৈ আগ্ৰহ প্ৰকাশ কৰাত বিভিন্ন সময়ত গোটাই থোৱা কথাবিলাক জুকিয়াই কিতাপ আকাৰে ৰচনা কৰা হ'ল। এইখন প্ৰস্তুত কৰাত আৰু ছপাশালৰ পৰা কিতাপ আকাৰে ওলাই অহাত সকলোপ্ৰকাৰে সহায় কৰা বাবে অসম চাহ মজদুৰ সংঘৰ সম্পাদক তথা 'চাহ মজদুৰ' কাকতৰ সম্পাদক শ্ৰীভগৱত বৰপুজাৰী আৰু ডেকা সাহিত্যিক শ্ৰীমান অচ্যুত কুমাৰ শৰ্মা আৰু শ্ৰীনৃপেন শৰ্মাৰ শলাগ লৈছো। তেওঁলোকে যত্ন নললে ইমান সোনকালে ই কিতাপ আকাৰত প্ৰকাশ নাপালেহেঁতেন।

গ্ৰন্থপঞ্জীত উল্লেখিত কিতাপ আৰু লেখকসকলৰ সহায় লোৱা হৈছে। তেখেতসকলৰ প্ৰতিও কৃতজ্ঞতা জ্ঞাপন কৰিছো। অৱশেষত ট্ৰিবিউন প্ৰেছৰ কৰ্তৃপক্ষ আৰু কৰ্মীসকললৈ, যিসকলে কম সময়ৰ ভিতৰতে কিতাপখনৰ ছপা কাম সম্পূৰ্ণ কৰি তুলিলে তেখেতসকলক মোৰ শলাগ আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

বিভিন্ন লোক সমষ্টিৰে গঢ়ি উঠা অসমীয়া জাতিৰ উন্নয়নত বৰঙণি যোগোৱা চাহ মজদুৰসকলৰ পৰিচয়ে নতুন চামক বৃহত্তৰ অসমীয়া জাতি গঠনত এই কিতাপে অকণমান হলেও সহায় কৰিলে লিখকৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। আশাকৰো পাঠকসমাজে কিতাপখনক মৰমৰ চকুৰে চাব।

আমবাৰী
গুৱাহাটী—৭৮১০০১
১৪ এপ্ৰিল, ১৯৮৯

বিনীত
শ্ৰীনবীন কাকতী

অৰ্পণ

÷ ÷ চাহ মজদুৰক নাগৰিকৰ মৰ্যাদা দিয়া আৰু বনুৱাৰ ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ ভাৰতৰ স্বাধীনতা আন্দোলনত মৃত্যু বৰণ কৰা, ঘৃণীয়া হোৱা অগণন শ্ৰমিকৰ পুণ্য স্মৃতিক সুঁৱৰি এইসকলৰ সামগ্ৰিক উন্নয়নত লাগি থকা অতীত, বৰ্তমান আৰু ভবিষ্যতৰ কৰ্মকৰ্তা-সকলৰ হাতত। ÷ ÷

ৰবীন কাকতী

প্ৰথম অধ্যায়

গান্ধীজী, অসম আৰু অসমৰ চাহ মজদুৰ

চাহ গছৰ জন্ম কাহিনী :

পৃথিৱীৰ সকলো দেশতেই চাহ-পানী খোৱা প্ৰচলন আছে। ভাৰত পৃথিৱীৰ ভিতৰতে বৃহত্তম চাহ উৎপাদনকাৰী দেশ। অসম আকৌ ভাৰতৰ ভিতৰত সৰ্বাধিক চাহ উৎপাদনকাৰী ৰাজ্য। ভাৰতত বছৰি প্ৰায় ২৭৫ মিলিয়ন কিলোগ্ৰাম চাহ উৎপন্ন হয়। তাৰ ভিতৰত অসমতেই প্ৰায় ১৭৫ মিলিয়ন কিলোগ্ৰাম উৎপাদন হয়। অসমতেই ভাৰতবৰ্ষৰ ভিতৰত প্ৰথমতে চাহ খেতি আৰম্ভ কৰা হয়।

অতীজৰ পৰাই চীন দেশত চাহপাত উৎপাদন আৰু চাহ-পানী খোৱা প্ৰথা চলি আহিছিল। চীন দেশত চাহ গছৰ জন্মৰ বিষয়ে এটি কাহিনী আছে।

ষষ্ঠ শতিকাত ভাৰতৰ পৰা বুদ্ধিধৰ্ম নামে এজন ডেকাই চীন দেশলৈ তন্ত্ৰ সাধনাৰ বাবে গৈছিল। দিন-ৰাতি পাৰ্থক্য নোহোৱাকৈ একাগ্ৰচিত্তে তেওঁ সাধনাত লাগিছিল। মাজে মাজে তেওঁৰ চকু মুদ খাই যোৱাৰ বাবে টোপনিৰ পৰা ৰক্ষা পাবলৈ তেওঁ যত্ন কৰিছিল। এইদৰে চকুৰে বাৰে বাৰে আমনি কৰাত তেওঁ বিৰক্ত অনুভৱ কৰে আৰু চকুযোৰেই সাধনা সিদ্ধিত প্ৰতিবন্ধক বুলি ভাবি দুয়োটা চকু আঙুলিৰে উলিয়াই দূৰলৈ দলি মাৰি পেলাই দিলে। চকু য'ত পৰিল কালক্ৰমত সেই ঠাইত দুজোপা গছ গজিল, আৰু মানুহে তাৰ পাত ছিঙি সিজাই খোৱা হ'ল টোপনি নিবাৰক হিচাপে। পিচলৈ তিব্বতৰ লামাযোগীসকলে তেওঁলোকক যাতে টোপনিয়ে ধ্যানত ব্যাঘাত জন্মাব নোৱাৰে, এই গছৰ পাত শুকুৱাই গুৰি কৰি পানীত সিজাই খোৱা হ'ল। ক্ৰমে গোটেই পৃথিৱীতে চাহ পানী মানুহে খোৱা হ'ল। চাহগছ ৰোৱা

আৰু তাৰ পাতৰ পৰা ৰস উলিয়াই ব্যৱহাৰ কৰা ক্ৰমে ক্ৰমে উন্নত হবলৈ ধৰিলে। ই হৈ পৰিল পৃথিৱী ব্যাপি এটা বিৰাট ব্যৱসায়।

এক সংখ্যকৰ মতে অসমতেই চাহৰ জন্ম। হয়তো চিংফৌ প্ৰভৃতি অসমৰ উত্তৰ পূৱ পাহাৰী ৰাজ্যৰ লোকসকলে অতীতৰ পৰাই বনৰীয়া চাহগছৰ পাত সিজাই চাহ তৈয়াৰ কৰি খাইছিল। বৌদ্ধ লামাসকলে চীনদেশলৈ ঔষধ হিচাবে ধ্যানত টোপনি নিবাৰণৰ কাৰণে নিব পাৰে। চীনৰ মানুহে ব্যাপক হিচাবে ব্যৱহাৰ কৰিব ধৰে, আৰু ক্ৰমে এটা বাণিজ্যৰ দ্ৰব্য হিচাবে গঢ়ি উঠে।

বুদ্ধিধৰ্মই হয়তো লগত চাহপাত আৰু গুটি লৈ গৈছিল, টোপনি নিবাৰক ঔষধ হিচাবে। গুটি ৰোপণ কৰাত গছ হ'লত তাৰ পাত চীনৰ লামা আৰু জনসাধাৰণে খোৱা হ'ল। এইদৰেই ক্ৰমে চীনত চাহ খেতিৰ আৰম্ভ হ'ল। চীনৰ সম্ৰাট আৰু সম্ভ্ৰান্ত পৰিয়াল সকলৰ প্ৰিয় পানীয় দ্ৰব্য হৈ পৰে চাহ। চাহৰ খেতি, প্ৰস্তুত প্ৰণালী, গুণ আদিৰ বিষয়ে কিতাপো লেখে। আঠশ শতিকাত ই ব্যৱসায়িক ভেটিত চীনত গঢ়ি উঠে। প্ৰথমতে জাপান আৰু ওঠৰ-শতিকাত য়ুৰোপলৈ পাদুৰী এজনে চীনৰ পৰা চাহ নিয়ে, আৰু সি ক্ৰমে য়ুৰোপত প্ৰিয় হৈ পৰে আৰু চীনৰ লগত য়ুৰোপৰ এটা প্ৰধান বাণিজ্য দ্ৰব্য হৈ পৰিল। চীনৰ আগে পাছে থাইলেণ্ড আৰু ব্ৰহ্মদেশৰ শ্বান প্ৰদেশতো চাহৰ প্ৰচলন আছিল। চীন দেশত চাহ ব্যৱসায় হিচাবে যে গঢ়ি উঠে প্ৰথমতে সেইটো সঠিক। অসমৰ হাবিত স্বাভাৱিকভাবেই অতি প্ৰাচীন কালৰ পৰা একোটা বিৰাট অঞ্চলত বনৰীয়া চাহ গছ ভৰি আছিল। চিংফৌ আদি পাহাৰবাসীসকলে পানীয় দ্ৰব্য হিচাবে ব্যৱহাৰ কৰি আহিছিল, যদিও খেতি বা বাণিজ্য দ্ৰব্য হিচাবে গঢ়ি উঠা নাছিল।

চীনৰ পৰা বনিকসকলে যি চাহ য়ুৰোপৰ বজাৰত উলিয়াইছিল, তাৰ দাম বেছি থকা সত্ত্বেও চাহিদা বাঢ়ি যোৱাত, ভাৰতৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তাসকলে ভাৰতত চাহ উৎপাদনৰ বিষয়ে পৰীক্ষা আৰম্ভ কৰে, গৱৰ্ণৰ জেনেৰেল ওৱাৰেন হেষ্টিংচৰ দিনত। চীন দেশৰ পৰা গুটি আনি যি খেতি আৰম্ভ কৰিছিল, সি কৃতকাৰ্য্য নহ'ল। কিন্তু কোম্পানীৰ কৰ্তাসকলে আশা এৰি দিয়া নাছিল। ভাৰতত চাহ খেতিৰ সম্ভাৱনাৰ বিষয়ে পৰীক্ষা চলাই এটা ৰিপৰ্ট তৈয়াৰ কৰিবৰ কাৰণে

নিৰ্দেশ দিয়ে। ১৮১৫ চনত অসমত চীনৰ দৰে এবিধ গছৰ পাত সিজাই পাহাৰী অঞ্চলৰ লোকে খোৱাৰ বিষয়ে যদিও কলিকতাৰ কোম্পানীৰ কৰ্তাসকলে ৰিপৰ্ট পাইছিল, কিন্তু চীনা চাহৰ সদৃশ ই হয়নে নহয় বিশেষ জনা নাছিল।

১৮২৩ চনত মেজৰ ৰবাৰ্ট ব্ৰুস নামৰ এজন ইংৰাজ লোক উজনি অসমলৈ বেহা-বেপাৰ সম্পৰ্কে অনুসন্ধান কৰিবলৈ আহিছিল। তেওঁ শিৱসাগৰৰ অৰ্জুনগুৰি হাটত এজন চিংফৌ গামৰ পৰা অসমত চাহ গছ থকাৰ সংবাদ কোম্পানীক দিয়ে। ব্ৰুস চাহাবে এই চিংফৌ গামৰ যোগেদি নামচাং পাহাৰ অঞ্চলৰ পৰা চাহপাত আৰু কেইটামান গছপুলি সংগ্ৰহ কৰি ১৮২৪ চনৰ আগভাগত উক্ত চাহপাত আৰু কেইটামান পুলি তেওঁৰ ককায়েক চি. এ. ব্ৰুসলৈ পঠায় আৰু তেওঁ পূৱ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল এজেন্ট মি: ডেভিদ স্কট চাহাবক দিয়ে। মি: স্কট চাহাবে কলিকতাৰ বটানিকেল গাৰ্ডেনৰ চুপাৰিনটেণ্ডেন্টলৈ পৰীক্ষাৰ কাৰণে পঠায়। পৰীক্ষাৰ পাচত এয়ে ঠিৰাং হ'ল যে, অসমৰ পৰা পঠোৱা চাহগছ চীনা চাহ গছৰ একে গোষ্ঠীৰ হলেও চীনাসকলে যি গছৰ পাতৰ পৰা চাহ তৈয়াৰ কৰে সেই গছ আৰু চিংফৌহঁতৰ পৰা নিয়া গছ একে নহয়।

১৮২৪ চনৰ পৰা ১৮৩২ চনলৈ অসমৰ চাহ গছৰ বিষয়ে একো শুনা নাযায়। ইয়াৰ পাছত মানৰ লগত যুদ্ধ আৰু ইয়াণ্ডাবু নামে ঠাইত ১৮২৬ চনৰ চৌবিশ ফেব্ৰুৱাৰীত মান ইংৰাজৰ সন্ধিসূত্ৰে অসম ইংৰাজে পায়। ইংৰাজৰ অধিকৃত অঞ্চল আৰু অসমৰ চৌপাশে থকা পাহাৰী জাতিবিলাকৰ বিদ্ৰোহ দমন কৰি অধিকৃত অঞ্চলত শান্তি, শৃংখলা স্থাপন কৰি শাসন দৃঢ় কৰি লোৱাটো প্ৰথম কাম হৈ পৰিছিল।

অসম, চিংফৌ, খামতি, বিভিন্ন নগা কৈদ, অকা, ডফলা, আবৰ, মিছিমি, মিজো, মণিপুৰী ইত্যাদি অসমৰ চৌপাশে থকা এই পাহাৰী ৰাজ্যবিলাক জয় আৰু বিভিন্ন সময়ৰ বিদ্ৰোহ দমন কৰা কাৰ্য্যত গোটেই উনৈশ শতিকা জুৰি ব্যস্ত থাকিবলগীয়া হৈছিল। গোৰ্খা সৈন্যৰ দ্বাৰা অমানুষিক অত্যাচাৰ কৰি বিদ্ৰোহ দমন আৰু শ শ গাওঁ পুৰি ভস্মীভূত কৰিলে। বহুতক গুলিয়াই বা ফাঁচী কাঠত ওলোমাই হত্যা কৰা

হৈছিল। শ শ লোকক দীঘলীয়া কাৰাদণ্ড দিয়া হৈছিল। অসমীয়া থলুৱা কছাৰী আদি জনজাতি লোকক চিপাহী হবলৈ বাধ্য কৰা হৈছিল। গাঁৱৰ মানুহৰ পৰা সৈন্যসকলৰ খোৰাৰহদ আৰু কৰ্মদক্ষ ডেকাবিলাকক ফৌজৰ মাল কঢ়িয়াবলৈ জোৰ জুলুম কৰি নিছিল। আনহাতে চাহ খেতিয়কসকলৰ প্ৰয়োজনীয়তাত প্ৰতি বছৰে ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা দুৰ্ভিক্ষ প্ৰপীড়িতৰ সুবিধা লৈ নানা প্ৰলোভন, ষড়যন্ত্ৰ আৰু বল প্ৰয়োগ কৰি বনৰীয়া জন্তুৰ দৰে গৰালত ভৰাই হেজাৰ হেজাৰ শ্ৰমিক অনাৰ অভিযানৰ করুণ হৃদয়বিদাৰক ইতিহাসৰ সূচনা হ'ল। চাহ বাগানৰ মেনেজাৰসকলে বাগান দুৰ্গত আৱদ্ধ ৰাখি বিভিন্ন ধৰণৰ অত্যাচাৰ আৰু তাৰ বিৰুদ্ধে এই দুৰ্ভগীয়া শ্ৰমিকসকলৰ সাহসিক সংগ্ৰামৰ ৰক্তেৰে লিখিত ইতিহাস আৰম্ভ হ'ল ১৮৪৮ চনৰ পৰা ১৯৪৭ চন ব্যাপী।

শ শ বছৰীয়া অসমৰ ৰুদ্ধ দুৱাৰ বহলকৈ ফাট মেলিলে ইণ্ট ইণ্ডিয়া কোম্পানী অসমৰ শাসনত অধিষ্ঠিত হৈ তেওঁলোক ৰাজ্য ৰক্ষা আৰু বিস্তাৰৰ কাৰণে গোড়া, গোৰ্খা সৈন্য, শান্তি-শৃংখলা ৰক্ষাৰ কাৰণে, যুক্ত-ৰাজ্য আৰু বিহাৰৰ চিপাহী, অফিচ আৰু শাসন কাৰ্য্যৰ বিভিন্ন স্তৰৰ কামৰ কাৰণে বঙালী বাবু, কেৰাণী, পিয়ন আৰু তেওঁলোকৰ উপনিবেশ শোষণ কাৰ্য্য, বেপাৰ বাণিজ্য, চাহ বাগান, তেল, কয়লা, বনজ সম্পদ, শিল্প আদি প্ৰতিষ্ঠা কৰাত সহায়ৰ কাৰণে মাৰোৱাৰী বেপাৰী, মহাজন আৰু লগত আনিলে বাবুচি খানচামা, খালাচী আৰু কানি, মদ, ভাঙৰ মহলদাৰ, কাঠ, বাঁহ, বেত, খেৰৰ মহল, পাৰঘাট ইত্যাদিৰ কাৰণে ঠিকাদাৰ আৰু শ্ৰমিক।

ইংৰাজ অহাৰ আগতে শ শ বছৰ ধৰি অসমৰ বন্ধ দুৱাৰ বহলকৈ মুকলি হৈ পৰিল। বেপাৰ-বাণিজ্য, চাহ বাগান, ৰেল, জাহাজ, তেলৰ পুং, কয়লাখনি, মূল্যবান বনজ সম্পদৰ প্ৰসাৰতা বৃদ্ধিৰ লগে লগে এই বিভিন্ন প্ৰতিষ্ঠানবিলাকৰ কাৰণে আহিল আৰু হেজাৰ হেজাৰ শ্ৰমিক, শ শ আহিল বিভিন্ন শ্ৰেণী—উচ্চ, মধ্য, নিম্নস্তৰৰ কাম কৰা লোক। চাহ বাগানৰ শ্ৰমিকসকলক কি অৱস্থাত আৰু পৰিস্থিতিৰ মাজেৰে অনা হৈছিল, সিয়ো এক অসমৰ ইতিহাস।

গোটেই উনৈশ শতিকা জুৰি অসমৰ থলুৱা লোকৰ সংখ্যা বঢ়া নাছিল। বৰং গড় হিচাবত পাঁচ শতাংশ কমিছিল। প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, গৃহযুদ্ধ আৰু মানৰ আক্ৰমণৰ পটভূমিত জনশূন্য অসমত, ভাৰতৰ বিভিন্ন অংশৰ পৰা দৰিদ্ৰ, ভোকাতুৰ, আকালগ্ৰস্ত কৃষক সংগ্ৰহ কৰি কোম্পানীবিলাকে অসমৰ চাহ বাগিছাৰ শ্ৰমিকৰ অভাৱ পূৰাবলগীয়া হয়। এই চাহ বনুৱাসকলেই আজি অসমৰ স্থায়ী বাসিন্দা আৰু পৰবৰ্তীকালৰ অসমীয়া হৈ অসমৰ মূল সুঁতিৰ লগত মিলি পৰিল। এই বাগিছাৰ শ্ৰমিকৰ ইতিহাস যদিও দীঘলীয়া, ইয়াত সংক্ষিপ্তভাবেহে এটা আভাস দিয়াৰ চেষ্টা কৰা হৈছে।

কেপ্তেইন জেনকিন্স চাহাবৰ কথা

অসম আৰু ইয়াৰ চাৰিওকাষে থকা পাহাৰী জাতিৰ বিদ্ৰোহ দমন কৰি বৃটিছ শাসনৰ খুটি দৃঢ় কৰি ঔপনিবেশিক শোষণৰ উদ্দেশ্য আগত ৰাখি প্ৰাকৃতিক আৰু খনিজ সম্পদৰ সন্ধান আৰু উন্নয়ন সম্পৰ্কে অধ্যয়ন কৰি কোম্পানীৰ কৰ্মকৰ্তাসকলক প্ৰতিবেদন দিবলৈ ১৮৩২ চনত কেপ্তে-ইন জেনকিন্স নামে এজন অভিজ্ঞ লোকক পঠায়। কেপ্তেইন জেন-কিন্স এজন কৰ্মকুশলী, কূটনৈতিক বিজ্ঞ কৰ্মচাৰী আছিল। তেওঁ কেইবামাহো ধৰি অসমৰ সেই সময়ৰ পৰিস্থিতি আৰু সম্পদ কি ধৰণে ব্যৱহাৰ কৰিব পাৰে তাৰ সন্ধানত লাগিল। এই অধ্যয়নৰ সময়ত জেনকিন্সক ব্ৰুস চাহাবে চাহ গছৰ কথা কয়। জেনকিন্স চাহাবে নিজেও অনুসন্ধান কৰি সেই কথা গৱৰ্ণমেণ্টক জনায়। জেনকিন্স চাহাবৰ প্ৰতিবেদনত উল্লেখ কৰা বিষয়ত আৱশ্যকীয় কাম হাতত লবৰ কাৰণে চৈধ্যজনীয়া সভ্যৰে এখন কমিটী গঠন কৰি দিয়ে, আৰু গৰ্ডন নামে এজন চাহাবক চীন দেশৰ পৰা চাহ গছৰ গুটি আৰু চাহ প্ৰস্তুত কৰিব জনা মানুহ আনিবৰ কাৰণে পঠায়। ইতিমধ্যে জেনকিন্স চাহাবেও অনুসন্ধান কৰাত এইটো প্ৰমাণ হ'ল যে, অসমত পোৱা চাহ গছ, চীন দেশৰ চাহ গছৰ লগত মিল আছে, আৰু অসমৰ চাহ গছৰ পৰাও বাণিজ্যোপযোগী চাহ উৎপন্ন সম্ভৱ।

১৮৩৪ চনত এই জেনকিন্স চাহাবেই অসমৰ কমিচনাৰ হৈ আহে, আৰু অসমত পৰীক্ষামূলকভাবে চাহ উৎপাদন কৰা বিষয়ে আগতে

যি আচনি পঠাইছিল তাক গৱৰ্ণমেণ্টে অনুমোদন জনায়। প্ৰথমে পৰীক্ষামূলকভাবে শদিয়া অঞ্চলত আৰু তাত সুবিধা নোহোৱাত জয়পুৰত বাগান খোলে।

অসমত চাহ বাগান প্ৰতিষ্ঠা

চাহখেতিৰ সম্প্ৰসাৰণৰ বাবে চীন দেশৰ পৰা সত্তৰ আশীজন বনুৱা চাহগছ 'ৰোৱা' আৰু 'চাহ তৈয়াৰ' কৰাৰ বাবে অনা হয়। প্ৰথম পৰ্য্যায়ত উজনি অসমৰ বিশেষকৈ ডিব্ৰুগড় জিলা আৰু চিংফৌ, খামটি, অঞ্চলৰ হাবিৰ পৰা চাহগছৰ পাত সংগ্ৰহ কৰা হৈছিল। তাৰ বাবে এটা নিৰ্দিষ্ট হিচাবত দাম দিয়া হৈছিল। চীনা বনুৱা অহাৰ পিছত চাহ গুটি পচাই পুলি ৰোৱা কাম আৰম্ভ হয়। চাহ বাগানত চীনা-সকলতকৈ বহুত কম নিৰিখত মজুৰী দি থলুৱা মানুহক নিয়োগ কৰা হৈছিল। এওঁলোক চুক্তিবদ্ধ বনুৱা নাছিল। প্ৰথমতে তিনিখন বাগানৰ কাম হাতত লয় আৰু তিনিশ্ৰেণীৰ লোকক নিযুক্তি দিয়ে যেনে--- প্ৰথম চীনৰ পৰা অনা, দ্বিতীয় দৰং আদিৰ পৰা ঠিকাদাৰৰ যোগে সংগ্ৰহ কৰা লোক আৰু স্থানীয় গাওঁ অঞ্চলৰ পৰা অস্থায়ী হিচাবে বা ঠিকা হিচাবত কাম কৰা মানুহ।

অসমত উপনিবেশ স্থাপনৰ পৰিকল্পনা

১৮৩৩ চনৰ বাইশ জুলাই তাৰিখে কমিচনাৰ জেনকিন্স চাহাবে উৰ্দ্ধতম পক্ষলৈ পঠোৱা প্ৰতিবেদনত অসমত উপনিবেশ স্থাপনৰ পোষকতা কৰি ইউৰোপীয় লোকসকলে পুঁজি খটুৱাবলৈ জোৰ দিছিল আৰু এই উপনিবেশ আঁচনি অসমৰ দৰিদ্ৰ সম্বলহীন মানুহৰ একমাত্ৰ উন্নয়নৰ সম্ভাৱনা বুলি কৈছিল। ইউৰোপীয়ানসকলে পুঁজি খটুৱাই অসমত পাম আৰম্ভ কৰি সম্বলহীন থলুৱালোকক বনুৱা বা 'টি ৰায়ত' হিচাবে খটুৱাব লাগে আৰু ইউৰোপীয়ানসকলক আকৰ্ষণ কৰিবৰ কাৰণে মাটি বন্দোবস্ত নীতি কেনে ধৰণৰ হ'ব লাগে সেই বিষয়েও পৰামৰ্শ দিয়ে।

To obtain the full advantages that could accure from European Settler's it appears to me that the grants must be altogether free hold, subject to no other condition that pay-

ment of a fixed and un-alterable rate of rent and absolutely unencumbered with any stipulations in regard to ryots or subtenent.

তেওঁৰ মতামত হ'ল— ইউৰোপীয়ানসকলক বিনামূলীয়াকৈ চাহ খেতি আৰু চিৰস্থায়ী বন্দোবস্তত মাটি দিব লাগে।

এই ঔপনিবেশিক আঁচনি কাৰ্য্যকৰী কৰোতে প্ৰয়োজন হ'লে স্থানীয় ৰায়তক উচ্ছেদ কৰিব লাগে, আৱশ্যক হ'লে মাটি বিতৰণ অধিকাৰী স্বত্ব ইত্যাদি পৰিবৰ্তন কৰা নীতি গ্ৰহণ কৰিব লাগে। তেওঁ আশঙ্কা কৰি লিখিছিল যে, যদি গৱৰ্ণমেণ্টে মাটিৰ খাজনা বৃদ্ধি নকৰে তেন্তে ইউৰোপীয়ান জমিদাৰসকলৰ পামত কাম কৰিবলৈ মানুহ পোৱা নাযাব পাৰে অৰ্থাৎ খাজনা বৃদ্ধি কৰিলেহে অসমীয়া মানুহে খাজনাৰ ভয়ত মাটি এৰি দিব, আৰু য়ুৰোপীয়ানসকলৰ পামত বনুৱা হৈ কাম কৰিবলৈ বাধ্য হব। যেতিয়া অধিক মাটি এই উপনিবেশৰ আঁচনিৰ ভিতৰলৈ আহিব তেতিয়া ইউৰোপীয়ানসকলক কম খাজনা দিয়া ক্ষতিখিনি যথা সময়ত পূৰণ হবগৈ।

জেনকিন্স চাহাবৰ এই আঁচনিৰ প্ৰতি সেই সময়ৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বৰ্ড অব ৰেভিনিউ আৰু বঙ্গদেশৰ লেফটেনেণ্ট গৱৰ্ণৰে সমৰ্থন জনায়।

অসম কোম্পানী গঠন

১৮৩৯ চনত অসমৰ চাহখেতি সম্প্ৰসাৰণ আৰু উৎপাদনৰ নিমিত্তে ইংলণ্ডত পাঁচলাখ পাউণ্ড মূলধনেৰে অসম কোম্পানী লিমিটেড্ গঠন কৰা হয়। বুঢ়ীদিহিং আৰু টিংৰাই নৈৰ পাৰতে এই কোম্পানীয়ে চাহ খেতি আৰম্ভ কৰে আৰু ১৮৪৩ চনত নাজিৰাত এটা ফেক্টৰী আৰু অফিচ স্থাপন কৰে। এই অসম কোম্পানীয়ে প্ৰথমে গাভৰু পৰ্বতৰ দাঁতিত মাটি অধিগ্ৰহণ কৰে। ইয়াৰ পাছৰ বছৰত কোম্পানীয়ে মটক ৰাজ্যৰ বনৰীয়া চাহগছৰ পৰা চাহপাত সংগ্ৰহৰ অধিকাৰ পায়। বৰ সেনাপতিৰ লগত চুক্তি কৰি এই অঞ্চল ইংৰাজৰ কৰতলীয়া হিচাবে আছিল। বৰ্তমান ডিব্ৰুগড়ৰ পূব অঞ্চল মটকসকলৰ প্ৰধান বসতি অঞ্চল। ১৮৬০ চনত ইংৰাজে ষড়যন্ত্ৰ কৰি এই মটক ৰাজ্য নিজৰ

অধীনলৈ নিয়ে। অসম কোম্পানীয়ে কেইবছৰমানৰ ভিতৰতে মটক, চিংফৌ আৰু শিৱসাগৰৰ কিছুমান ঠাইত চাহ বাগান খোলে।

গৱৰ্ণমেণ্টে যি তিনিখন বাগান খুলিছিল তাত লোকচান হোৱাত ১৮৪০ চনত এই কোম্পানীলৈ হস্তান্তৰিত কৰে। ১৮৫০ চনলৈকে চাহ বাগান খোলাত অসম কোম্পানীৰ একাধিপত্য আছিল। কিন্তু ১৮৫৯ চনত "যোৰহাট টি কোম্পানী লিমিটেড্" নামেৰে আৰু এটা কোম্পানী লণ্ডনত গঠন কৰে। এই কোম্পানীয়েও অসমত চাহ বাগান খোলা আৰম্ভ কৰে। ইংৰাজ বিষয়াসকলৰ নানা হেঙাৰ দিয়া সত্ত্বেও মণিৰাম দেৱানকে ধৰি দুই এজন অসমীয়া লোকেও বাগান খোলা কাম হাতত লয়।

চাহ বাগান খোলাৰ লগে লগে আৰু জাহাজ, ৰেললাইন সম্প্ৰসাৰণ, যান-বাহন বৃদ্ধি, ব্যৱসায় বৃদ্ধি আৰু আলি-পদূলি বন্ধাৰ বাবে বনুৱাৰ প্ৰয়োজন বাঢ়ে আৰু অসমত তাৰ অভাৱে দেখা দিয়ে। বিশেষকৈ ১৮৫৭ চনৰ বিপ্লৱৰ পিছত ই ডাঙৰ সমস্যা হৈ দেখা দিয়ে।

চাহ শ্ৰমিকৰ জন্ম

চাহ গছ ওলাল অসমৰ হাবিত। লগে লগে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আদি দিশত বিৰাট পৰিৱৰ্তন আৰু বিপৰ্য্যয়ে দেখা দিলে। চাহ খেতি কৰিবৰ কাৰণে ইংৰাজে আমদানি কৰিলে দৰিদ্ৰতা আৰু আকালত দিনকটোৱা হেজাৰ হেজাৰ দুৰ্ভগীয়া বিভিন্ন ৰাজ্যৰ লোক। তেওঁলোকক গিৰমিটীয়া হিচাবে নানা প্ৰলোভন দি অনা হৈছিল। চাহ খেতিয়কক হেজাৰ হেজাৰ একৰ মাটি দিয়াৰ উপৰিও বাগানৰ সুবিধাৰ বাবে ৰায়তৰ খেতিৰ মাটিও কাঢ়ি লৈছিল। স্থানীয় মানুহৰ অহা যোৱা কৰা গড় আলি বন্ধ কৰি দিলে। ফলত এঘণ্টাৰ বাটত পাঁচ ঘণ্টা লগা হ'ল। আগতে কোৱা হৈছে যে, গাঁৱৰ খেতিয়কক বাগানৰ বনুৱা হিচাবে ভৰ্তি কৰাৰ উদ্দেশ্যে খাজনা বৃদ্ধি কৰা হৈছিল। যোৰহাট, মৰিয়নি, ককিলামুখ ৰেল-আলি, তেজপুৰ-বালিপাৰা ৰেল-আলিৰ বাবেও খেতিয়কৰ খাজনাৰ পৰা উঠা টকা খৰচ কৰা হৈছিল। গোড়া আৰু গোৰ্খা আদিৰ ফৌজ ৰাখিবলৈ, সীমান্ত ৰাজ্য দখলত আনিবলৈ, বাগানৰ শ্ৰমিক আৰু খেতিয়কৰ বিদ্ৰোহ দমন কৰিবৰ কাৰণে

'বিলাতৰ পৰা টকা অনা নাছিল। এই সকলোবোৰ খৰছ অসমীয়া খেতিয়কৰ মাটিৰ খাজনা, কানি, মদ, ভাঙৰ ৰাজহৰ পৰা খৰছ কৰা হৈছিল। ডেকাসকলক ফৌজৰ বস্তু কঢ়িওৱা কামৰ বাবে বিনা বেতনে শ্ৰমিক নিয়োগ কৰিছিল। কছাৰী, ৰাভা, বড়ো আদি বিভিন্ন জাতিৰ ডেকা সৈনিকো ভৰ্তি কৰিছিল।

অসমৰ কৃষক ৰাইজে খাজনা বৃদ্ধিৰ বাবে গোটেই উনৈশ শতিকা জুৰি সংগ্ৰামত লিপ্ত আছিল। সংগ্ৰামত বহুতো গুলীৰ আঘাতত মৃত্যু হ'ল। কিছুৰ ফাঁচী হ'ল, শ শ আহত হ'ল, কিছুমানক কলীয়া-পানীলৈ পঠালে, কাৰাবাস দিলে, জৰিমনা কৰিলে, সা-সম্পত্তি বাজেয়াপ্ত কৰিলে, আৰু নীলামত গ'ল। কানি, মদ, ভাঙৰ মহলদাৰ, মহাজন, ঠিকাদাৰ, দোকানী, বেপাৰী আদিয়ে এই পৰিস্থিতিৰ সুযোগ লৈ, অসমৰ কৃষক আৰু চাহ শ্ৰমিকৰ সৰহসংখ্যকক পুৰুষানুক্ৰমে অৰ্থনৈতিক দাসত্বৰ শিকলিৰে বান্ধি পেলালে। সেয়েহে কব পাৰি অসমৰ খেতিয়ক আৰু চাহ শ্ৰমিকৰ সংগ্ৰাম একেখনেই; যিখন বৃটিছ শাসক আৰু বৃটিছৰ সহযোগী ভাৰতীয় শোষণকাৰী শ্ৰেণীৰ বিৰুদ্ধে কৰা হৈছিল।

আগতে উল্লেখ কৰা হৈছে যে, "আসাম কোম্পানী লিমিটেডে" নাজিৰাত মুখ্য কাৰ্য্যালয় পাতি কাম আৰম্ভ কৰাৰ লগে লগে অসংখ্য শ্ৰমিকৰ প্ৰয়োজন হৈ পৰিল। বৃটিছে শাসন কৰাৰ লগে লগে পাহাৰে পৰ্বতে পলাই থাকি জীৱন নিৰ্বাহ কৰি থকা মানুহবোৰ নিজ নিজ গাৱঁলৈ ঘূৰি আহিল। তাৰে কিছুৱে কানি কিনাৰ পইচা যোগাৰ বা জীৱন নিৰ্বাহৰ কাৰণে বাগানত কাম কৰিবলৈ ললে। স্থানীয়ভাৱে সংগ্ৰহ কৰি দৰং আদি জিলাৰ পৰা ঠিকাদাৰসকলে কিছু বাগানৰ শ্ৰমিক সংগ্ৰহ কৰিলে। লাহে লাহে বাগানৰ সংখ্যা বৃদ্ধি আৰু সম্প্ৰসাৰণৰ কাৰণে বনুৱাৰ প্ৰয়োজনীয়তা বাঢ়িবলৈ ধৰিলে।

প্ৰথম অৱস্থাত অসমৰ চাহ কোম্পানীসমূহৰ বনুৱাৰ চাহিদা বিভিন্ন প্ৰকাৰে প্ৰদেশখনৰ পৰাই পূৰণ কৰা সম্ভৱ আছিল। ১৮৫৭ চনত দহ-পোন্ধৰ হেজাৰ বনুৱা কামত নিয়োগ আছিল, কিন্তু পিছলৈ প্ৰয়োজন বাঢ়ি আহিবলৈ ধৰিলে। কিছুমান ইংৰাজ বিষয়া চাকৰিৰ অৱসৰৰ পিছত একত্ৰিত হৈ বা ব্যক্তিগতভাৱে বাগান খোলাত লাগিল। দেশৰ

দুই চাৰিজন লোকেও বাগান খোলাত মন দিলে। আনহাতে থলুৱা বনুৱাসকলে কম দৰমহা আৰু নিয়মিতভাবে নোপোৱাৰ কাৰণে তেওঁ-লোকৰ মাজত অসন্তুষ্টিৰ ভাব বাঢ়িবলৈ ধৰে আৰু চীনা বনুৱাক স্থানীয় বনুৱাতকৈ বেছি দৰমহা দিয়া কাৰ্য্যই অসন্তুষ্টিৰ পৰিমাণ বৃদ্ধি কৰে। স্থানীয় বনুৱাক আঢ়ৈ টকাৰ পৰা চাৰে তিনি টকালৈ কিন্তু চীনা বনুৱাক ছয় টকাৰ পৰা আঠ টকালৈ মাহিলী দৰমহা দিয়াৰ উপৰিও অন্যান্য সুবিধা দিয়া হৈছিল।

সৰ্বপ্ৰথম চাহ বনুৱাৰ ধৰ্মঘট

থলুৱা বনুৱাসকলৰ এই ব্যৱধান সম্পৰ্কত আবেদন নিবেদন কৰা সত্ত্বেও কোনো ফল নধৰাত ১৮৪৮ চনত কোম্পানীৰ বনুৱাই কাম বন্ধ কৰি কোম্পানীৰ চুপাৰিণটেনডেন্টৰ অফিচ ঘেৰাও কৰে। তিনিদিন ধৰি ঘেৰাও চলাৰ পিছত কোম্পানী কৰ্তৃপক্ষই বনুৱাৰ বাকী থকা তিনিমাহৰ দৰমহা দিবলৈ মান্তি হয় আৰু মাহিলী বেতন নিৰ্দিষ্ট সময়ত দিবলৈ প্ৰতিশ্ৰুতি দিয়াত ঘেৰাও উঠাই লোৱা হয়।

পশ্চিমবঙ্গত ১৯৬৭-৭১ চনত চি, পি, এম আৰু বঙ্গ কংগ্ৰেছৰ সংযুক্ত মন্ত্ৰীসভাৰ দিনত চি, পি, এমৰ বনুৱা সন্থাই মালিকক ঘেৰাও কৰা পদ্ধতি, বনুৱাসকলৰ সংগ্ৰামৰ নতুন পদ্ধতি বুলি প্ৰচাৰ কৰিছিল। কিন্তু, অসমৰ চাহ বনুৱাই ১৮৪৮ চনতে এই ঘেৰাও পদ্ধতিৰে মালিকৰ ওচৰত দাবী কৰিছিল আৰু তাৰ পিছৰ পৰা অসংখ্য বাৰ এই পদ্ধতি কাৰ্যকৰী কৰি আহিছে। অৱশ্যে ভাৰতৰ বনুৱা আন্দোলনৰ বুৰঞ্জীত ইয়াৰ উল্লেখ নাই।

ভাৰতৰ সৰ্বপ্ৰথম শ্ৰমিক ধৰ্মঘট হয় ১৮৯৫ চনত আহমদা-বাদৰ কাপোৰ কলৰ শ্ৰমিকসকলৰ। মালিকসকলৰ সাপ্তাহিক হাজিৰাৰ পৰিবৰ্তন কৰি পষেকীয়া হাজিৰা দিয়াৰ ব্যৱস্থাৰ বিৰুদ্ধে এই ধৰ্মঘট কৰিছিল। অসমৰ শ্ৰমিকসকলে ১৮৪৮ চনৰ পৰা ১৮৯৫ চনৰ ভিতৰত মালিকৰ স্বেচ্ছাচাৰিতা অত্যাচাৰৰ বিৰুদ্ধে আৰু বেতন বা মজুৰী বৃদ্ধিৰ বাবে ধৰ্মঘট, ঘেৰাও কৰি পুলিচৰ হাতত গ্ৰেপ্তাৰ, নিৰ্মম অত্যাচাৰ ভোগ কৰিব লগা হৈছিল বহবাৰ আৰু জেইল আদি খাইও আন্দোলন চলাই গৈছিল। মালিক শ্ৰেণীৰ এই দমন নীতিৰ বিষয়ে ভাৰতৰ বনুৱা আন্দোলনৰ ইতিহাসত উল্লেখ নাই।

দ্বিতীয় অধ্যায়

১৮৫৭ চনৰ স্বাধীনতা সংগ্ৰাম, অসম আৰু অসমৰ চাহ শ্ৰমিক

ভাৰতৰ বিভিন্ন ঠাইত চিপাহী বিদ্ৰোহ আৰম্ভ হোৱাৰ সময়ত অসমৰ আহোম ৰজা কন্দৰ্পেশ্বৰ সিংহক ৰাজ্যৰ ভাৰ দিব লাগে বুলি ইংৰাজ চৰকাৰক আবেদন জনাবলৈ মণিৰাম দেৱান কলিকতালৈ গৈছিল। মণিৰাম দেৱানে অসমৰ পৰা বৃটিছ ৰাজৰ অৱসানৰ বাবে অসমতো বিদ্ৰোহ কৰিব লাগে বুলি কন্দৰ্পেশ্বৰ সিংহ, তেওঁৰ পৰামৰ্শদাতা পিয়লি বৰুৱা আৰু আন বিশ্বাসী লোকসকললৈ কলিকতাৰ পৰাই চিঠিৰে জনাইছিল। কিন্তু, চিঠি সেই সময়ৰ বৃটিছ সেৱক হৰনাথ দাৰোগাৰ হাতত পৰাত সকলো ষড়যন্ত্ৰৰ কথা ইংৰাজে জানিব পাৰিলে। মণিৰাম দেৱানক কলিকতাতে গ্ৰেপ্তাৰ কৰা হ'ল। কন্দৰ্পেশ্বৰ সিংহক বন্দী কৰি আলিপুৰ জেইললৈ পঠোৱা হ'ল। ইয়াৰ বাহিৰেও এই ষড়যন্ত্ৰত লিপ্ত থকা পিয়লি বৰুৱা, বাহাদুৰ গাওঁবুঢ়া, ফৰমুদ আলিকো গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ পিছত বিচাৰৰ ভেকোভাওনা কৰি মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ফাঁচি দিয়া হয় আৰু আনসকলক জেইল বা দ্বীপান্তৰ কৰা হয়। কন্দৰ্পেশ্বৰ সিংহক কিছুদিন কলিকতাতে নজৰ বন্দী কৰি ৰাখি পিছত গুৱাহাটীলৈ আনি সামান্য এটা পেঞ্চন দি থয়।

অসম কোম্পানী আৰু জাতীয় বিপ্লৱ

ডিব্ৰুগড়ৰ, চিপাহীবোৰে কন্দৰ্পেশ্বৰ সিংহক সিংহাসনত বহুৱাবলৈ তলে তলে ষড়যন্ত্ৰ কৰি বিদ্ৰোহী হৈ উঠিল। ইংৰাজে ডিব্ৰুগড়ৰ চিপাহী বিদ্ৰোহ দমন কৰি সামৰিক আদালতত বিচাৰ কৰি সৰহসংখ্যকক

কলীয়াপানী আৰু বাকীসকলক দীৰ্ঘকালীন ফাটেক দিয়ে। গোড়া নাবিক সৈন্যসকলে মানুহৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ কৰে ডিব্ৰুগড়ত। হিন্দু মানুহৰ ঘৰলৈ গৰু কাটি মঙহ দলিয়াই দিয়া, বাটত তিৰোতা মানুহ ওলাব নোৱাৰা হৈছিল। অসমৰ প্ৰতিটো স্বাধীনতা আন্দোলনত চাহ খেতিয়কসকলৰ ভূমিকা মন কৰিবলগীয়া। এই চাহ খেতিয়কসকলৰ হেঁচাতেই অসমত স্বাধীনতা আন্দোলন দমনৰ কাৰণে গৱৰ্ণমেণ্টে অন্য প্ৰদেশবিলাকতকৈ মানুহৰ ওপৰত অতি উগ্ৰ কঠোৰ ব্যৱস্থাৰে আন্দোলন মষিমূৰ কৰিবলৈ ব্যৱস্থা লৈছিল। চিপাহী বিদ্ৰোহত অসম কোম্পানী আতঙ্কিত হৈ উঠিছিল তেওঁলোকৰ ৰাজত্ব যায় বুলি আৰু গভৰ্ণমেণ্টৰ ওপৰত হেঁচা দিছিল বগা সৈন্য পঠায় কঠোৰ ভাৱে বিদ্ৰোহ দমন কৰিবৰ কাৰণে।

অসমৰ চাহ মজদুৰ আৰু জাতীয় বিপ্লৱ

মধু কোঁচ প্ৰথমতে মঙ্গলদৈ আদি অঞ্চলৰ পৰা বনুৱা সংগ্ৰহ কৰি অনা এজন ঠিকাদাৰ আছিল। পিছত তেওঁৰ নেতৃত্বত সৰহভাগ বনুৱাই ১৮৫৭ চনৰ বিপ্লৱত কাম এৰি যায়। মধু কোঁচ আৰু ভালে কেইজন মুখিয়াল লোকক ১৮৫৭ চনৰ বিপ্লৱত লিপ্ত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰি ফৌজদাৰী মোকৰ্দমা চলায় আৰু ১৮৫৮ চনৰ ৩০ জানুৱাৰীত মধু কোঁচক সাত বছৰ সশ্ৰম ফাটেক আৰু আনৰ কেইজনক দুই তিনিবছৰ ফাটেক দিয়ে। পিছত মধু কোঁচক দ্বীপান্তৰ কৰে আৰু তাতে তেওঁৰ মৃত্যু হয়।

কাম এৰি যোৱা বহুতো বনুৱাক জোৰ-জুলুম কৰি পুনৰ বাগানত কাম কৰিবলৈ পুলিচে বাধ্য কৰায়। ভাৰতৰ ইতিহাসৰ কোনো অংশতে এনেদৰে বনুৱাই ধৰ্মঘট আৰু ১৮৫৭ চনৰ বিপ্লৱত যোগদান আৰু নেতাসকল নিৰ্য্যাতিত হোৱা নাছিল। সৰ্বপ্ৰথম অসমৰ চাহ শ্ৰমিকেহে স্বাধীনতা সংগ্ৰামত বৰঙণি দি নিৰ্য্যাতিত হৈছিল।

বিদ্ৰোহৰ প্ৰথম অৱস্থাত ইংৰাজে বিশেষ একো সুবিধা কৰিব পৰা নাছিল। অলপ দিনৰ ভিতৰতে ভাৰতীয় লোকৰ সাহায্য লৈ ইংৰাজে দমন কৰিবলৈ সক্ষম হ'ল। ভাৰতৰ শিখ আৰু গোৰ্খাবিলাক ইংৰাজৰ

অনুগত আছিল। নিজাম আৰু অনেক দেশীয় ৰজাই ইংৰাজক বিদ্ৰোহ দমনত সহায় কৰিছিল।

কোম্পানীৰ ৰাজত্ব শেষ হ'ল

জাতীয় সংগ্ৰাম দমন কৰাৰ লগে লগে ১৮৫৮ খৃঃৰ দুই আগষ্টত ভাৰতৰ শাসন পোনপটীয়াকৈ ইংলণ্ডৰ পাৰ্লিয়ামেণ্টৰ তললৈ নিয়াৰ কথা ঘোষণা কৰে অৰ্থাৎ ইংলণ্ডৰ ৰাণী ভিক্টোৰীয়া ভাৰতৰ সাম্ৰাজ্ঞী হ'ল।

চাহ শ্ৰমিকৰ তৃতীয়বাৰ ধৰ্মঘট

১৮৫৯ চনত পুনৰবাৰ চীনা শ্ৰমিক আৰু থলুৱা শ্ৰমিকৰ দৰমহা একে নিৰিখ কৰাৰ কাৰণে দাবী জনাই অসম চাহ বনুৱাই ধৰ্মঘট কৰে। কোম্পানীয়ে চৰকাৰৰ মেজিষ্ট্ৰেটৰ দ্বাৰা এই ধৰ্মঘট বে-আইনী বুলি ঘোষণা কৰায়। ১৮৫৯ চনৰ ওৱাৰ্ক মেনচ্ ব্ৰিছ অৱ কনট্ৰেক্ এক্ট অনুসৰি শ্ৰমিকসকলে তেওঁলোকৰ চুক্তিৰ ম্যাদ শেষ নৌহওঁতেই কাম এৰি দিয়া অভিযোগত প্ৰধান প্ৰধান বনুৱা নেতাসকলক গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত দুই তিনি বছৰকৈ ফাটেকৰ হুকুম হয়। শ্ৰমিকৰ দৰমহা মাহিলি চাৰি টকালৈ বৃদ্ধি কৰা হয়। ভাৰতবৰ্ষৰ ১৮৫৯ চনৰ ওৱাৰ্ক মেনচ ব্ৰিছ অৱ কনট্ৰেক্ এক্টৰ ইয়েই প্ৰথম প্ৰয়োগ।

লণ্ডনত ৰেজিষ্টাৰীভুক্ত যোৰহাট টি-কোম্পানীয়ে যোৰহাটৰ চীনামৰা অঞ্চলক কেন্দ্ৰ কৰি চাহ খেতি আৰম্ভ কৰে। পাছৰ বছৰত "মাইজান টি" কোম্পানী নামে আন এটা কোম্পানী গঠন কৰা হয়। অসমত চাহ খেতি কৰিবৰ কাৰণে "ফ্ৰণ্টিয়াৰ টি কোম্পানী" "ডুমডুমা টি কোম্পানী" আদি কৰি একৈশটা ডাঙৰ ইংৰাজ কোম্পানী গঠন হয়।

অসমত মণিৰাম দেৱানে মাটিৰ পট্টা বৃটিছ খেতিয়কৰ দৰে নোপোৱা সত্ত্বেও তিনিখন চাহ বাগান খুলিছিল। ১৮৫৭ চনৰ জাতীয় বিপ্লৱৰ লগত জড়িত থকা বুলি সন্দেহ কৰি দেৱানক ফাঁচি দিয়ে আৰু বাগান তিনিখন বাজেয়াপ্ত কৰে। তাৰে এখন হৈছে চিনামৰা। তাকে কেন্দ্ৰ কৰি যোৰহাট টি কোম্পানীয়ে চাহ বাগান খোলা আৰম্ভ কৰে।

বাগান খোলাৰ লগে লগে চাহ খেতিয়কৰ আগত দুটা সমস্যাই দেখা দিয়ে। এটা হ'ল চাহ খেতি বিস্তাৰিত হোৱাত অধিক বনুৱাৰ প্ৰয়োজন

হৈ পৰিল আৰু সেই অনুপাতে স্থানীয়ভাবে শ্ৰমিক সংগ্ৰহ কৰা অসম্ভৱ হৈ পৰিল। আনহাতে থলুৱা বনুৱাৰ ক্ষতিৰ পৰিমাণ বেছি আৰু দাবীও বেছি। তেওঁলোকে ধৰ্মঘট কৰিবলৈ বা কাম কৰি যাবলৈ কুণ্ঠা বোধ নকৰে। কামৰ পৰা খেদি দিলে নিজ পথাৰত খেতিত নামিব, এনে ভাবৰ দ্বাৰা তেওঁলোক প্ৰণোদিত। চাহ খেতিত কাম বেছি হোৱা সময়তে ধান খেতিৰ বতৰ গতিকে থলুৱা লোকৰ কামত ক্ষতিৰ পৰিমাণ অধিক।

চাহ তৈয়াৰ কৰা চীনা লোকক লৈ আৰু এটা সমস্যাই দেখা দিছিল। থলুৱা লোকতকৈ তেওঁলোকক বেছি দৰমহা দিব লগা হৈছিল। দৰমহা বৃদ্ধিৰ উপৰিও তেওঁলোকৰ কামত অৱহেলা আছিল। থলুৱা লোকৰ চাহ খেতি আৰু চাহ প্ৰস্তুত কৰাত নিপুণতা বেছি আছিল যদিও চুক্তিবদ্ধ বনুৱা হিচাবে তেওঁলোকে কাম কৰিব খোজা নাছিল। মধু কোঁচ আৰু কিছুমান লোকে দৰং অঞ্চলৰ পৰা বনুৱাৰ যোগান ধৰিছিল। যদিও তেওঁলোকক স্বাধীনতা সংগ্ৰামত লগা কাৰণে দ্বীপান্তৰ বা ফাটেক আদি শাস্তি দিয়াত সেই অঞ্চলৰ ভালেমান বনুৱাই কাম এৰি গুছি যায়।

পূৰ্বৰে পৰা থলুৱা লোকসকলে উৎপাদন কাৰ্য্যত নিৰিখ বান্ধি কঠোৰ পৰিশ্ৰম কৰিব লগা নহৈছিল। কাড়ী, পাইক সকলো আলি বন্ধা, পুখুৰী খন্দা আদি কামৰ বাহিৰে কৃষি উৎপাদনত বিশেষ পৰিশ্ৰম কৰিব লগা হোৱা নাছিল। সেই কালত মাটি আছিল সাৰুৱা, সাৰ-পানী দিব লগা হোৱা নাছিল। প্ৰয়োজনীয় সামগ্ৰীখিনিহে উৎপাদন কৰিছিল আৰু কাম কৰা সময় বাগানৰ দৰে নিৰ্দিষ্ট আৰু সীমাবদ্ধ নাছিল।

মানভগনৰ পিছত খি কমসংখ্যক দুখীয়া লোক শিৱসাগৰ আৰু লক্ষীমপুৰ জিলাত আছিল তেওঁলোকে বাধ্যবাধকতাৰ মাজত, কম মজুৰীত কাম কৰিবলৈ ইচ্ছুক নাছিল। কিছু কানীয়াই কানি কিনাৰ বাবে পইচা উপাৰ্জন কৰিবলৈ বা কানিকে মেনেজাৰৰ পৰা পাবলৈ কাম কৰিবলৈ নোযোৱা নহয়। উজনি অসমৰ দৰে মঙ্গলদৈ অঞ্চল গৃহযুদ্ধ বা মান ভগনত মানুহৰ মৃত্যু বা ঘৰ এৰি পলাই যোৱাৰ বাবে জনসংখ্যা বেছি পাতল হোৱা নাছিল। গতিকে প্ৰথম অৱস্থাত বনুৱা সংগ্ৰহৰ সুবিধা আছিল যদিও ১৮৫৭ চনৰ পিছত ওপৰত উল্লেখ কৰা কাৰণত সি কঠিন হৈ পৰিল।

স্থানীয় বনুৱা সংগ্ৰহৰ প্ৰচেষ্টা

চাহ কোম্পানীৰ প্ৰশাসকসকলৰ ওপৰত চাহ খেতিয়কসকলৰ বনুৱা সংগ্ৰহ কৰি দিয়াৰ বাবে হেঁচা পৰিল। অসমৰ উন্নয়নৰ পৰামৰ্শ আগবঢ়াই জেনকিন্স চাহাবে চৰকাৰক যি প্ৰতিবেদন দিছিল, সেইজনেই ১৮৩৪ চনত অসমৰ কমিশ্যনাৰ হৈ আহিল, আৰু তেওঁৰ ওপৰতেই পৰামৰ্শসমূহ কাৰ্য্যকৰী কৰাৰ দায়িত্ব পৰিল। জেনকিন্স চাহাবৰ কাম হ'ল ইংৰাজ উদ্যোগীসকলক চাহখেতি কৰিবলৈ মাটি দিয়া আৰু মাটিৰ খাজনা বঢ়াই একশ্ৰেণী খেতিয়কক খেতিৰ পৰা আঁতৰাই চাহ বনুৱা কৰা। চাহবাগান উন্নয়নৰ কাৰণে ৰাস্তা বন্ধা কামৰ বাবেও বনুৱাৰ প্ৰয়োজন হৈ উঠিল।

তৃতীয় অধ্যায়

(১)

পতিত মাটিৰ নিয়ম বিধি ১৮৩৩

ইংৰাজ লোকক অসমত উপনিবেশ, পাম আৰু চাহবাগান আদি খুলিবৰ কাৰণে গৱৰ্ণমেণ্টে নতুন ভূমি নীতি গ্ৰহণ কৰে আৰু পতিত মাটি সম্পৰ্কীয় এখন বিধি গ্ৰহণ কৰা হল যাক Waste Land Rules 1833 বোলা হয়। এই বিধিমতে (১) যি কোনো ইউৰোপীয় লোকে এশ একৰৰ পৰা দহ হেজাৰ একৰলৈ মাটি ৪৫ বছৰৰ কাৰণে পট্টা কৰি লব পাৰিব। কিন্তু পাঁচ বছৰৰ ভিতৰত এক চতুৰ্থাংশ মাটি খেতিৰ বাবে উপযোগী কৰিব নোৱাৰিলে পট্টা ৰদ কৰা হব। এশ একৰতকৈ কম মাটি আৰু যিসকলে অন্ততঃ একৰত তিনিটকা খটুৱাবলৈ সক্ষমতা দেখুৱাব নোৱাৰিব তেওঁলোকক পট্টা দিয়া নহব। এইদৰে দিয়া মাটিৰ চাৰিভাগৰ এক অংশৰ কোনো কালেই খাজনা দিব নালাগে, বাকী মাটিৰ শ্ৰেণী অনুযায়ী পাঁচ বছৰৰ পৰা বিশ বছৰলৈ খাজনা দিব নালাগিছিল। কিন্তু এনে সুবিধা সত্ত্বেও সৰহ সংখ্যাক ইউৰোপীয়ান লোক আকৰ্ষিত নোহোৱা যেন দেখি ১৮৫৪ চনত এশ একৰৰ ঠাইত পাঁচশ একৰৰ কমে মাটি লিজ দিয়া বন্ধ কৰি দিয়ে। লগতে স্বত্ব বান্ধি দিয়ে যে এনে মাটিৰ কাৰণে আবেদনকাৰীয়ে মাটি আবাদ কৰিবলৈ তেওঁৰ যি পুজি আৰু সজুলি আছে সেইটো কৰ্তৃপক্ষক দেখুৱাব পাৰিব লাগিব। আওপকীয়াভাৱে এনে পদ্ধতিৰে থলুৱা লোকক মাটি পোৱাৰ পৰা বঞ্চিত কৰা হল। ৯৯ বছৰৰ কাৰণে মাটিৰ পট্টাৰ ম্যাদ স্থিৰ কৰা হ'ল। খাজনা একৰত বছৰি তিনি অনা আছিল। মাটিৰ এনে সুবিধাজনক বন্দোবস্তিৰ কাৰণে বাহিৰৰ পৰা শ শ লোক চাহখেতি কৰিবলৈ অসমলৈ

আছে। কাছাৰ, ছিলেটৰ হাবিতো চাহ গছ পোৱা হয় আৰু কাছাৰত চাহগছ ৰোৱা হ'ল।

নতুন ব্যৱস্থাৰে একশ্ৰেণী নতুন জমিদাৰীৰ সৃষ্টি হ'ল। একমাত্ৰ চাহগছ ৰোৱাৰ বাবেই নহয়, কাঠ, বেত, বাঁহ আৰু খেৰ আদি ব্যৱহাৰ আৰু বিক্ৰীৰ বাবে আৰু আৱশ্যকবোধ কৰিলে বিক্ৰী কৰিবলৈ বা ৰায়ত বহুৱাবলৈ হেজাৰ হেজাৰ একৰ মাটি সম্পূৰ্ণ স্বত্বৰে কোম্পানীবোৰক দিয়া হ'ল।

পুনৰ ১৮৬১ চনত Fee simple Grantৰ যোগেদি সংশোধিত ভূমি পট্টন আৰু ১৮৭৯ চনত ৩০ বছৰীয়া ম্যাদী পট্টাৰ ব্যৱস্থা কৰি অসমত চাহ খেতিয়কৰ কাৰণে মাটি পট্টনৰ সুবিধা কৰি দিয়ে।

ৰাজহ সংগ্ৰহ নীতি পৰিবৰ্তন

বৃটিছ অহাৰ আগতে ৰাজহ সংগ্ৰহ কৰাৰ যি নিয়ম আছিল সেই নিয়মৰ সাল-সলনি ঘটিল। আহোম ৰজাৰ দিনত এজন পাইকক দুপুৰা ৰূপিত মাটি দিয়া হৈছিল। ৰাজহ দুটকা আৰু প্ৰতি পুৰা মাটিৰ খাজনা এটকাকৈ বেছি দিব লাগিছিল। ৰাজহৰ বাবদ কাম কৰি দিব লাগে যাক 'কাতল কৰ' বুলিছিল। নতুবা তাৰ বাবদ মুগা বা এড়ি সূতাৰ কাপোৰ, চাউল, ধান, মাহ, সৰিয়হ ইত্যাদি শস্য নিৰ্দ্ধাৰিত পৰিমাণৰ দিলেও হৈছিল। পাহাৰ অঞ্চলৰ লোকে কপাহ, মেজাঙ্কৰি আদি দিব লাগিছিল। শিল্প কামত লিপ্তসকলে পাইকতকৈ অধিক ৰাজহ দিব লাগিছিল। ৰূপিত মাটিত আনুপাতিকভাৱে 'হাল কৰ' দিব লাগিছিল। চাপৰি জলাতক মাটিত খেতি কৰা সকলে আৰু দেৱালয় সত্ৰ আদিত দেৱলীয়া পাইকসকলে কৰ দিব নালাগিছিল।

কোম্পানীৰ শাসনকৰ্তাসকলে তেওঁলোকৰ পুঁজি সংগ্ৰহৰ উন্নতি সাধন কৰিবলৈ ৰাজহ ধাৰ্য্য আৰু সংগ্ৰহৰ নিয়মৰ পৰিবৰ্তন সাধন কৰিলে। ইংৰাজসকল আছিল বেপাৰী, গতিকে তেওঁলোকৰ সিদ্ধান্ত আছিল ৰাজ্য পৰিচালনাৰ ধন ৰাজ্যৰ ভিতৰৰ পৰাই উলিয়াব লাগিব। এই চিন্তা মতে তেওঁলোকে আগৰ ৰাজহ সংগ্ৰহৰ নিয়ম সলনি কৰি খাজনা তোলাৰ দায়িত্ব শইকীয়া, হাজৰিকা আদি বিষয়াবৰ্গৰ ওপৰত দি দিয়া হৈছিল,

তাক বিভিন্ন কাৰণত সেই নিয়ম তুলি দি উজনি অসমত মৌজা আৰু নামনি অসমত মহল ভাগ কৰি, উজনি অসমত মৌজাদাৰ আৰু নামনি অসমত চৌধুৰী, পাটগিৰি আদি বিষয়া নিয়োগ কৰিলে। মাটিৰো শ্ৰেণী বিভাগ কৰা হল। প্ৰথমতে প্ৰতি পুৰা ৰূপিত মাটিত এটকা, বাও তলিত বাৰ অনা আৰু ফৰিঙতিত চাৰি অনাকৈ খাজনা ধাৰ্য্য কৰিছিল।

বঙ্গদেশৰ লগত চামিল

১৮৩৫ চনত অসমক বঙ্গ প্ৰেচিডেন্সিৰ লগত চামিল কৰা হ'ল। ফলত সকলোতে ইংৰাজ শাসকৰ তলৰ চাকৰিত পিয়নকে আৰম্ভ কৰি মহৰি, কেৰাণী, বৰবাবু, হাকিম, উকিল, পুলিচ, দাৰোগা আদিত বঙ্গদেশৰ লোক নিয়োগ হল।

বঙালী ভাষাই অসমীয়াৰ স্থান ললে

১৮৩৬ চনত আদালত, স্কুল আদিত বঙালী ভাষা প্ৰচলন কৰা হ'ল আৰু স্কুলতো বঙালী শিক্ষক নিয়োগ কৰা হ'ল।

বহুত প্ৰচেষ্টাৰ ফলত ১৪৯৮ চনত পৰ্তুগীজ নাৱিক ভাস্কো-ডা-গামাই উত্তমাশা অন্তৰীপ হৈ ভাৰত মহাসাগৰেদি আহি দক্ষিণ ভাৰতৰ পশ্চিম কূলত অৱস্থিত কালিকত বন্দৰ পায়হি। সেই সময়ত নাৱেৰে আৰব সাগৰেদি দক্ষিণ ভাৰতৰ বিভিন্ন অঞ্চলত আৰবীয় বেপাৰীসকলে বেহা-বেপাৰ চলাইছিল। তেওঁলোকৰ প্ৰতিদ্বন্দ্বী হিচাবে কলম্বচে স্পেইন দেশৰ ৰজা আৰু ৰাণীৰ সহায়ত তেওঁৰ সপোনৰ সোণে ধনে ভৰপূৰ দেশখন ভাৰতবৰ্ষকে বুলি ভাবি আটলাণ্টিক মহাসাগৰৰ অন্য দিশে যাত্ৰা কৰি ১৪৯২ চনত আমেৰিকা মহাদেশৰ সন্ধান পায়। সাগৰৰ নতুন দুই পথেদি এফালে ভাৰতবৰ্ষ, চীন, পূব এছিয়া ভূখণ্ডত আৰু আনফালে উত্তৰ আৰু দক্ষিণ আমেৰিকা মহাদেশ আৰু আটলাণ্টিক, প্ৰশান্ত আৰু ভাৰত মহাসাগৰৰ অনেক সৰু ডাঙৰ দ্বীপ আবিষ্কাৰ হবলৈ ধৰিলে আৰু বৃটেইন, পৰ্তুগীজ, ফৰাচী জাতিৰ সদাগৰ সকলে উক্ত দেশসমূহত বেপাৰৰ কাৰণে কোম্পানীৰ শাসন প্ৰতিষ্ঠা কৰিলে। এই দেশসমূহে বাণিজ্য সম্প্ৰসাৰণ কৰাৰ লগে লগে একচত্ৰী হবৰ কাৰণে

প্ৰতিযোগিতা আৰম্ভ হল। বিশেষকৈ ইংৰাজ আৰু ফৰাচীসকলৰ মাজত থকা দ্বন্দ বাহিৰৰ দেশত বেপাৰ বাণিজ্যতো প্ৰতিফলিত হল। ইংৰাজসকলে ফৰাচীসকলৰ দৰে ভাৰতৰ সৰু সৰু ৰাজ্যসমূহক বিভিন্ন ষড়যন্ত্ৰেৰে নিজৰ অধীনলৈ আনিছিল।

আনহাতে মূল্যবান খনিজ সম্পদ, প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ উত্তৰ আৰু দক্ষিণ আমেৰিকা আৰু মধ্য আফ্ৰিকাৰ প্ৰতি পাশ্চিম ইউৰোপৰ বিভিন্ন জাতি আকৃষ্ট হয় আৰু খনিজ-বনজ সম্পদৰ বাহিৰে সেই দেশত কুঁহিয়াৰ, কফি, ৰবৰ আৰু ঘেহু খেতিৰ পাম খোলাৰ উদ্দেশ্য লৈ বৃটেইন আৰু পশ্চিম ইউৰোপৰ বিভিন্ন দেশৰ লোক দলে দলে যাব ধৰিলে।

সেই সময়ত যন্ত্ৰ আৱিষ্কাৰ হলেও খেতিত শতকৰা ৯৫ ভাগ আৰু শিল্পত শতকৰা ৭৫ ভাগ লোকে শাৰীৰিক পৰিশ্ৰম কৰিব লগা হৈছিল। গতিকে, শিল্পই হওক বা কৃষিতেই হওক অধিক লাভ নিৰ্ভৰ কৰিছিল কম মজুৰীত শ্ৰমিক খটুৱাব পৰাৰ ওপৰত।

আমেৰিকা আৰু অষ্ট্ৰেলিয়া-আফ্ৰিকা আদি দেশবিলাক আছিল বিৰাট আকাৰৰ কিন্তু জনসংখ্যা সেই অনুপাতে আছিল নিচেই কম আৰু পাতল। বিভিন্ন জাতি-উপজাতিৰ লোকসকল সিচৰিত হৈ আছিল, কেতিয়াবা আকস্মিকভাৱে দেখাদেখি হলেই সংঘৰ্ষ হৈছিল। আমেৰিকাৰ সেই কালত বাস কৰা লোকসকলৰ লগত ইউৰোপীয় পমুৱাসকলৰ লগত সংঘৰ্ষ হৈছিল। ইউৰোপীয় পমুৱাসকলৰ বাবে শ্ৰমিক পোৱাটো কঠিন হৈ অহাত তেওঁলোকৰ আফ্ৰিকাৰ বিভিন্ন ঠাইত বাস কৰা অৰ্দ্ধনগ্ন অৰ্দ্ধসভ্য নিগ্ৰোসকলৰ ওপৰত চকু পৰিল। সেই সময়ত আফ্ৰিকাৰ বিভিন্ন অঞ্চল ইংৰাজ, ফ্ৰান্স, পৰ্তুগীজ, জাৰ্মান জাতিয়ে দখল কৰাৰো অভিযান আৰম্ভ হৈছিল। এই নিগ্ৰোসকলক প্ৰলোভন বা স্থানীয় ৰজা বা প্ৰভাৱশালী লোকক টকা দি আৰু বলেৰে সুবিধাজনক ঠাইত ধৰি আমেৰিকালৈ নিয়া প্ৰচেষ্টা চলিল। ক্ৰমে ই এটা সহজ লাভজনক ব্যৱসায়ত পৰিণত হল। আৰু এই নিগ্ৰো দাস সংগ্ৰহ কৰা কোম্পানীয়ে হেজাৰ হেজাৰ নিগ্ৰো ধৰি আমেৰিকাৰ দাস বজাৰত জাহাজেৰে নি বিক্ৰী কৰা আৰম্ভ হল। এই শ্ৰমিকসকলৰ নামকৰণ কৰা হল

'নিগ্ৰোস্লেভ বা ক্ৰীতদাস'। এই স্লেভসকলৰ ওপৰত অত্যাচাৰ চলাই কাম আদায় কৰাই হল মালিকসকলৰ নীতি কাৰণ তেওঁলোক আছিল কিনি নিয়া 'গোলাম। দক্ষিণ আফ্ৰিকাৰ নৰেঞ্জ ফ্ৰি ষ্টেট, চাউথ আফ্ৰিকা, ৰোডেচিয়া, নাতাল আদি আৰু ভাৰত মহাসাগৰৰ ডাঙৰ দ্বীপবিলাকত ইংৰাজ পমুৱাই কুঁহিয়াৰ, কফি, ৰবৰ, নীল আৰু খনি কাৰখানাত কাম কৰিবলৈ শ্ৰমিকৰ প্ৰয়োজন হৈ পৰিল। কাৰণ, আফ্ৰিকাৰ নিগ্ৰোসকল কৃষিপামত কাম কৰাত পাৰ্গত নাছিল। তেওঁলোক আছিল যনৰীয়া স্বাধীনচিতীয়া লোক। নিগ্ৰোসকলক আমেৰিকালৈ নি যি অত্যাচাৰ, উৎপীড়ণ কৰি কাম কৰাইছিল তেনেদৰে আফ্ৰিকাত কাম কৰোৱা সম্ভৱ নাছিল। আফ্ৰিকাৰ নিগ্ৰোসকলক এনেদৰে অত্যাচাৰ কৰি কাম কৰোৱাৰ বিৰুদ্ধে বিভিন্ন দেশত প্ৰতিক্ৰিয়া হল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰেচিডেন্ট আব্ৰাহাম লিঙ্কনে দাস প্ৰথা উঠাই দিয়াৰ সিদ্ধান্ত কৰাত দক্ষিণৰ যুক্তৰাষ্ট্ৰৰ ৰাজ্যবিলাকে ইয়াৰ বিৰুদ্ধে থিয় দিলে কাৰণ দক্ষিণ যুক্তৰাষ্ট্ৰৰ ৰাজ্যবিলাক আছিল ডাঙৰ ডাঙৰ কৃষি পামৰ সমষ্টিৰ দৰে। ঘেহু, ধপাত, কুঁহিয়াৰ আদি উৎপাদনকাৰীয়ে এই বিষয়ৰ শিল্পলৈ কেঁচামাল যোগান ধৰা আৰু এই পামবিলাকত খাটিছিল শ শ নিগ্ৰো দাস। উত্তৰৰ ৰাজ্যবিলাকৰ খনিজ কল-কাৰখানাবোৰত যথেষ্ট মূলধন খটুৱাব লগা হৈছিল, লগতে তেওঁলোকে শ্ৰমিকক বৰ্দ্ধিত হাৰত দৰমহা বা মজুৰী আৰু অন্যান্য সা-সুবিধা দিব লগা হৈছিল আৰু সেইকাৰণেই তেওঁলোকৰ খৰছৰ মাত্ৰাধিক্য আছিল। এই দাস প্ৰথা বন্ধ কৰা আইনৰ সম্পৰ্কত হোৱা গৃহ যুদ্ধত আব্ৰাহাম লিঙ্কনৰ জয় হল। এই কাৰণতে আফ্ৰিকা আৰু আন ৰাষ্ট্ৰবিলাকতো ইউৰোপীয় সকলে দাস খটুৱাত অসুবিধা আহি পৰিল।

ইষ্ট ইণ্ডিয়া কোম্পানী

আগতে উল্লেখ কৰি অহা হৈছে যে ভাস্কো-ডা-গামাই ভাৰতলৈ অহা সাগৰীয় পথ পোনপটীয়া হোৱাত ইউৰোপীয় সাগৰপৰীয়া ৰাষ্ট্ৰসমূহে ভাৰতৰ লগত বেপাৰ-বাণিজ্য চলাবলৈ কোম্পানী গঠন কৰিছিল। ১৬৯৮ চনত কিছুমান ইংৰাজ সদাগৰে এটা বণিক গোষ্ঠী সংগঠন কৰি প্ৰাশ্চাত বেহা-বেপাৰ কৰাৰ কাৰণে ইংলণ্ডৰ ৰাণীৰ ওচৰত অনুমতি বিচাৰি আবেদন কৰে। এই সংগঠনে এখন (চনদ) অনুমতি পত্ৰ পালে আৰু ইষ্ট

ইণ্ডিয়া কোম্পানী নাম দি এটা কোম্পানী প্ৰতিষ্ঠা কৰি ভাৰতৰ লগত বেহা-বেপাৰ আৰম্ভ কৰে। ভাৰতত এইদৰে খোপনি লৈ শাসনকৰ্তা হৈ পৰে। ইংৰাজ পমুৱা সকলৰ চকু পৰিল ভাৰতৰ অৰ্দ্ধাহাৰী, দুখীয়া খেতিয়ক শ্ৰেণী আৰু অভাৱগ্ৰস্ত জনজাতি আৰু পাৰ্বত্য এলেকাত থকা লোক সকলৰ ওপৰত। তেওঁলোকে ভাৰত গৱৰ্ণমেণ্টৰ লগত আলোচনা কৰি বৃটিছ সাম্ৰাজ্যৰ উপনিবেশবিলাকৰ পাম, খনি, কাৰখানা আদিত কাম কৰিবৰ কাৰণে চুক্তি বন্ধা শ্ৰমিক নিয়াৰ ব্যৱস্থা হয়।

'কুলি' শব্দৰ উৎপত্তি

এইদৰে নিয়া শ্ৰমিকসকলক 'কুলি' নামকৰণ কৰা হয়। তামিল ভাষাত 'কুলি' মানে ভাৰাতীয়া আৰু তুৰ্কী ভাষাত 'ক্ৰীতদাস' অৰ্থাৎ কিনি নিয়া দাস। কিন্তু আফ্ৰিকা আদিৰ ইউৰোপীয়সকলে ইয়াক হেয় বা নীচস্তৰৰ বুজাবলৈ এই শব্দ প্ৰয়োগ কৰিছিল। ভাৰতীয় মাত্ৰেই কুলি বুলি ধৰা হল। কুলি বেৰিষ্টাৰ, কুলি ডাক্তৰ, কুলি প্ৰফেচাৰ, কুলি জজ বা হাকিম ইত্যাদি।

ভাৰততো ইউৰোপীয়ানসকলে তেওঁলোকৰ চাহবাগান, পাম, কাৰখানাত কাম কৰা শ্ৰমিকসকলক 'কুলি' বুলিয়েই মতা হল আৰু ভাৰতীয়

বেপাৰী ইংৰাজ ভাৰতৰ শাসনৰ গাদীত বহিল

মালিকসকলেও সেই পদানুসৰণকে কৰিলে। ই ক্ৰমে নীচস্তৰৰ বুজোৱা শব্দ হৈ পৰিল। এইদৰেই নিগ্ৰো দাস আৰু গিৰমিটীয়া কুলিৰ সৃষ্টি হ'ল।

ভাৰত, চীন দেশত বেপাৰ বাণিজ্য কৰিবৰ কাৰণে ইউৰোপত গঠন হোৱা কোম্পানীবিলাকৰ মাজত অৰিয়াঅৰি আৰু ফলত খণ্ডযুদ্ধ হৈছিল। কেৱল ভাৰতবৰ্ষতে নহয় ইউৰোপতো এই খণ্ডযুদ্ধ বিয়পি পৰিছিল বা ইউৰোপত এই জাতিবিলাকৰ মাজত হোৱা যুদ্ধ সেই দেশৰ কোম্পানীবিলাক থকা ঠাইলৈও সম্প্ৰসাৰিত হৈছিল।

ভাৰতত বেপাৰ কৰিবৰ কাৰণে আন এটা কোম্পানীয়ে ইংলণ্ডৰ ৰাণীৰ পৰা ১৬৯৮ চনত অনুমতি (চনদ) পায়। পিছত দুয়োটা কোম্পানীৰ মাজত অন্তৰ্দ্বন্দ হোৱাত ১৭০২ চনত দুয়োটা একলগ হৈ ইউনাইটেড ইষ্ট ইণ্ডিয়া কোং নাম লয়। ১৭০৪ চনত ফৰাচী দেশৰ বেপাৰীসকলেও গোট খাই ভাৰতত বেপাৰ কৰিবৰ 'কাৰণে ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানী' গঠন কৰে। এই পাশ্চাত্যৰ বিভিন্ন কোম্পানীবিলাকৰ

প্ৰতিযোগিতা আৰু অৰিয়াঅৰিত ইংৰাজৰ ইউনাইটেড ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ফৰাচীসকলৰ ফৰাচী ইষ্ট ইণ্ডিয়া কোম্পানী টিকি থাকিল। শেষত গৈ ইউৰোপ আৰু ভাৰততো যুদ্ধ-বিগ্ৰহৰ মাজেদি ইংৰাজসকলে জয়লাভ কৰে অৰ্থাৎ ইংৰাজসকলে বাণিজ্যতেই নহয় প্ৰশাসনীয় ক্ষেত্ৰতো ভাৰতবৰ্ষ অধিকাৰ কৰি বহে। ফ্ৰাংসৰ হাতত মাত্ৰ পণ্ডিচেৰী, বঙ্গদেশৰ চন্দন নগৰ আৰু মাহী এই তিনিটা অঞ্চল ৰয়গৈ আৰু পৰ্তুগীজৰ হাতত গোৱা, দমন আৰু দিউ থাকিলগৈ। আগতে কৈ অহা হৈছে যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৮২৪ চনত অসমৰ পৰা মান খেদিবলৈ আহি ১৮২৬ চনত মানৰ ৰজাৰ লগত ইয়াণ্ডাবুত সন্ধি কৰি গোটেই অসম ইংৰাজ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰি ললে।

চুক্তিবদ্ধ চাহ শ্ৰমিকৰ কাহিনী

ওপৰত আলোচনা কৰি অহা হৈছে যে অসমত চাহ খেতি কৰাৰ বাবে গঠন হোৱা কোম্পানী কেউটাৰ বাবে শ্ৰমিক সংগ্ৰহৰ সমস্যা বাগানৰ মেনেজাৰ আৰু চৰকাৰৰ চিন্তাৰ বিষয় হৈছিল। অসম চাহ কোম্পানীয়ে চাহ বাগান খোলাৰ দহ বছৰৰ ভিতৰতে তিনিটা ধৰ্মঘট আৰু বহুতো শ্ৰমিকে ১৮৫৭ চনত কাম এৰি গুচি যোৱাত গৱৰ্ণমেণ্ট আৰু কোম্পানীয়ে থলুৱা শ্ৰমিক নিয়োগ কৰা সম্পৰ্কত চিন্তিত হয়। থলুৱা শ্ৰমিকৰ খতিৰ মাত্ৰা বেছি আৰু চুক্তিবদ্ধ হৈ কাম কৰিবলৈ অনিশ্চুক আছিল। তেওঁলোক ঘৰলৈ গলে ঘূৰি নহা সমস্যাও আছিল মাৰাত্মক। সেইকাৰণে স্থানীয়ভাৱে শ্ৰমিক সংগ্ৰহ কৰাত বাগানৰ মালিকসকল নাৰাজ আছিল। স্থানীয় লোকে বাগানত কাম নকৰাৰ আৰু এটা কাৰণ আছিল। তেওঁলোকে গড়কাপ্তানি আদি চৰকাৰী বিভাগত কাম কৰিলে বেছি মজুৰী বা দৰমহা পায়। গতিকেই অসমৰ বাহিৰৰ পৰা দৰমহা বা মজুৰীত চুক্তিবদ্ধ কৰি শ্ৰমিক আনিবৰ কাৰণে কোম্পানীবিলাকে সিদ্ধান্ত কৰিলে।

দক্ষিণ আফ্ৰিকা আৰু অন্যান্য বৃটিছ উপনিবেশত কাম কৰিবলৈ ভাৰতীয় চুক্তিবদ্ধ শ্ৰমিক নিব পৰা আইন প্ৰণয়ন হল। তাৰ উপৰিও অসমৰ চাহ কোম্পানীবিলাকেও বাহিৰৰ ৰাজ্যৰ পৰা অসমৰ বাগানত কাম কৰিবলৈ 'আৰকাটিৰ' (এজেণ্ট) যোগে চুক্তিবদ্ধ বনুৱা অনাৰ ক্ষেত্ৰতো আইনৰ ৰক্ষণাবেক্ষণ দিয়া হল।

অসমৰ চাহ বাগানৰ মালিকসকলে বাৰে বাৰে শ্ৰমিকৰ দৰমহা বৃদ্ধি সম্পৰ্কত বিৰোধিতা কৰি আহিছিল আৰু তেওঁলোকৰ ৰক্ষণাবেক্ষণ দিবৰ কাৰণে আইনৰ সহায় লব পৰা হৈছিল। তেনে এখন আইন ১৮৫৯ চনত প্ৰণয়ন হয় যাৰ যোগে হঠাতে কাম বন্ধ কৰি দিয়া কাৰ্য্য বোধ কৰিব পৰা হ'ল। এই আইনখন হ'ল—ৱৰ্কমেনচ ব্ৰিচ অব্ কন্ট্ৰেক্ট এক্ট ১৮৫৯।

শ্ৰমিক ভৰ্তি কৰাৰ নিয়ম অমানৱীয় আছিল। ১৮৫৯ চনৰ ১৫ ডিচেম্বৰৰ পৰা ১৮৬১ চনৰ নৱেম্বৰ মাহলৈকে আসাম কোম্পানীয়ে বাহিৰৰ পৰা ২২৭২ জন শ্ৰমিক মকৰল কৰি আনিছিল। বাটত তাৰে ২৫০ জন মৰিল। সেইদৰে ১৮৬১-৬২ চনত মকৰল কৰা ২৫৬৯ জনৰ ১৩৫ জন ব্ৰহ্মপুত্ৰত পানী ভুবি মৰিল আৰু ১০৩ জন পলাল আৰু ১৮৬৩-৬৬ ভিতৰত যি ৮৪,৯১৫ জন অসমৰ কাৰণে শ্ৰমিক অনা হৈছিল তাৰে ৩০,০০০ মৃত্যুৰ মুখত পৰে। এই শ্ৰমিক সংগ্ৰহৰ বাবে ঠিকাদাৰক বাগানৰ মালিকে ১২ টকাৰ পৰা ২০ টকালৈ দিব লগা হৈছিল। মানুহবিলাকক প্ৰলোভন দেখুৱাই পশুৰ দৰে কিনা বেঁচা কৰি পলুৱাই অনা হৈছিল। পলাই যোৱাসকলক পলৰীয়া দাসৰ দৰে অত্যাচাৰ-মাৰধৰ কৰা হৈছিল।

চাহ শ্ৰমিকক দমন আৰু অন্য শ্ৰমিক আইন

The first attempts of the Government of regulate Labour, such as the earlier Assam Labour's Acts,', the wok men's breach of contract Act of 1859 and the employer's and, Work mens (Disputes) Act of 1860 were motivated by such a policy. All these Acts rendered work men liable to cremina penalties for breach of contracts."......

১৮৬৩ চনত গৃহীত 'ট্ৰেন্সপোৰ্ট অব্ দি নেটিভ লেবাৰাৰ্চ এক্ট' খনেও শ্ৰমিকৰ দৰমহাৰ নিৰিখ ধাৰ্য্য কৰি দিয়া নাছিল যদিও চুক্তিত দৰমহাৰ পৰিমাণ লিপিবদ্ধ থাকিব লাগে বুলি ব্যৱস্থা দিছিল। প্ৰকৃততে এই আইনখন এজেন্টৰ যোগে মকৰল কৰা শ্ৰমিকসকলৰ নিয়োগ নিয়মীয়া কৰিবৰ কাৰণেহে গ্ৰহণ কৰা হৈছিল।

১৮৬৫ চনৰ সংশোধিত আইনখনতহে সংবিধিবদ্ধ মজুৰী স্থিৰ কৰি দিয়ে যদিও ১৮৭০ চনৰ আইনত তাক তুলি দিয়া হয়। পুনৰ

১৮৮২ চনৰ ইনলেণ্ড ইমিগ্ৰেছন আইনে নিৰ্দ্ধাৰিত মজুৰীৰ দফা অন্তৰ্ভুক্ত কৰে আৰু ১৯০১ চনলৈকে ই প্ৰৱৰ্তন হৈ থাকে। এই ব্যৱস্থামতে ১২ বছৰৰ ওপৰৰ পুৰুষ আৰু মহিলাৰ মাহিলি দৰমহা যথাক্ৰমে ৫ টকা আৰু ৪ টকা ধাৰ্য্য কৰি দিয়ে। শিশু শ্ৰমিকৰ দৰমহা মাহে ৩ টকা স্থিৰ কৰে। চাউল প্ৰতিমোনত ১ টকা হাৰত শ্ৰমিকক বাগানে দিব লাগিব। অৱশ্যে এই নিয়ম ভঙ্গ কৰি মালিকসকলে চাউলৰ দাম প্ৰতিমোনে দুটকা আঠ অনা কৰে। অৰ্থাৎ ইয়াৰ দ্বাৰা শ্ৰমিকৰ প্ৰকৃত দৰমহা কমোৱা হল। ইয়াৰ পিছত ১৮৬৫ চনত গ্ৰহণ কৰা আইনে কাম কৰাৰ সময় ৯ ঘন্টা কৰে আৰু সপ্তাহত ৬ দিন কাম কৰাব নিয়ম কৰে। তদুপৰি শ্ৰমিকৰ লগত চুক্তি তিনি বছৰৰ অধিক কৰিব নোৱাৰা হল। প্ৰতি বাগানত চিকিৎসাৰ ব্যৱস্থা কৰাৰ বিষয়েও ব্যৱস্থা আছিল যদিও এই নিয়মবোৰ পৰিদৰ্শনৰ ব্যৱস্থা নথকাৰ কাৰণে কাৰ্য্যকৰী হোৱা নাছিল। বাগানৰ পৰা পলাই যোৱা আৰু কামত হেলা কৰা শ্ৰমিকক শাস্তি দিয়াৰ ক্ষমতা বাগানৰ মালিকৰ হাতত আছিল। শ্ৰমিক সংগ্ৰহৰ চৰ্দাৰী পদ্ধতি ১৮৭০ চনৰ আইনখনে স্বীকৃতি দিয়ে যদিও ১৯১৫ চনলৈকে চৰ্দাৰী পদ্ধতি আৰু এজেণ্ট পদ্ধতি একেলগে চলি আছিল। ১৮৭৩ চনত অন্য এক সংশোধিত দফাই মুক্ত শ্ৰমিক মকৰল কৰাৰ সুবিধা দিয়া হল। কিন্তু চুক্তি এবছৰৰ অধিক সময়ৰ বাবে কৰাৰ পৰা বিৰত কৰা হল। যিহেতুকে চাহ খেতিয়কে শ্ৰমিকক অনুশাসনত ৰাখিবৰ বাবে শাস্তি দিয়াৰ পৰা বিৰত কৰা হ'ল, তেওঁলোক এই সংশোধনত আকৃষ্ট নহল। তথাপিও যি শ্ৰমিকৰ চুক্তি কাল পাৰ হৈ গৈছিল তেওঁলোকক পুনৰ চুক্তিবদ্ধ কৰাৰ বাবে "ৱৰ্কমেনচ ব্ৰিচ অব কনট্ৰেক্টৰ (Workmens Breach of Contract Act 1859) সুবিধা গ্ৰহণ কৰিছিল।

ষাঠি দশকৰ ভিতৰত অন্য প্ৰদেশৰ পৰা শ্ৰমিক আমদানি কৰাৰ প্ৰকৃত তথ্য পোৱা নগলেও ১৮৬৭-৬৮ চনৰ বেঙ্গল এডমিনিষ্ট্ৰেটিভ ৰিপোৰ্ট (Bengal Administrative Report 1867-68) মতে আসামত চাহ শ্ৰমিকৰ সংখ্যা ৩৪,৪৩৩ জন বুলি পোৱা যায় আৰু তাৰে দুইভাগৰ তিনি অংশ বাহিৰৰ পৰা অনা আৰু ১১,৬৩৩ জন স্থানীয়ভাৱে সংগ্ৰহ কৰা। এইসকল শ্ৰমিক নিজ ঘৰৰ পৰা আঁতৰত

থকাৰ বাবে আৰু চুক্তিবদ্ধ হোৱা বাবে তেওঁলোক সন্দেহাতীতভাবে শোষিত আছিল।

উনৈশ শতিকাৰ শেষলৈকে প্ৰায় ৪ লাখৰো অধিক শ্ৰমিক বিভিন্ন ৰাজ্যৰ পৰা অনা হৈছিল। ৰেল, জাহাজ, যান-বাহনৰ সুবিধা আৰু বাগানৰ প্ৰসাৰতা বঢ়াত ১৯০১ চনৰ পৰা ১৯৩৮ চনৰ ভিতৰত প্ৰায় ২০ লক্ষ শ্ৰমিক চাহ বাগানত কাম কৰিবৰ কাৰণে অনা হৈছিল। ১৯১৮-১৯ চনতে আটাইতকৈ সৰহ সংখ্যক ২,২২,১৭১ জন অনা হয়। শ্ৰমিকসকলৰ ভিতৰত প্ৰধানতে যুক্ত প্ৰদেশ, বিহাৰ আদিৰ পৰা অনা শ্ৰমিকৰ প্ৰায় ⅓ অংশ ঘূৰি গৈছিল, বাকীবিলাকৰ অলপ সংখ্যক পৰিমাণৰ শ্ৰমিকহে পুনৰ উভতি গৈছিল। এওঁলোকৰ প্ৰতি বছৰে এটা বুজন সংখ্যক শ্ৰমিক বাগানৰ পৰা ওলাই আহি বাগানৰ বা পতিত মাটি দখল কৰি বসতি কৰিবলৈ লয়। এনেদৰে বসতি কৰা বস্তীৱালা-বনুৱাৰ সংখ্যা ১৯৪০-৪১ চনত ৩ লাখৰো অধিক আছিল। বৰ্ত্তমান ইয়াৰ চাৰিগুণৰ অধিক হৈছেগৈ।

শোষণত জৰ্জৰিত হৈ পলাই সাৰিবলৈ চেষ্টা কৰা শ্ৰমিকসকলক ধৰা পেলাবৰ কাৰণে গৱৰ্ণমেণ্টে হুকুম জাৰি কৰিছিল যে গাওঁবুঢ়া, ঘাটৈ, মৌজাদাৰ আদিয়ে পলাই যোৱা কুলিক দেখা পালে তৎক্ষণাৎ পুলিচক চমজাই দিব লাগিব বা খবৰ দিব লাগিব, নহলে আইন মতে জগৰীয়া হব। বাগানৰ গিৰমিটীয়া কুলি মানুহ ঘৰত ৰখাটো আইনমতে দণ্ডনীয় কাম বুলি ধৰা হল। যদিও এই শ্ৰেণীৰ কুলিক শাস্তি দিয়াৰ অধিকাৰ গৱৰ্ণমেণ্টৰহে আছিল তথাপি বাগানৰ মেনেজাৰসকলে চৰ্দাৰ, চৌকিদাৰসকলৰ দ্বাৰা পলৰীয়া শ্ৰমিকক ধৰাই আনি অমানুষিক শাস্তি বিধান কৰিছিল। আনকি পুলিচে ধৰি অনা শ্ৰমিককো কেচাৰীত বিচাৰৰ বাবে হাজিৰ নকৰি বাগানৰ মেনেজাৰক চমজাই দিছিল। কম মজুৰীত খটুৱা আৰু কোনো চিকিৎসা আদিৰ সা-সুবিধা নথকাৰ কথা গৱৰ্ণমেণ্টক জনোৱা হৈছিল। ১৮৭২ চনত ব্ৰহ্মপুত্ৰ উপত্যকাত ২৪০০০ আৰু কাছাৰ জিলাত কুৰি হেজাৰ বাহিৰৰ পৰা অনা চুক্তিবদ্ধ বনুৱা আছিল। ১৮৭৯ চনত কলিকতাৰ ব্ৰাহ্ম সমাজৰ ৰাম কুমাৰ মিশ্ৰ বিদ্যাৰত্ন নামেৰে এজন সেৱকে বাগানৰ শ্ৰমিকৰ

ওপৰত কৰা অত্যাচাৰ, অন্যায়, উৎপীড়নৰ বিষয়ে অধ্যয়ন কৰিবৰ কাৰণে অসমলৈ আহিছিল। গুপ্তভাৱে তেওঁ তথ্যপাতি সংগ্ৰহ কৰি লৈ গৈছিল আৰু কলিকতাৰ বাতৰি কাকতত এই সম্বন্ধে কেইবাটাও প্ৰবন্ধ লিখিছিল। অসমৰ শ্ৰমিকৰ এনে শোচনীয় পৰিণতিৰ বাবে ভাৰতৰ জাতীয়তাবাদীসকলে প্ৰতিবাদ কৰিছিল আৰু জাতীয় কংগ্ৰেছতো সমালোচনা হৈছিল। শ্ৰমিকৰ ওপৰত কৰা অন্যায়, অবিচাৰ বন্ধ কৰিবলৈ গৱৰ্ণমেণ্টৰ ওচৰত দাবী জনোৱা হৈছিল।

ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম

১৮৮৫ চনত বম্বেত ভাৰতৰ বিভিন্ন প্ৰদেশৰ জাতীয়তাবাদী অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিসকল সমবেত হয় আৰু ভাৰতীয় কংগ্ৰেছ গঠন কৰে। এই কংগ্ৰেছ মহাসভা প্ৰথমতে ভাৰতৰ বিভিন্ন অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক সমস্যাসমূহ প্ৰস্তাৱযোগে দাঙি ধৰাই কাম আছিল কিন্তু ই ক্ৰমে উগ্ৰপন্থী মহামান্য তিলক, পঞ্জাব কেশৰী লালা ৰাজপত ৰায়, বঙ্গৰ বিপিন চন্দ্ৰ পাল প্ৰভৃতি লোকসকলৰ প্ৰভাৱলৈ আহে আৰু ১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছ অধিবেশনৰ পৰা কংগ্ৰেছৰ গান্ধী যুগ বা স্বাধীনতা সংগ্ৰামৰ যুগ আৰম্ভ হয়।

অসম চীফ কমিচনাৰৰ অধীনস্থ প্ৰদেশ

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসম লোৱাৰ পাছত বঙ্গ প্ৰেচিডেন্সিৰ তলত এজন চীফ কমিচনাৰ অধীনলৈ আহে। বঙ্গ প্ৰেচিডেন্সিৰ আকাৰ বৰ ডাঙৰ হোৱাত আৰু চাৰিওকাষৰ পাহাৰী অঞ্চলসমূহ লৈ অসমৰ আকাৰো ডাঙৰ হোৱাত কূটনৈতিক কৰ্মচাৰী, চাহ খেতিয়কে বঙ্গদেশৰ লগত অসমক সাঙুৰি থোৱাটো বিপদজনক হব বুলি বিবেচনা কৰি প্ৰথমতে শিৱসাগৰ, লক্ষীমপুৰ, নগাওঁ, দৰং, কামৰূপ, গোৱালপাৰা, কাছাৰ, গাৰোপাহাৰ আৰু অন্যান্য অঞ্চললৈ ১৮৭৪ চনত এজন চীফ কমিচনাৰৰ তলত এখন সুকীয়া প্ৰদেশ গঠন কৰে। কিন্তু, অসমৰ দুৰ্ভাগ্য ইংৰাজ কূটনৈতিক বিষয়াই অসমৰ জনসংখ্যা কম বুলি দেখুৱাই অসম বিদ্বেষী ছিলেট জিলাখন ১৮৭৪ চনৰ ছেপ্টেম্বৰ মাহত অসমৰ লগত সাঙুৰি দি ৰাজহুকুম জাৰি কৰে।

ছিলেট

অসমৰ নগন্ত — ছিলেট জিলাখন অসমৰ ভাষা, কৃষ্টি, শিক্ষা, চাকৰি, উন্নয়নৰ কামত হেঙাৰ স্বৰূপ হৈ পৰিল।

জাতীয় মহাসভা, কংগ্ৰেছ আৰু অসমৰ চাহ শ্ৰমিক

১৮৮৬ চনৰ ডিচেম্বৰ মাহত কলিকতাত কংগ্ৰেছ মহাসভাৰ দ্বিতীয় অধিবেশন বহিছিল। এই অধিবেশনত 'জুৰি বিচাৰ পদ্ধতি' প্ৰচলন সম্পৰ্কে উত্থাপিত প্ৰস্তাৱৰ বিৰোধিতা কৰি অসমৰ অন্যতম প্ৰতিনিধি দেবীচৰণ বৰুৱাই কৈছিল এই জুৰিত ইউৰোপীয় লোকৰ সংখ্যা বেছি।

"They are selected from a class of men strong in race prejudices and ignorant of the first principles of gurispru-dence—I mean the class of planters—and this very systems is one of the reason why our poor Coolies are so oppressed in Assam."

অসমৰ দুই উপত্যকাৰ চাহ খেতি প্ৰধান জিলাকেইখনত 'জুৰিত' (Jury) চাহবাগানৰ মেনেজাৰৰ সংখ্যা বেছি আছিল। গতিকে বাগানৰ মেনেজাৰ আদি কৰ্মকৰ্তাসকলৰ হত্যা, বলাৎকাৰ আদি অপৰাধত জুৰিত যি বিচাৰ হৈছিল তেওঁলোকক নিৰ্দোষী বুলি খালাছ দিয়া হৈছিল। লোকেল বৰ্ডত বাগানে কৰ নিদিয়া সত্ত্বেও বাগানৰ বাট পথত লোকেল-বোৰ্ডৰ টকাৰ অধিকাংশ ব্যয় কৰা হৈছিল। ১৮৮৮ চনত জাঞ্জী নৈৰ ছিগা বান্ধি হেজাৰ হেজাৰ বিঘা মাটিৰ খেতি নষ্ট হোৱাৰ পৰা ৰক্ষা নকৰি, সেই টকা বাগানৰ আলি বন্ধা, দলং সজাত ব্যয় কৰা হৈছিল কাৰণ সেই সময়ত ডেপুটি কমিচনাৰসকলেই লোকেল বোৰ্ডৰ চেয়াৰমেন আছিল।

১৮৮৭ চনত পুনৰ অসম কংগ্ৰেছৰ প্ৰতিনিধি আৰু বঙ্গদেশৰ প্ৰতি-নিধি লগ লাগি অসমৰ চাহ শ্ৰমিকসকলৰ দুৰ্ভগীয়া অৱস্থাৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে যি চেষ্টা চলাইছিল সভাপতিয়ে দাঙি ধৰিবলৈ অনুমতি নিদিয়াত কৃতকাৰ্য্য হব নোৱাৰিলে। কিন্তু ১৮৮৬ চনত ব্ৰাহ্ম সমাজৰ দ্বাৰকানাথ গাঙ্গুলীয়ে অসমলৈ আহি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বহুত দুখজনক তথ্য সংগ্ৰহ কৰি কলিকতাৰ সঞ্জীৱনী কাকতত প্ৰকাশ কৰাত ই চাঞ্চল্যৰ সৃষ্টি কৰিছিল। তেওঁ কলিকতাৰ আন এখন কাকতত ১৮৮২ চনত 'গিৰমিটীয়া কুলি' আইনখনৰ বিৰুদ্ধে আন্দোলন কৰিবৰ কাৰণে বঙ্গ আৰু অসমৰ যুৱকসকলক আহবান জনাইছিল।

ভাৰত গৱৰ্ণমেণ্ট আৰু অসমৰ চাহ শ্ৰমিক

১৮৯৬ চনত কলিকতাত বহা ভাৰতীয় জাতীয় কংগ্ৰেছে অসমৰ গিৰমিটীয়া চাহ শ্ৰমিকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা থকা সকলোবিলাক আইন তুলি দিয়াৰ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। এই অধিবেশনৰ পিছৰ পৰাই ভাৰতৰ জাতীয় কংগ্ৰেছত অসমৰ চাহ শ্ৰমিকৰ চুক্তিবদ্ধ ব্যৱস্থা সম্পৰ্কত আলোচনা হবলৈ ধৰে। গিৰমিটীয়া কুলি নিয়োগ ব্যৱস্থা আৰু তেওঁলোকৰ ওপৰত চলোৱা অত্যাচাৰ, উৎপীড়ন ক্ৰমে ক্ৰমে প্ৰকট হোৱাত এক জনমত গঠন হ'ল আৰু আনকি উদাৰ ভাবাপন্ন ইংৰাজ লোক দুই চাৰিজনেও সমালোচনা নকৰা নহয়। এনে প্ৰতিবাদ সত্ত্বেও ১৮৮২ চনত 'দি ইনলেণ্ড এমিগ্ৰেশ্যন এক্ট (The Inland Emigration Act) গ্ৰহণ কৰি মজুৰী নিৰ্দ্ধাৰণ কৰি দিয়ে। এই মজুৰী ১৯০১ চনলৈ বতি থাকে। কিন্তু এই আইনৰ বিৰুদ্ধে জাতীয় নেতাসকলে খবৰ কাগজৰ যোগে তীব্ৰ সমালোচনা কৰে। ষ্টেটছমেন কাগজৰ বাহিৰে আন কাগজে এই "এমিগ্ৰেশ্যন এক্ট" সমৰ্থন কৰা নাছিল। ইংলণ্ডৰ সুধী সমাজতো প্ৰতিক্ৰিয়া হোৱাত গৱৰ্ণমেণ্টৰ ফালৰ পৰা আশ্বাস দিয়া হৈছিল যে এই আইন সোনকালেই সংশোধন কৰা হব। এইখিনিতে উল্লেখ কৰা ভাল হব যে কৃষ্ট দাস পালে ইম্পিৰিয়েল লেজিছলেটিভ কাউন্সিলত (Imperial Legislative Council) আইনখন গ্ৰহণ নকৰিবলৈ যথেষ্ট যুক্তি প্ৰদৰ্শন কৰিছিল। সভাত সচিবজনে ভাৰত গৱৰ্ণমেণ্টক 'গিৰমিটীয়া কুলি' প্ৰথা তুলি দিয়া সম্পৰ্কে বিবেচনা কৰি চাবৰ আৱশ্যকতা সম্পৰ্কে লিখিছিল যদিও ১৮৮১,১৮৯৩ আৰু ১৯০১ চনত যি সংশোধন কৰা হৈছিল সি মূল কথাটো অকাই পকাই একেই আছিল। ১৯০১ চনত উক্ত বিল সম্পৰ্কে ইম্পিৰিয়েল লেজিছলেটিভ কাউন্সিলৰ মাৰ্চ মাহৰ অধিবেশনত হোৱা সমালোচনাৰ উত্তৰত কেন্দ্ৰীয় আইন দপ্তৰৰ ভাৰপ্ৰাপ্ত সদস্যজনে স্বীকাৰ কৰি কৈছিল যে—

"The Labour Contract authorised by the Bill is a transaction by which, to put it rather bluntly, a man is often committed to Assam before he knows what he is doing, and is thereupon held to his promise for four years with a

threat of arrest and imprisionment, if he fail to perform it. Conditions like these have no place in ordinary laws of master and servant. We made them part of the law of British India at the instance and for the benefit of planters of Assam."

ওপৰৰ মন্তব্যৰ পৰা অনুমান কৰিব পাৰি যে অকল ভাৰততে নহয় ইংলণ্ডত বৃটিছ মন্ত্ৰীসভা আৰু পাৰ্লিয়ামেন্টতো অসমৰ চাহ খেতিয়কসকলৰ কি প্ৰভাৱ আছিল।

চাৰ হেনৰী কটন ১৮৯৬ চনত অসমৰ চীফ কমিচনাৰ হৈ আছিছিল। তেওঁ এজন উদাৰপন্থী লোক আছিল কিন্তু প্ৰথম অৱস্থাত তেওঁও চাহ খেতিয়কৰ প্ৰভাৱৰ পৰা মুক্ত হব পৰা নাছিল আৰু আন ৰক্ষণশীল চীফ কমিচনাৰৰ দৰে বাগানৰ মেনেজাৰসকলে চুক্তিবদ্ধ বনুৱাসকলৰ ওপৰত কৰা উৎপীড়ন আৰু অবিচাৰ আদিৰ বিষয়ে জানিও চকু-কাণ বন্ধ কৰি আছিল। আনকি বাগানৰ পৰা পলাই যোৱা শ্ৰমিকসকলক ধৰি অনা কাৰ্য্যত সহায় কৰিছিল। গিৰমিটীয়া শ্ৰমিকৰ ঘৰ-দুৱাৰ, চিকিৎসা, মজুৰী আদিত থকা অন্যায়সমূহৰ কথা তেওঁৰ বছেৰেকীয়া ৰিপোৰ্টত ঠাই পোৱা নাছিল।

মিঃ কটনে বাগান পৰিচালনা আৰু বাগানৰ ভিতৰত আৱদ্ধ থকা গিৰমিটীয়া শ্ৰমিকসকলৰ দুখজনক অৱস্থাৰ বিষয়ে অৱগত হয় যেতিয়া ভাৰত গৱৰ্ণমেন্টে দিয়া নিৰ্দেশত বাগানৰ এই চুক্তিবদ্ধ শ্ৰমিকসকলক আইনমতে মজুৰী দিয়াৰ বিষয়টো অনুসন্ধান কৰি ৰিপোৰ্ট প্ৰস্তুত কৰাৰ কাৰণে বাগানবিলাকলৈ যাব লগা হল। তেওঁ বাগানৰ গিৰমিটীয়া শ্ৰমিকসকলৰ দুখজনক কাহিনী, মেনেজাৰসকলৰ আইন অৱজ্ঞা, কামৰ সময় বৃদ্ধি, বিভিন্ন অজুহাতত মজুৰী কৰ্তন, চাউল চুক্তি কৰা দৰত নিদি তাৰ দুগুণ দামত দিয়া আৰু মেনেজাৰসকলৰ জঘন্য কাৰ্য্যৰ বিৱৰণী দি ৰিপোৰ্ট দিয়ে। যাৰ বাবে তেওঁ অসম আৰু ইংলণ্ডৰ চাহ কোম্পানীৰ কৰ্মকৰ্তাসকলৰ বিৰাগভাজন হৈছিল আৰু অৱসৰ গ্ৰহণ কৰিব লগা হৈছিল।

বৃটেইনৰ শ্ৰমিক দলৰ আৰু ভাৰতৰো কংগ্ৰেছ আৰু উদাৰপন্থী সকলৰ হেচাত বৰলাট কাৰ্জন চাহাবে চাহ বাগানৰ শ্ৰমিকসকলৰ

দৰমহা বৃদ্ধি কৰাৰ কাৰণে 'ইম্পেৰিয়েল লেজিছলেটিভ কাউন্সিলত এটা প্ৰস্তাৱ আনে ১৮৯৯ চনত। দৰমহাৰ গাথনি মতে মানুহৰ ৫ টকাৰ পৰা ৬ টকালৈ আৰু মাইকীৰ ৪ টকাৰ পৰা ৫ টকালৈ বৃদ্ধি কৰাৰ এখন বিল উত্থাপন কৰা হয়। এই সামান্য পৰিমিত মজুৰিবৃদ্ধি প্ৰস্তাৱতো বৃটিছ চাহ খেতিয়ক শ্ৰেণীৰ গ্ৰহণযোগ্য নোহোৱা দেখি কাউন্সিলৰ সদস্য কটন চাহাব সচকিত হৈছিল। কটন চাহাবৰ বিৰোধিতা সত্বেও সেই প্ৰস্তাৱিত নিৰিখ কমিটীৰ পৰ্য্যায়তে ক্ৰম অনুযায়ী নিৰিখত সংশোধিত কৰা হ'ল যাতে চুক্তিৰ চাৰি বছৰৰ শেষৰ বছৰতহে এই নিৰিখ পাবগৈ পাৰে। আনকি লৰ্ড কাৰ্জন চাহাবে চাহ খেতিৰ দুৰ্যোগ দৰ্শাই দুবছৰৰ বাবে এই ক্ৰমগতিৰ দৰমহাৰ নিৰিখো স্থগিত ৰাখে।

১৯০১ চনৰ ৮ মাৰ্চ তাৰিখে ইউৰোপীয় ১৫টা ভোট আৰু অন্যান্য চাৰিটা ভোটৰ ব্যৱধানত 'দি আসাম লেবাৰ এণ্ড ইমিগ্ৰেচন' বিলখন (The Assam Labour and Emigration Bill) আইনত পৰিণত হ'ল। বিলৰ বিপক্ষে ভোট দিয়া একমাত্ৰ 'কটনেই' ইউৰোপীয় লোক আছিল। এইজন লোক যদিও এই কাৰণতে কামৰ পৰা অৱসৰ লব লগা হৈছিল, তেওঁ বৃটিছ উদাৰপন্থী লোক হিচাবে চাহ খেতিয়কৰবাজ বিৰুদ্ধে অবিৰত প্ৰচাৰ চলাইছিল।

১৮৫৮ চনৰ পৰা ১৯২০-২১ চনৰ অসহযোগ আন্দোলনৰ সময়লৈকে এই সুদীৰ্ঘ কালছোৱা অসমৰ গিৰমিটীয়া বাগানৰ কুলি সংগ্ৰহ কৰা, অসমলৈ অনা আৰু চাহ বাগানৰ ভিতৰতে ৰখা, আন বাগানৰ শ্ৰমিকৰ লগত যোগাযোগ কৰিবলৈ সুবিধা নিদিয়া আৰু ছৰ্দাৰ, চৌকিদাৰ পহৰাৰ মাজত বাগানতে ৰখা, অতি কঠোৰতাৰ মাজত অধিক সময় খটুওৱা, তিৰোতা গাভৰু ছোৱালীৰ ওপৰত ব্যভিচাৰী আদি নিৰ্মম ব্যৱহাৰ আৰু কটকটীয়া পহৰা ভেদ কৰি পলাই যোৱা কুলি ধৰাই আনি অত্যাচাৰ চলোৱা কাৰ্য্য আফ্ৰিকাৰ নিগ্ৰোসকলক বনৰীয়া জন্তু ধৰাদি ধৰি নি আমেৰিকা যুক্তৰাষ্ট্ৰত দাস হিচাবে খটুওৱাৰ লগত কোনো পাৰ্থক্য নাছিল। আমেৰিকাৰ আইন যিদৰে নিগ্ৰো দাসৰ ক্ষেত্ৰত প্ৰযোজ্য নহৈছিল সেইদৰে ভাৰতৰ আইন বাগানৰ শ্ৰমিকৰ ক্ষেত্ৰত প্ৰয়োগ নহৈছিল কাৰণ নিগ্ৰো

দাসৰ দৰেই বাগানৰ শ্ৰমিকবিলাকো বাগানৰ মেনেজাৰসকলৰ এক-চেতিয়া সম্পত্তিৰ দৰে আছিল।

The Transport of Native Labourers' Act 1863. Inland Emigration Act of 1882. আৰু তাৰ পিছত বিভিন্ন সময়ত কৰা সংশোধনীসমূহ আৰু The Assam Labour and Emgration Act 1901. ইত্যাদি বাগানৰ কাম এৰি পলাই যোৱা বনুৱাক ধৰি পুলিচ থানাত চমজাই দি চুক্তিভঙ্গ অভিযোগৰ কাৰণে কৰ্টত বিচাৰ কৰাৰ যি ব্যৱস্থা আছিল সেই আইনৰ ধাৰা অমান্য কৰি আমেৰিকাৰ নিগ্ৰো দাসৰ দৰে অসমৰ বাগানৰ শ্ৰমিকক ধৰি নি উলঙ্গ কৰি গছত বান্ধি মুৰৰ পৰা ভৰিলৈকে বেতেৰে কোবাই তেজেৰে ৰাঙলী কৰিছিল। সৌকাৰ কোবত বা বুকুত গুৰিওৱাৰ ফলত মৃত্যু হলে পিলাই ফাটি মৃত্যু হোৱা বুলি ৰিপোৰ্ট দি দায়িত্ব পালন কৰিছিল। পলাই যাব খোজা তিৰোতা-গাভৰুক অমানবীয় উৎপীড়ন কৰিছিল। শোষণ হেনৰী কটনৰ ৰিপোৰ্টত বেমাৰী আৰু সন্তান হোৱা তিৰোতাৰ আৰু প্ৰতি যেনে সুবিধা দিব লাগিছিল, শ্ৰমিকক বেমাৰত পৰি থকা শাসন সময়ত যি জীৱন ধাৰণৰ প্ৰয়োজনীয় বানচ দিয়া টকাও আগধন বুলি শ্ৰমিকজনৰ নামত লিখি থোৱা হৈছিল বুলি উল্লেখ কৰিছিল।

শ্ৰমিকসকলে মদ খোৱা, পূজা পাতল, উৎসৱ, বিয়া, কাপোৰ-কানি কিনা ইত্যাদিৰ কাৰণে মেনেজাৰৰ পৰা নহ'লে বাগানৰ দোকানৰ পৰা অধিক সুতত ধাৰ কৰি মূল পৰিশোধ কৰাৰ কথাই নুঠে সময়ত সুত আদায় দিব নোৱাৰাৰ বাবে সুতে মূলে গোট খাই ধাৰৰ বোজা শকত হৈ যায় প্ৰতি বছৰে, ফলত মেনেজাৰ বা দোকানীৰ ক্ৰীতদাস হৈ পৰে পুৰুষানুক্ৰমে।

শ্ৰমিক সংঘবদ্ধতাত অসুবিধা

অসমৰ কৃষকে খাজনা বৃদ্ধি আৰু বস্তুৰ মূল্য বৃদ্ধিৰ বিৰুদ্ধে 'ৰাইজৰ মেল' বহি সংঘবদ্ধভাৱে সংগ্ৰাম কৰাৰ দৰে বাগানৰ গিৰমিটীয়া শ্ৰমিক-সকলে সংঘবদ্ধ হৈ থিয় দিব পৰাটো কুৰি শতিকাৰ মাজভাগলৈকে

সন্তুৰূপৰ নাছিল। কাৰণ, প্ৰতি বাগানৰ শ্ৰমিকসকলক লাইন কৰি বেলেগে বেলেগে থাকিবলৈ দিয়া হৈছিল। এই শ্ৰমিকসকলৰ ভাষা, সামাজিক আচাৰ বিচাৰ, নিয়ম-পদ্ধতি বেলেগ আছিল। একেখন বাগানতে থকা শ্ৰমিকৰ ভাষাৰ পাৰ্থক্যৰ কাৰণে ভাবৰ আদান-প্ৰদান হোৱাত বাধা হৈছিল। তাৰ উপৰিও নিজ নিজ লাইনৰ চৰ্দাৰ চকিদাৰ সকলৰ বাধা আছিল। বাগানৰ মেনেজাৰ সকলেই বাগানৰ শান্তি-শৃংখলা ৰক্ষক। শ্ৰমিকসকলৰ বাবে থকা আইন বলবৎ কৰাৰ উপৰিও নিজা আইনেৰে দাস শ্ৰমিকসকলক শাস্তিমূলক ব্যৱস্থাৰে দমন কৰিছিল।

চাৰ বেমফিল্ড ফুলাৰ (১৯০২-৪) এজন কূটনৈতিক আৰু ৰক্ষণশীল চীফ কমিচনাৰ। তেওঁৰ ৰিপোৰ্টত লিখিছিল যে এজন এছিষ্টেণ্ট মেনেজাৰে এজন শ্ৰমিকক বান্ধি লৈ চামৰা লগোৱা চৌকাৰে কোবোৱাৰ ফলত মৃত্যু হয়। বিচাৰত আচামীৰ ১৮ মাহ বিনাশ্ৰম কাৰাদণ্ড হয়। কিন্তু ইউৰোপীয়ানসকলে ইয়াৰ বিৰুদ্ধে আন্দোলন কৰাত কলিকতা হাইকোৰ্টে আচামীক খালাচ দিয়ে। এজনী তিৰোতা শ্ৰমিকক উলঙ্গ কৰি অমানুষিক অত্যাচাৰ কৰা দোষীজনক শাস্তিৰ পৰা অব্যাহতি দিয়া হৈছিল এই যুক্তিত যে তেওঁ ইউৰোপীয়ান মেনেজাৰৰ নিৰ্দেশ মানি তিৰোতাজনীৰ ওপৰত অত্যাচাৰ কৰিছিল।

আই. টি. এৰ জন্ম

চাহ বাগানৰ মালিকসকলে তেওঁলোকৰ সমূহীয়া স্বাৰ্থ সংৰক্ষণৰ অৰ্থে ১৮৮১ চনত ভাৰতীয় চাহ সস্থা (I.T.A.) নাম দি এটা শক্তিশালী অনুষ্ঠান সংগঠন কৰে।

অসমৰ কৃষক, চাহশ্ৰমিক আৰু এখন সংগ্ৰাম

আগতে উল্লেখ কৰি অহা হৈছে যে স্বৰ্গদেউসকলৰ ৰাজত্বৰ সময়ত বিদেশী লোকক অসমত সোমাবলৈ দিয়া হোৱা নাছিল। ইংৰাজ বগা বণ্ডাম বেপাৰী আৰু আন ৰাজ্যৰ বেপাৰীসকলে অসমৰ মুদৈ আৰু চাউদসকলৰ লগত বস্তুৰ কিনা-বেচা হৈছিল অসমৰ সীমাতহে। কিন্তু ইংৰাজে অসমলৈ লগত লৈ আহিল বাবু, কেৰাণী, চিপাহী আৰু মাৰোৱাৰী আদি দোকানী বেপাৰী ধন ধাৰে দিয়া মহাজন। লগত অহা এইসকলে

ইংৰাজ প্ৰভুক শাসন-শোষণত সহায় কৰি নিজেও লগতে শকত হোৱা। ইংৰাজে যেনেকৈ অসমক কেন্দ্ৰ কৰি অসমৰ দুখীয়া লোকৰ ওপৰত অত্যাচাৰ চলাই আদায় কৰা খাজনাৰ টকাৰে যুদ্ধ সংঘৰ্ষৰ মাজেৰে পাহাৰী ৰাজ্যবিলাক জয় কৰি ৰাজ্য বিস্তাৰ কৰিলে সেইদৰেই ব্যৱসায়ী, দোকানী, মহাজনে, কানি মদ মহলদাৰে থলুৱা জনসাধাৰণ আৰু শ্ৰমিক-সকলক শোষণ কৰা ধনেৰেই গোটেই অসমৰ গাওঁ আৰু বাগানবিলাকত শোষণৰ জাল অধিক বিস্তাৰিতভাৱে পেলালে। এই অৰ্থনৈতিক শোষণে থলুৱালোক জনজাতি আৰু শ্ৰমিকসকলক দাসত্বৰ শিকলিৰে বান্ধি পেলালে আৰু সি চলিল পুৰুষানুক্ৰমে।

শোষণ চলোৱাৰ এটা পথ হ'ল অসমৰ যাতায়াতী ব্যৱস্থা আৰু প্ৰতিবছৰেই হোৱা বানপানী। বানপানীৰ ফলত যাতায়াত বন্ধ হলে অত্যাৱশ্যকীয় সামগ্ৰী চাউল-দাইল, নিমখ, কেৰাচিন তেল আদি খাদ্য সামগ্ৰী অন্তৰ্ধান কৰি বস্তুৰ দাম বঢ়াই বিক্ৰী কৰা হয়। বেপাৰীসকলৰ এই শোষণ বংশানুক্ৰমে চলি আহিছে অসমৰ জনসাধাৰণৰ ওপৰত। সাধাৰণ গাঁৱে গাঁৱে ধান মাহ সংগ্ৰহ কৰি ফুৰা আৰু মিঠাতেল, কেৰা-চিন তেল বেচা একোটাহঁত বেপাৰী ডাঙৰ ডাঙৰ মহাজন হল আৰু খেতিয়ক শ্ৰমিকসকল হৈ পৰিল বাটৰ ভিকহু যাৰ মাটিবাৰী ধাৰৰ বিনিময়ত মহাজন শ্ৰেণীৰ হাতলৈ গ'ল।

চাহ বাগানৰ শ্ৰমিকে এনে অৰ্থনৈতিক শোষণত অতীষ্ঠ হৈ মাজে মাজে তাৰ বিৰুদ্ধে থিয় দি উঠিছিল—দোকান-হাট লুট কৰিবলৈ বাধ্য হৈ পৰিছিল। বাগানত হোৱা ধৰ্মঘট বা সংঘৰ্ষৰ শতকৰা ৫০টা আছিল মজুৰী বৃদ্ধিৰ দাবী বা বাগানৰ মেনেজাৰৰ অত্যাচাৰৰ বিৰুদ্ধে আৰু বাকী ৫০ ভাগ আছিল অত্যাৱশ্যকীয় বস্তুৰ কৃত্ৰিম অনাটন সৃষ্টি কৰি অতিমাত্ৰা দাম বঢ়োৱা বেপাৰীৰ বিৰুদ্ধে।

কৃষক ৰাইজৰ সংগ্ৰামৰো একেই ধাৰা আছিল। প্ৰতিটো কৃষক বিদ্ৰোহৰ মূলতে খাজনা বৃদ্ধি, আনটো বেপাৰীয়ে বিভিন্ন সমস্যাৰ সুযোগ গ্ৰহণ কৰি বস্তু লুকুৱাই সৃষ্টি কৰা অনাটন আৰু অতিমাত্ৰা দাম বৃদ্ধি।

১৮৯৬ চনত অসমত বিশেষকৈ নগাওঁ জিলাত বতৰৰ কাৰণে ধান খেতি নষ্ট হোৱাত গোটেই নগাওঁ জিলা আৰু অসমৰ কিছু অঞ্চলত

ভয়ানক দুৰ্ভিক্ষই দেখা দিয়ে। দুৰ্ভিক্ষৰ গৰাহত পৰি বহুতো লোক মৃত্যুৰ মুখত পৰে। বেপাৰী শ্ৰেণীয়ে এই দুৰ্যোগৰ সুযোগ গ্ৰহণ কৰি নিমখ, তেল, ধান, চাউলৰ চোৰাং বজাৰ খুলি চাৰি পাঁচ গুণ দাম বঢ়াই দিলে। চৰকাৰে সচৰাচৰ বেপাৰীসকলৰ বিৰুদ্ধে যেনে কঠোৰতা অৱলম্বন কৰিব লাগিছিল, তাকে নকৰি নিষ্ক্ৰিয়তা দেখুৱাত ৰাইজ অতীষ্ঠ হৈ পৰে। চকুৰ আগত নিজৰ লৰা-ছোৱালী অনাহাৰত মৃত্যু হোৱা চাই থাকিব নোৱাৰি জনতাই চৰকাৰ আৰু বেপাৰীৰ বিৰুদ্ধে থিয় দিলে আৰু দোকান পোহাৰ লুটপাত, গুদামত অগ্নিসংযোগ কাৰ্য্য কৰিবলৈ ধৰে। অৱস্থা পুলিচৰ আয়ত্তৰ বাহিৰলৈ যোৱাত ১৮৯৬ চনৰ অক্টোবৰ মাহৰ ১৯ তাৰিখে মিলিটেৰীৰ সহায় আহ্বান কৰিব লগা হয়। সৈন্য বাহিনীৰ লোকে লাঠি চালনা আৰু গুলিবৰ্ষণ কৰাত ৰাইজ শান্ত হৈ পৰে। তাৰ পিছৰ বছৰ আহিল ১৮৯৭ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্প যাৰ ফলত অনেক লোকৰ মৃত্যু হয় আৰু অসমৰ বহুতো পৰিবৰ্তন হ'ল।

বৃটিছ অহা দিন ধৰি অসমত বেপাৰ বাণিজ্য কৰিবলৈ আৰু বৰ্ত্তমানো কৰি থকা এচাম বনিয়াৰ এনে দুষ্কাৰ্য্যৰ দ্বাৰা অসমৰ কৃষক শ্ৰমিককে বছৰৰ পাছত বছৰ ধৰি শোষণ কৰি আহিছে।

কেইবছৰ মান বাদ দি ১৮৪০ চনৰ পৰা বৰ্ত্তমানলৈকে অন্যায় আৰু শোষণৰ দ্বাৰা অৰ্থাৎ কৃত্ৰিম অনাটন সৃষ্টি কৰি দাম বৃদ্ধি ভেজাল বস্তু বিক্ৰীৰ দ্বাৰা গড় হিচাপত বছৰে কমেও এক কোটিৰ অধিক টকাকৈ মুনাফা আদায় কৰি আহিছে অসমৰ এচাম বেপাৰী শ্ৰেণীয়ে। যাৰ ফলত ৰাজ্যৰ খেতিয়ক, বনুৱা শ্ৰেণীৰ শতকৰা ৭৫ ভাগৰেই জীৱিকা নিৰ্বাহৰ নিম্নতম মানদণ্ডৰ পৰা তললৈ নামি গ'ল। যাৰ অলপ মাটি আছিল সি হ'ল মাটিহীন কৃষি শ্ৰমিক আৰু মাটি যাৰ নাছিল সি হ'ল দিন ভিক্ষাৰী।

১৯৪৭ চনত দেশ স্বাধীন হ'ল। দেশত দেখা দিলে খাদ্য অনাটনে তাতে আকৌ আহিল লাখ লাখ ভগনীয়া। ধূৰ্ত্ত শ্ৰেণীৰ বনিয়াৰ নতুন সুযোগ ওলাল টকা ঘটাৰ। ধান চাউল, কেৰাচিন তেল, নিমখ আদি আৱশ্যকীয় খাদ্য সামগ্ৰী অনাটনৰ সুযোগ লৈ দ্বিতীয় মহাসমৰৰ দিন

ধৰি চোৰাং ব্যৱসায়ী সকলেই পুনৰ এনে অনাটনৰ সুযোগ লৈ লাখপতি চাহ বাগানৰ বৃহৎ শিল্প আদিৰ মালিক হ'ল—কৃষক মজদুৰৰ শোষণৰ ধনেৰে অসমত।

চাহ বাগানৰ মেনেজাৰসকল (১৮৩৬—১৯৪৭)

অসমৰ চাহ বাগানৰ মেনেজাৰসকলৰ কেনে প্ৰতাপ আছিল আৰু একচ্ছত্ৰী শাসন চলাইছিল, এই সম্বন্ধে চীফ কমিচনাৰ হেনৰী কটন, স্বৰ্গীয় নবীন চন্দ্ৰ বৰদলৈ প্ৰভৃতি কেইজনমান লোকৰ কেইটামান মন্তব্য তলত দিয়া হ'ল—

1. The Law Member in course of the debate on the Bill. Inland Emigration Bill 1882, in the Imperial Legislative Council in March 1901 said

   " The labour contract authorised by the Bill is a transaction by which, to put it rather bluntly a man is often committed to Assam before he knows what is doing, and is thereupon held to his promise for four years, with a threat of arrest and imprisonment, if he fails to perform it. Conditions like these have on place in the ordinary law of master and servant. We made them part of the law of British India at the instance and for the benefit of the Plantors of Assam."

   Regarding various forms of semi-feudal exploitation prevalent on the Tea Garden Labourers Cotton wrote—

   " I know of cases in which the coolies in the fourth year of their agreement were not paid the higher rate of salary to which they were entitled. In other cases, rice was not provided at the statutory price and the subsistence allowance prescribed by law was not paid to sick coolies or pregnant women. Advances were often illegally debited against coolies on account of subsistence allowance or sick diet, as well as on account of rewards paid for the arrest of deserters, and labourers were thus bound hand and foot to the garden service. In some instances only a few annas (or pence) found their way into the hands of a coolies as wages in course of the whole year."

শ্ৰমিকসকলৰ কোনো ঠাইলৈ অহা-যোৱা কৰাৰ অধিকাৰ নাছিল। ওচৰৰ গাওঁ বা চাহ বাগানলৈ যোৱাটোও নিষেধ আছিল। আনকি এজন শ্ৰমিকৰ ছোৱালী আন এখন বাগানৰ লৰালৈ বিয়া দিবলৈও বাগানৰ মেনেজাৰৰ অনুমতি লোৱাৰ প্ৰয়োজন হৈছিল কাৰণ এনে বিয়াৰ দ্বাৰা মেনেজাৰৰ শ্ৰমিকৰ সংখ্যা হানি হোৱাত সহায় কৰিব। বহুত বাগানত শ্ৰমিকসকলক দিনে ৰাতিয়ে পহৰাৰ ভিতৰত ৰখা হৈছিল। হেনৰী কটন চাহেবে আৰু লেখিছিল—

> " I came across notices posted at river ferries and Railway stations describing runaway coolies and offering rewards for their apprehension."

চাহ বাগানৰ শ্ৰমিকসকল আছিল অশিক্ষিত, ভোদা সংগঠনহীন লোক যিসকল নিজ ঘৰৰ পৰা আঁতৰি থাকি দুৰ্বল আৰু নিশকতীয়া আছিল। কিন্তু তথাপি কিছুমান চাহবাগানৰ মেনেজাৰৰ অত্যাচাৰৰ প্ৰতিবাদ হিচাবে ঘেৰাও আদি নকৰা নহয়। এই বিষয়ত ১৮৯৯ চনত দিয়া এটা ৰিপোৰ্টত কটনে লিখিছিল—

> " There is a growing tendency in the coolies class to resent a blow by striking a blow in return and this soon leads to serious results, as the coolies act in combination among themselves and armed with formidable weapons the implements of their industry ; but this very tendency excercise a healty influence in restraining the hot headed and impetus European assistant from raising his hand against them."

চীফ কমিচনাৰ কটনে শ্ৰমিকসকলৰ হিতৰ কাৰণে অনেক চেষ্টা কৰিছিল বুলি শ্ৰমিকসকলে গম পাইছিল আৰু সেয়েহে তেওঁ এবাৰ কাছাৰ জিলাৰ ফেচুগঞ্জৰ পৰা ছিলচৰলৈ যাওঁতে এই ১৫ মাইল বাটত শ্ৰমিকসকলে হাতত লেম্প চাকি ধৰি শাৰি পাতি আছিল আৰু 'কটন চাহাবকা জয়' ধ্বনি দিছিল।

অসমত ইংৰাজ কোম্পানীবিলাকে চাহ বাগান খোলা আৰম্ভণি কৰাৰ কেইবছৰমান পাছৰ পৰাই ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা আকাল, প্ৰপীড়িত, অৰ্দ্ধাহাৰী হাজাৰ হাজাৰ মতা-তিৰোতা, লৰা-ছোৱালী বিভিন্ন

প্ৰলোভন আৰু ষড়যন্ত্ৰ কৰি ঠিকাদাৰৰ দ্বাৰা প্ৰতিবছৰেই আনিব লাগিছে। এইটো নিশ্চিত যে, খ্ৰিবিলাকে চাহ বাগিছাৰ প্ৰভুসকলৰ হাতৰ পৰা মুকলি হৈ অসমীয়া মানুহৰ সংস্পৰ্শলৈ আহিব পাৰিছে, বেছি উপাৰ্জন কৰিব পাৰিছে, তেওঁলোকৰ বহুতেই ধৰ্মগুৰু সকলৰ শিষ্য হব ধৰিছে আৰু মদ খোৱা এৰি ভালকৈ থাকিব ধৰিছে। কিন্তু এইটো যেন কোনেও ধৰি নলয় যে চাহ বাগিছাত কাম কৰি তেওঁলোকৰ এই উন্নতি সম্ভৱপৰ হৈছে। বাগিছা এৰি আহোতে কৰবলৈ গলে তেওঁলোকে ধন আৰু নৈতিক বল লৈ নাহে। বাগিছাৰ পৰা ওলাই আহি স্বাধীনতাৰ মুকলি বতাহৰ সোৱাদ লৈ সস্তাত মাটি পাই আৰু স্থানীয় মানুহৰ সৈতে লগ লাগি থাকি তেওঁলোকৰ অৱস্থা ভাল হবলৈ ধৰিছে। এনেদৰে বসতি কৰি থকা মানুহৰ সংখ্যা বৰ বেছি নহয়। চাহ বাগিছাত কাম কৰা বনুৱাৰ সংখ্যা ১০ লাখ হব। অধিক সংখ্যক চাহ বাগিছাই ইংৰাজৰ হাতত আৰু এই য়ুৰোপীয় মেনেজাৰসকলেই চলায়। উচ্চ সভ্যতা পোৱা প্ৰভুসকলে এই চাহ বাগিচাৰ বনুৱাবিলাকৰ মানসিক, নৈতিক আৰু আৰ্থিক উন্নতিৰ বাবে কি কৰিছে, সেইটো মন কৰিবলগীয়া। এইবিলাকৰ বেছিভাগ মানুহেই উৰিষ্যা, চাওঁতাল পৰগণা আৰু ছোট-নাগপুৰ, বিহাৰ, যুক্তপ্ৰদেশ আৰু অন্ধ্ৰ প্ৰদেশৰ পৰা আহিছে। এইবিলাক মানুহক সৰহকৈ উপাৰ্জন কৰিব পাৰিব আৰু সুখত থাকিব পাৰিব বুলি আশা দেখুৱাই অসমলৈ অনা হয়। আহোতে বেচেৰাইতে অন্তৰত এটা উদ্যম লৈ আহে। বাটত আহোতে পিন্ধিবলৈ কাপোৰ আৰু খাবলৈ ভাত দিয়া হয়। জাহাজত গান গাই সিহঁতে ৰং-ধেমালি কৰি আহে। মুখত আনন্দৰ জেউতি চৰে। চাহ বাগিছাত সোমোৱাৰ লগে লগে তেওঁলোকৰ দুৰ্গতি আৰম্ভ হয়।"

"চাহ বাগিছা এখন সৰু চহৰৰ নিচিনা। বেৰেকৰ দৰে ঘৰৰ শাৰীত কুলী থাকিব লাগে। মেনেজাৰ সকলৰ প্ৰকাণ্ড বঙলা আৰু সহকাৰী কাৰ্য্যকাৰক সকলৰ ভাল ভাল ঘৰ তাত দেখিবলৈ পোৱা যায়। কোনো মানুহেই আনকি পুলিচেও মেনেজাৰৰ বিনা অনুমতিত এই ৰাজ্যত সোমাব নোৱাৰে। মেনেজাৰে ইচ্ছা কৰিলে এই ৰাজ্যৰ ভিতৰত কুলীক মাৰি পেলাবও পাৰে। অভদ্ৰ ব্যৱহাৰও কৰিব পাৰে। আনকি তেওঁৰ ইচ্ছা হলে শয়ে শয়ে কুলীৰ ছোৱালীক 'মাইকী' কৰি ৰাখিব পাৰে।

তথাপিও তেওঁৰ এই কাৰ্য্যত বাধা দিবলৈ, নাইবা কোনো প্ৰশ্ন সুধিবলৈ কাৰো সাধ্য নাই। ইয়াৰ বাহিৰেও মেনেজাৰসকলৰ কদৰ্য্য আচৰণত সিহঁতৰ দুৰ্গতিৰ সীমা নোহোৱা হয়। যদি বৃটিছলৈ ভয় আৰু তেওঁ-লোকৰ বন্দুক, পিস্তল আদিলৈ মানুহৰ ভয় নেথাকিলহেঁতেন আৰু জিলাৰ বিচাৰক আৰু পুলিচবিলাক এই মেনেজাৰ সকলৰ হুকুমৰ দাস মাথোন বুলি মানুহৰ ধাৰণা নাথাকিলহেঁতেন, তেন্তে এইবিলাক সৰুসুৰা ৰাজ্যত মাৰপিট এটা দৈনন্দিন ঘটনা হলহেঁতেন। এই মানুহবিলাকে দেশত খাবলৈ নাপাই অনাই বনাই থাকি চাহ বাগিছালৈ আহি থাকিবলৈ ঘৰ পায়, খাবলৈ ভাত পায়, আৰু ইহঁতক ইয়াত বিশেষ যত্ন লোৱা হয় বুলি কোৱা শুনা যায়। থাকিবলৈ যেনেকুৱা ভাল ঘৰ দিয়া হয় তালৈ মন কৰিলে সকলো বুজিব পাৰি। গৰমকালি একোটা সৰু ঘৰত ইমানবিলাক কুলী থাকিবলৈ দিয়া হয় যে সিহঁত একুৰা জুইত সিজাৰ নিচিনা হয়। ডাক্তৰী সাহায্য যি দিয়া হয় সি কেৱল বাগিছাৰ গৰাকীসকলৰ সুবিধাৰ নিমিত্তেহে। এনে ভাবে তদাৰক লোৱা হয়, যাতে কুলীবিলাকে নমৰি কোনোমতে জীয়াই থাকে। পোন্ধৰ বৰ্গফিট আয়তনৰ ঘৰ এটাত একোটা পৰিয়ালক থাকিবলৈ দিয়া হয়। এইবিলাক কথা বাহিৰৰ পৰা অনুমান কৰিলেহে দেখা যায়। এতিয়া ভিতৰুৱা ভাবে এওঁ-লোকৰ আৰ্থিক নৈতিক আৰু মানসিক উন্নতিৰ বিষয়ে চৰকাৰী ৰিপোৰ্ট বিলাকৰ পৰা অলপ উনুকিয়াই চোৱা যাওক।

১৯১৭-১৮ চনৰ শেহত কুলীৰ সংখ্যা ৯৪০,৩৬৮ আছিল আৰু মুনিহৰ এশজনত এক্টমতে ভৰ্তি হোৱা তিৰোতাৰ সংখ্যা ৪১-৬২ আৰু এই মতে ভৰ্তি নোহোৱা তিৰোতাৰ সংখ্যা ৪৮·৫০ আছিল। গড় হিচাপে প্ৰত্যেক মতা কুলীৰ মাহিলী দৰমহা ৮/৬ পাই অৰ্থাৎ বৰ্ত্তমান হাৰে ১৬ শ্বিলিং আৰু মাইকী কুলীৰ ৭।। /৬ পাই অৰ্থাৎ ১৫ শ্বিলিং আছিল। ইং ১৯১৭-১৮ চনত মুঠ মৃত্যু সংখ্যা ২১৯৬১ আৰু আগৰ বছৰত ২৪৮৯০ দেখা গৈছিল।

দোষ আৰু বিচাৰৰ হিচাপত ৬ দফা দেখা যায়। মেনেজাৰ সকলক আক্ৰমণ কৰাৰ বাবে কুলীবিলাকক দোষী সাব্যস্ত কৰা হৈছিল। ১৭২ জন বাগিচা এৰি পলৰীয়া। এইবিলাকৰ ভিতৰত ৪৭ জনৰ

গ্রেপ্তাৰৰ বিৰুদ্ধে ৱাৰেন্ট বাহিৰ হৈছিল আৰু ২৬ জনক ফাটেক দিয়া হৈছিল।

বনুৱাবিলাকৰ প্রায় ২০০,০০০ লৰা-ছোৱালীৰ শিক্ষা সম্পর্কে অসমৰ ডি, পি আই বাহাদুৰে ১৯১৭-২৮ চনৰ ৰিপোর্টত এই মর্মে লিখি গৈছে।

"শিক্ষা চাহ বাগিছাবোৰত লাহে লাহে পাছ হুহকি গৈছে। পোনতে ১৪৯ খন স্কুল আছিল আৰু ছাত্রৰ সংখ্যা ৩৬১৫ আছিল। কিন্তু স্কুলৰ সংখ্যা ১৪২ খনলৈ কমি আহে আৰু ছাত্রৰ সংখ্যাও কমি গৈ ২৮৮৮ত পৰে।

০ ০ ০

কর্মবীৰ নবীন চন্দ্র বৰদলৈদেৱে বনুৱা দলে আয়োজন কৰা সভাত দিয়া বক্তৃতাত অসমৰ চাহ শ্রমিক সকলৰ দুর্দশাৰ কাহিনীও কৈছিল।

এজন প্রশাসক হিচাবে স্মৃতি ৰোমন্থন কৰি অসমৰ চীফ কমিচনাৰ আৰু পিছলৈ ইষ্ট বেঙ্গল আৰু অসমৰ লেফটেনেন্ট গৱর্ণৰ হিচাবে থকা (১৯০২-০৬) মিঃ ফুল্লাৰে লিখিছিল—

"There was bound to be some revolt, and on badly managed gardens riots were not very infrequent. They sometimes ended in the burning of manager's bungalow"

কর্মবীৰ নবীন চন্দ্র বৰদলৈ ১৯১৯ চনত বিলাতলৈ যাওঁতে ইণ্ডিয়া নামে এখন বাতৰি কাকতত অসমৰ চাহ বাগানৰ শ্রমিকৰ বিষয়ে এটা দীঘলীয়া প্রবন্ধ লিখিছিল আৰু তাত চাহ বাগান আৰু শ্রমিক সকলৰ সম্পর্কত ভালেমান কথা প্রকাশ পাইছিল।

মেনেজাৰসকলৰ ৰাজত্ব

১৮৩৯-১৯৪৭ এই সুদীর্ঘ এশ বছৰতকৈ অধিক কাল অসমত ৰাজত্ব কৰিছিল প্রকৃততে চাহ বাগানৰ মালিকসকলে। তেওঁলোকৰ নির্দেশত বিভিন্ন শ্রমিক স্বার্থবিৰোধী আইন প্রণয়ন আৰু শাসনৰ নীতি নির্দ্ধাৰণ কৰা হৈছিল। অসম কোম্পানীৰ কর্তাজন অসমৰ চীফ কমিচনাৰ পিচত গৱর্ণৰৰ সমপর্য্যায়ৰ আছিল। বাগানৰ কর্তাসকলৰ দৰমহা আৰু অন্যান্য সুবিধা বেছিহে আছিল। কোম্পানীৰ জেনেৰেল মেনেজাৰৰ

নির্দেশত চীফ কমিচনাৰ, ডেপুটি কমিচনাৰ, মহকুমাধিপতিসকল চলিব লাগিছিল। কোম্পানীৰ প্ৰভাৱ গৱৰ্ণৰ জেনেৰেল আৰু তেওঁৰ একজি-কিউটিভ কাউন্সিলৰ সদস্যসকলৰ ওপৰত পৰিছিল। চাহ কোম্পানীৰ কৰ্মকৰ্তাসকলৰ বিৰাগভাজন হোৱা কাৰণে এসময়ৰ চীফ কমিচনাৰ চাহাবে পদত্যাগ কৰিবলৈ বাধ্য হৈছিল।

চাহ প্ৰধান জিলা কেইখনত লোকেল বোৰ্ড, মিউনিচিপেল বোৰ্ডত চাহ বাগানৰ মেনেজাৰসকলেই প্ৰভুত্ব বিস্তাৰ কৰিছিল। ৰাইজৰ প্ৰতি-নিধিৰ সংখ্যাগৰিষ্ঠতা থকা সত্ত্বেও কংগ্ৰেছে তেজপুৰ আদিত (১৯৩০) কংগ্ৰেছৰ চেয়াৰমেন পাতিব পৰা নাছিল, চাহ খেতিয়ক সদস্যৰ বিৰো-ধিতাৰ কাৰণে।

শাসন সংস্কাৰ দিন ধৰি অসম কাউন্সিল পিছত আনকি মন্ত্ৰীসভা গঠনতো বাগানৰ ফালৰ পৰা যোৱা সদস্যসকলে যথেষ্ট প্ৰভাৱান্বিত কৰিছিল। মহম্মদ ছাদুল্লাই অসমত ১৯২০ চনৰ পৰা আৰম্ভ কৰি যি প্ৰভাৱ খটুৱাইছিল আৰু অসমৰ থলুৱালোকৰ স্বাৰ্থবিৰোধী নীতি লৈছিল সেই প্ৰভাৱৰ গুৰিতে আছিল অসমৰ চাহ খেতিয়কৰ সদস্যসকল।

১৯২১ চনত গান্ধীজীয়ে অসম ভ্ৰমণৰ পৰা ঘূৰি গৈ অসম সম্পৰ্কে কেইবাটাও প্ৰবন্ধ 'ইয়ং ইণ্ডিয়াত' লিখিছিল। এটা প্ৰবন্ধৰ পৰা তলৰ কথাখিনি তুলি দিয়া হৈছে। ইয়াৰ পৰাই চাহ খেতিয়কৰ ৰাজত্ব সম্পৰ্কে গান্ধীজীৰ ধাৰণা তথা চাহ খেতিয়কৰ ওপৰত কিমান গুৰুত্ব দিয়া হৈছিল বুজা যায়।

'তেজপুৰ নগৰৰ লোকসংখ্যা ৬০০০ মাত্ৰ। ইমান কম লোক থকাতো ইয়াত এখন মিউনিচিপেলিটি আছে। ইয়াত ৰেলৰ লাইন, বিজুলী, টেপৰ পানীৰ ব্যৱস্থা আছে। ইয়াত এইবিলাক কেনেকৈ হ'ল? এই প্ৰশ্নৰ উত্তৰ বাগানৰ পৰা চাহ আনিবলৈ ৰেলৰ লাইন বহুৱাইছে। ইয়াৰ জাহাজঘাটৰ পৰা বাহিৰলৈ চাহ পঠোৱা হয়। সঁচাকৈয়ে ইয়াৰ মানুহে ভাবে যে চাহ খেতিয়কেই ইয়াত ৰাজত্ব কৰে। অৱশ্যে বৃটিছ গৱৰ্ণমেণ্ট আছে, কিন্তু আচল শক্তি চাহ খেতিয়কৰ।'

গান্ধীজীয়ে আৰু লিখিছিল "গুৱাহাটী অসমৰ প্ৰধান চহৰ কিন্তু ই ৰাজধানী নহয়। শ্বিলং হে ৰাজধানী। ই চাৰি হেজাৰ ফুট ওখত অৱস্থিত।

"এইখন হেনো ইউৰোপীয়ানসকলৰ কেন্দ্ৰ। যিহেতু ইউৰোপীয়ান লোকসকলে শ্বিলঙৰ হাৱাপানীৰ বাবে গোটেই বছৰ থাকিব পাৰে, শ্বিলঙত অসমৰ ৰাজধানী পতা হ'ল। পথাৰত কাম কৰা শ্ৰমিকৰ ৰোদনে সেই উচ্চতা চুকি পায়নে? সকলো বিষয়তে জোৰ যাৰ মুলুক তাৰ। চাহ খেতিয়ক শ্বিলঙত থাকিব পাৰে আৰু যেতিয়াই ইচ্ছা তাত গৈ থাকিব পাৰে। তেওঁৰ কোনো শ্ৰমিক তালৈ যাবলৈ সাহস কৰিবনে? আনকি দুখীয়া মানুহৰ আবেদনে শ্বিলং চুকি পোৱাৰ আগতে সেই আবেদন চুৰমাৰ হব।"

অসমৰ গৱৰ্ণমেন্টৰ ৰাজহ বছৰি তিনি কোটি টকামান আছিল। (১৯২০-৩০ চনত) তিনিকোটি টকাৰ পৰা অসমৰ আলি পদুলি, গড়-কাপ্টানি বিভাগৰ ঘৰ দুৱাৰ বন্ধা, মেৰামতি কৰাৰ কাৰণে যিমান লাখ টকা বছৰি ধৰা হৈছিল তাৰ অলপ কম বেছি শ্বিলঙৰ আলি, ঘৰ-দুৱাৰ, হস্পিতেল আদিৰ কাৰণে বছৰি খৰছ কৰা হৈছিল।

চতুৰ্থ অধ্যায়

বনুৱাৰ দৃষ্টিত গান্ধীজী

অসমৰ কৃষক মজদুৰ সমাজলৈ গান্ধীজীৰ বাণী বতাহে কঢ়িয়াই অনাদি আনিলে। অসমৰ নেতাসকলে অসহযোগ আন্দোলনৰ কাৰণে প্ৰস্তুত হোৱাৰ প্ৰাৰম্ভিক কাম হাতত লোৱাৰ আগতেই অসমত সিচঁৰিত হৈ থকা বাগানৰ শ্ৰমিক, বস্তিৰ বনুৱা গাঁৱৰ ৰাইজলৈ মহাত্মা গান্ধীৰ কাহিনী বতাহে কঢ়িয়াই অনাদি আনিছিল। মানুহৰ মাজত এনে বিশ্বাস দৃঢ়ভাৱে গঢ়ি উঠিছিল যে দুখীয়া কৃষক মজদুৰৰ দুখকষ্ট নিবাৰণ কৰিবলৈ গান্ধীজী ঈশ্বৰৰ অৱতাৰ হিচাবে জন্ম লৈছে।

প্ৰায় কুৰি বছৰ কাল অশেষ দুখ-কষ্ট ভোগ কৰি নিজৰ জীৱন বিপন্ন কৰি, দক্ষিণ আফ্ৰিকাত ভাৰতীয় মানুহৰ আত্মসন্মান প্ৰতিষ্ঠা কৰি, ১৯১৫ চনত গান্ধীজী ভাৰতলৈ ঘূৰি আহিল। দক্ষিণ আফ্ৰিকাত থকা সময়ত তাত থকা ভাৰতীয়সকলৰ প্ৰতি কৰা অন্যায়, অবিচাৰ আৰু অসৎ বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে যুঁজি তাৰ যথাযথ প্ৰতিকাৰ কৰোতে তেওঁ আত্মনিয়োগ কৰিব লগাত পৰিছিল। আফ্ৰিকাৰ ফিনিক্স আশ্ৰমৰ পৰা যিসকল কৰ্মী তেখেতৰ লগত আহিবলৈ ইচ্ছা কৰিছিল সেইসকলক লৈ ভাৰততো আশ্ৰম পতাৰ সুবিধাজনক ঠাই বিচাৰিবলৈ ধৰিলে। মহামতি গোপাল কৃষ্ণ গোখলে গান্ধীজীৰ ৰাজনৈতিক গুৰু আছিল। তেখেতৰ চাৰভেণ্টচ্ অৱ ইণ্ডিয়া (Servants of India) নামৰ এটা ডাঙৰ অনুষ্ঠান আছিল। গান্ধীজী প্ৰথমে তাৰ সভ্য হব খুজিছিল যদিও, পিচত তেওঁ সেই সমিতিৰ সভ্য হব খোজা আবেদন পত্ৰ তুলি ললে। গোখলেই তেওঁক ভাৰতবৰ্ষত

গান্ধীবাবাৰ কাহিনী

এবছৰ ভ্ৰমণ কৰিবলৈ পৰামৰ্শ দিলে। গোখলেৰ পৰামৰ্শমতে গান্ধীজীয়ে অধ্যয়ন আৰু আশ্ৰম পতা ঠাইৰ অন্বেষণৰ কাৰণে ভাৰতৰ বিভিন্ন ঠাইত অভিযান আৰম্ভ কৰিলে। গান্ধীজীয়ে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ শান্তিনিকেতনতো কিছুদিন আছিল। তাৰ পিচত স্বামী শ্ৰদ্ধানন্দজীয়ে স্থাপন কৰা গুৰুকুল আশ্ৰমলৈ যায়। তাতে তেওঁক 'মহাত্মা' উপাধি প্ৰদান কৰা হৈছিল। ইয়াৰ পিচত হৰিদ্বাৰৰ কুম্ভমেলাত যাত্ৰীসকলৰ সেৱাৰ কামত তেওঁ আত্মনিয়োগ কৰে। গান্ধীজীয়ে এইদৰে ভাৰতৰ বিভিন্ন ঠাইত আশ্ৰম, সেৱাকেন্দ্ৰ, শিক্ষানুষ্ঠান আৰু বিভিন্ন ৰাজনৈতিক আৰু সামাজিক নেতাসকলক লগ ধৰি গুজৰাটলৈ ঘূৰি আহে। দক্ষিণ আফ্ৰিকাৰ ফিনিক্সৰ টলষ্টয় ফামৰ আৰ্হিত ভাৰতবৰ্ষতো মহাত্মা গান্ধীয়ে এখন আশ্ৰম পতাৰ সিদ্ধান্ত কৰি ১৯১৫ চনৰ ২৫ মে তাৰিখে আহমেদাবাদত 'সত্যাগ্ৰহ আশ্ৰম' নাম দি এখন আশ্ৰম আৰম্ভ কৰে। আশ্ৰমবাসীসকলে আশ্ৰমৰ নীতিনিয়ম অনুসৰি ৰন্ধাবঢ়া, চাফাই, পায়খানা পৰিষ্কাৰ, খেতি-বাতি আদি সকলো আৱশ্যকীয় কাম পালপাতি নিজে নিজে কৰিব লাগিছিল। স্বাৱলম্বিতা, বিলাসিতা বৰ্জন, সত্য পালন, বাক সংযম, অহিংসা পালন, আত্মত্যাগ, পৰোপকাৰ, দেশসেৱা, আৰ্ত-জনৰ সেৱা আদিৰ অনুশীলনেই আশ্ৰমৰ আদৰ্শ আৰু শিক্ষা আছিল। এই আশ্ৰম জাতি ধৰ্ম নিৰ্বিশেষে সকলোৰে কাৰণে মুক্ত আছিল।

গান্ধীজী আৰু আশ্ৰমবাসীসকলে আহমেদাবাদৰ দুখীয়া শ্ৰেণী বিশেষকৈ বনুৱাসকলৰ সেৱাৰ কামত আত্মনিয়োগ কৰে। উল্লেখযোগ্য যে সেই সময়ত এগৰাকী ধনী পৰিয়ালৰ মহিলাই আহমেদাবাদৰ কাপোৰ কলৰ বনুৱা সংগঠনৰ কাম হাতত লৈছিল। এই গৰাকী সেৱিকাই বিলাতত কেবাবছৰো আছিল আৰু বৃটেনৰ বনুৱা সংগঠনৰ কাম নিৰবে নিৰীক্ষণ কৰিছিল। ভাৰততো এই গৰাকী মহিলাই আহমেদাবাদৰ কাপোৰ কলৰ বনুৱাসকলক বৃটেইনৰ বনুৱা সংগঠনৰ আৰ্হিত গঢ় দিবলৈ প্ৰয়াস কৰিছিল। তেওঁৰ নাম আছিল 'অনসূয়া বেন চেৰাভাই।'

গান্ধীজীয়ে আশ্ৰম আৰম্ভ কৰাৰ লগে লগে বিভিন্ন কামে তেওঁক আগুৰি ধৰিলে। দক্ষিণ আফ্ৰিকাত সত্যাগ্ৰহ আন্দোলনৰ ফলত দুখন অমানুষিক আইন বন্ধ হ'ল যদিও ভাৰতীয় গিৰমিটীয়া কুলি বৃটিছ

উপনিবেশবিলাকলৈ পঠোৱা নীতি বন্ধ হোৱা নাছিল। গান্ধীজীয়ে ভাৰতলৈ ঘূৰি আহি এই নীতিৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰে। এই কুপ্ৰথা বন্ধ হ'ল দীনবন্ধু এনড্ৰুজৰ অশেষ যত্ন, ত্যাগ আৰু প্ৰচেষ্টাৰ ফলত ১৯২০ চনত।

ভাৰতবৰেণ্য নেতা মদন মোহন মালব্যই ভাৰত জুৰি কেবাবছৰো ঘূৰি দান-বৰঙণি সংগ্ৰহ কৰি কাশীত হিন্দু বিশ্ববিদ্যালয় স্থাপনৰ প্ৰচেষ্টা চলাই সফলতা লাভ কৰিলে। ১৯১৬ চনত বেনাৰস (কাশী) বিশ্ব-বিদ্যালয় উদ্বোধন কৰিবৰ কাৰণে বৰলাট লৰ্ড হিৰ্ডিঙক নিমন্ত্ৰণ কৰা হৈছিল। নগৰৰ আলি-পদূলিবোৰ কেবাদিন আগতেই চাফ কৰা হৈছিল। প্ৰতি মহলাতে পুলিচ চন্তৰী ৰখা হৈছিল। বৰলাটে নগৰ সোমোৱাৰ পৰা নগৰ ত্যাগ নকৰা পৰ্য্যন্ত মানুহ ঘৰৰ ভিতৰৰ পৰা বাহিৰ ওলাব নোৱাৰিছিল। পুলিচে মহিলাৰ ওপৰত অসৎ আচৰণ কৰাৰ উপৰিও মানুহক বেতেৰে কোবোৱা আদি বিভিন্ন উৎপীড়ন চলিছিল। ভাৰতবৰ্ষৰ বহুতো ৰজা-ৰাণী, ধনী, প্ৰভাৱশালী, বিদ্বান লোকক উদ্বোধনী সভালৈ নিমন্ত্ৰণ জনোৱা হৈছিল। উদ্বোধনী উৎসৱলৈ গান্ধীজীকে এজন নিৰ্দিষ্ট বক্তা হিচাবে নিমন্ত্ৰণ জনাইছিল। বৰলাটে মহা পয়োভৰেৰে উদ্বোধনী কাৰ্য্য সম্পাদন কৰিছিল। উদ্বোধনী সভাত ৰজা, মহাৰজাৰ পোচাক, হীৰা, মণি, মুক্তা, কিৰিটি, পাগুৰি, টুপী আদিয়ে সভা জাতিষ্কাৰ কৰি তুলিছিল। পুঁজিপতি মহাৰাণী সকলৰ মুখ, কপাল, নাক, কাণ, ডিঙি, ককাল আদিৰ অলঙ্কাৰ আৰু জাকজমকীয়া পোচাকে সভাৰ সৌষ্ঠৱ বৰ্দ্ধন কৰিছিল।

গান্ধীজীক ইংৰাজীত বক্তৃতা দিবলৈ কোৱা হৈছিল। গান্ধীজীয়ে তেতিয়া বক্তৃতা আৰম্ভ কৰি দুখেৰে কৈছিল : 'নিজৰ দেশবাসীসকলক সম্বোধন কৰি কবলৈ এটা বিদেশী ভাষাৰ সহায় লবলৈ মোক বাধ্য কৰা বাবে মই অপমানবোধ কৰিছো।' গান্ধীজীয়ে ইয়াৰ আগৰে পৰাই ইংৰাজীৰ পৰিবৰ্তে 'হিন্দুস্থানী' ভাষাক ভাৰতীয় ভাষা হিচাপে ব্যৱহাৰ কৰাৰ মত পোষণ কৰিছিল।

গান্ধীজীয়ে কাশীৰ প্ৰসিদ্ধ প্ৰধান মন্দিৰ বিশ্বনাথ মন্দিৰক কেন্দ্ৰ কৰি কাশীৰ হিন্দুধৰ্মৰ প্ৰধান ক্ষেত্ৰসমূহৰ হিন্দু মন্দিৰবিলাকৰ আৱৰ্জনা-

পূৰ্ণ আৰু দুৰ্গন্ধময় পৰিবেশৰ তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে হিন্দুধৰ্মৰ অৱনতিৰ মূল কাৰণ হৈছে ধৰ্মৰ নামত ব্যভিচাৰ। ধৰ্মৰ নামত জনসাধাৰণে দিয়া দান-বৰঙণি মন্দিৰবিলাকৰ পৰিষ্কাৰ পৰিচ্ছন্নতা ৰক্ষাত খৰচ নকৰি মন্দিৰৰ পূজাৰীসকলে নিজৰ লাহ-বিলাসত খৰচ কৰাটো অন্যায়।

ৰজা-মহাৰজাসকললৈ আঙুলিয়াই গান্ধীজীয়ে কয় যে আপোনালোকে প্ৰজাক শোষণ কৰি লাহ-বিলাসত যি অপচয় কৰিব লাগিছে সেইবোৰ পোচাক আৰু অলঙ্কাৰে আপোনালোকৰ দেহৰ শোভা বৰ্দ্ধন কৰা নাই। গতিকে সেইবোৰ বিক্ৰী কৰি সেই ধন দেশসেৱাৰ কামত খৰচ কৰক। এই কথা শুনাৰ পিচত ৰজা, মহাৰজা, চৰকাৰৰ উচ্চ বিষয়া ইত্যাদিয়ে অপমানবোধ কৰি সভাস্থলি ত্যাগ কৰে। আনকি সভাপতিজনেও সভা ত্যাগ কৰি গুচি যায়। চাৰিওফালৰ পৰা সাধাৰণ ৰাইজে 'গান্ধীজী কি জয়' ধ্বনি বৰষিবলৈ ধৰে।

আন এখন সভাত গান্ধীজীয়ে বক্তৃতা প্ৰসঙ্গত কলে—'বৰলাটে হিন্দু বিশ্ববিদ্যালয় উদ্বোধন কৰিবলৈ আহি গোটেই নগৰৰ বাটে-ঘাটে মানুহৰ ঘৰৰ পদূলিমুখৰ তল ওপৰ মহলা খানাতালাচ, সৈন্য আৰু পুলিচৰ দ্বাৰা লাখ লাখ মানুহৰ ওপৰত অত্যাচাৰ আৰু উৎপীড়ন কৰাৰ উল্লেখ কৰি কয় যে এজন বৰলাটৰ প্ৰাণৰক্ষা কৰিবলৈ এনে ব্যৱস্থা নকৰাৰ ফলত যদি বৰলাটক গুলিয়াই হত্যা কৰাটো একো দুঃখজনক ঘটনা নহলহেঁতেন।' এই কথাত সকলো স্তম্ভিত হল। খণ্ডত কমিচনাৰ, ডেপুটি কমিচনাৰ, পুলিচ সকলো উগ্ৰমূৰ্তি হ'ল। মালব্যজীয়ে কমিচনাৰক দেখা কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

গান্ধীজীয়ে এবছৰ কাল মুখবন্ধ কৰি ৰখাৰ পিচত প্ৰথম উপৰোক্ত ৰাজহুৱা সভাৰ বক্তৃতাই গোটেই ভাৰতত চাঞ্চল্যৰ সৃষ্টি কৰে। শিক্ষিত ডেকাসকলো গান্ধীজীৰ প্ৰতি আকৃষ্ট হয়। বিজুলী তৰঙ্গৰ দৰে ভাৰতবৰ্ষৰ জনগণৰ মাজত ভয়ৰ ভাব আঁতৰ কৰি এটা নিৰ্ভয় আৰু সাহসৰ ভাৱনা জাগৃত কৰে আৰু জনগণৰ মাজত এটা নতুন আশাৰ সঞ্চাৰ কৰে।

বনুৱাৰ দৃষ্টিত গান্ধীজী আৰু লোক প্ৰবাদ

আমি যেতিয়া গাঁৱৰ দ্বিতীয়মান শ্ৰেণীৰ ছাত্ৰ আছিলো, আমাৰ সম্বন্ধীয়া বৰদেউতা এজন গড়কাপ্তানী আৰু লোকেল বোৰ্ডৰ ঠিকাদাৰ আছিল। ১৯১৮-১৯ চনৰ কথা। বিহাৰৰ পৰা সেই সময়ত মাটি কটা কাম কৰিবলৈ অনেক বনুৱা অসমলৈ আহিছিল। তেওঁলোকক 'নুনীয়া' বুলিছিল। তেওঁলোকৰ এজন মুখীয়াল বা চৰ্দাৰ আছিল। এটা দলত ২০-২৫ জন বনুৱা থাকে। আমাৰ বাৰীৰ দাঁতিতে থকা কঠীয়া তলিত পঁজাঘৰ সাজি আছিল তেনে এটি বনুৱা দল।

তেওঁলোকে কিমান কষ্ট কৰি কাম কৰিব লাগে তেওঁলোকৰ কথা-বাৰ্তাৰ পৰা ওলাই পৰিছিল। তেওঁলোকে কৈছিল 'আমাৰ দেশত (প্ৰদেশত) মৌজাদাৰ নাই, জমিদাৰহে আছে। মাটিবোৰ বেলেগ বেলেগ জমিদাৰৰ সম্পত্তি। খাজনা জমিদাৰকহে দিব লাগে। তেওঁলোকে লগতে গান্ধীজীৰ বিষয়ে কৈছিল—দুখীয়া কৃষক আৰু শ্ৰমিকৰ দুখ কষ্ট মোচনৰ কাৰণে দ্বাৰকাত ভগৱানে অৱতাৰ লৈ জন্মিছে। সেইজন হৈছে গান্ধীবাবা। তেওঁ বৰ্তমান বিহাৰত আছেহি। নীলখেতি কৰা মানুহবিলাকৰ ওপৰত ইংৰাজ জমিদাৰে কৰা পাশৱিক অত্যাচাৰ আৰু উৎপীড়নৰ পৰা মুক্ত কৰিবলৈ তেওঁৰ আৱিৰ্ভাব হৈছে। তেওঁক ইংৰাজে কেবাবাৰো জেলত ভৰাই থৈছিল, কিন্তু গান্ধীবাবা জেলৰ পৰা অন্তৰ্ধান হৈ পৰে। য'ৰ পৰা তেওঁক ধৰি নিয়ে, তেওঁ তাতে ওলায়গৈ। পুলিচৰ গুলীও তেওঁৰ গাত নালাগে। কেবা ঠাইতো একে সময়তে বক্তৃতা দি থকা মানুহে দেখিছে।

এনেকুৱা বহুতো অদ্ভুত ধৰণৰ লোক-বিশ্বাসৰ কথা গাঁৱত বিয়পি পৰিছিল। এই কথাবোৰ শুনাৰ এবছৰ পিচতহে আমাৰ গাঁৱত অসহযোগ আন্দোলনৰ বিষয়ে আলোচনা হৈছিল।

দেউতা আৰু কেইজনমান লগ লাগি সাদিনীয়া বসুমতী, জোনাকী আদি বাতৰিকাকত লৈছিল। দুপৰীয়া আৰু গধূলিপৰত নামঘৰত এই কাকতত অহা বাতৰিবোৰ পঢ়িছিল। গান্ধীজীৰ খবৰ পঢ়ি মানুহবোৰে ভাল পাইছিল। গান্ধীজী হৈ পৰিছিল তেওঁলোকৰ সুখ-দুখৰ অন্য এজন অংশীদাৰ।

গিৰমিটীয়া কুলি প্ৰতিবাদ দিৱস পালন

১৯১৯ চনৰ ডিচেম্বৰ মাহত অমৃতসৰ কংগ্ৰেছ অধিবেশনৰ পিচত ১৯২০ চনৰ নাগপুৰ কংগ্ৰেছৰ আৰম্ভণিৰ পৰাই ভাৰতত অতি ক্ষীপ্ৰ গতিত ৰাজনৈতিক ক্ষেত্ৰত বিভিন্ন দুৰ্যোগ, সংঘৰ্ষ, ঘাট-প্ৰতিঘাত আৰম্ভ হয়। ১৯২০ চনৰ পহিলা জানুৱাৰীৰ দিনটো গান্ধীজীৰ পৰামৰ্শমতে উপবাস, প্ৰাৰ্থনা, চাফাই আৰু সভাসমিতি পাতি গোটেই ভাৰত জুৰি গিৰমিটিয়া কুলি প্ৰতিবাদ দিবস হিচাবে পালন কৰা হয়।

খিলাফট আন্দোলন

ভাৰতীয় মুছলমানসকলে খিলাফট সমস্যা সম্বন্ধে আলোচনা কৰি সেই বিষয়ে আৱশ্যকীয় কাম হাতত লবৰ কাৰণে ইতিমধ্যে নিখিল ভাৰত খিলাফট কমিটী গঠন কৰিছিল। জুন মাহত এই কমিটীয়ে গৱৰ্ণমেন্টৰ লগত অসহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু এখন চাৰিদফীয়া কাৰ্য্যসূচী প্ৰস্তুত কৰে।

(১) চৰকাৰে দিয়া উপাধি আদি ত্যাগ।
(২) চৰকাৰৰ কাম ইস্তফা দিয়া।
(৩) মিলিটাৰী আদি পদ ত্যাগ কৰা।
(৪) খাজনা, কৰ আদি দিয়া বন্ধ কৰা।

আনহাতে গান্ধীজীৰ মনতো দৃঢ়বিশ্বাস হল যে বৃটিছ চৰকাৰৰ ভাৰত শাসন পদ্ধতি এটা ভ্ৰুণ্ট আচৰণৰ ওপৰত প্ৰতিষ্ঠিত, গতিকে এই শাসনৰ পৰিৱৰ্তন আনিব লাগিব। তেওঁ খিলাফট কমিটীৰ চাৰি-দফীয়া কাৰ্য্যসূচীৰ লগতে বিলাতী বস্ত্ৰ বৰ্জন, খদ্দৰৰ প্ৰচলন, মাদক দ্ৰব্য বৰ্জন ইত্যাদি আৰু কেইটামান গঠনমূলক কাৰ্য্যসূচী যোগ দি অসহযোগ আন্দোলন আৰম্ভ কৰিলে। এই কাৰ্য্যসূচীৰ প্ৰথম দফা হল অহিংসা। হিংসা, হত্যাকাণ্ড, বল প্ৰয়োগ ইত্যাদিৰ ঠাই এই আঁচনিত নাই। গান্ধীজীৰ মতে ভাৰতবাসী নিজে পৰাধীন হৈ থাকিব নুখুজিলে বৃটিছে কেতিয়াও পৰাধীন কৰি ৰাখিব নোৱাৰে। ভাৰতত বৃটিছ ৰাজত্ব জীয়াই ৰাখিছে ভাৰতবাসী নিজেই। সৰু সাধাৰণ পিয়ন কামৰ পৰা সকলো কৰ্মচাৰী বাহিনী আৰু বৃটিছ শাসন কাৰ্য্যত সহযোগ কৰা

শতকৰা পয়সত্তৰ জনেই ভাৰতীয়। তেনেস্থলত ভাৰতীয়ই বৃটিছৰ শাসন কাৰ্য্যত সহযোগ নকৰি:ল বৃটিছ চৰকাৰ এদিনো তিষ্ঠি থাকিব নোৱাৰে। ১৯২০ চনৰ ১০ মাৰ্চৰ দিনা গান্ধীজীয়ে তেখেতৰ অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী প্ৰকাশ কৰে। পহিলা আগষ্টত ভাৰতৰ ৰাজপ্ৰতিনিধি চেমচ ফোৰ্ডক তেখেতৰ পৰিকল্পিত অসহযোগ আন্দোলনৰ আচনিৰ বিষয়ে জ্ঞাত কৰে। তেখেতে বৃটিছৰ পৰা পোৱা 'কাইজাৰ হিন্দ স্বৰ্ণপদক' জুলুবিদ্ৰোহ আৰু বুৱাৰ যুদ্ধত পোৱা পদক ওভতাই দিয়ে।

পঞ্জাবৰ অমৃতসৰৰ ঘটনা, খিলাফট সম্বন্ধে বৃটিছ চৰকাৰে কৰা অন্যায় আদিৰ কথা উল্লেখ কৰি গান্ধীজীয়ে স্পষ্ট ভাষাৰে জনাই দিয়ে যে যি চৰকাৰে ভাৰতবাসীৰ ওপৰত এইবিলাক অন্যায় নি:সঙ্কোচে কৰিব পাৰে তেনে চৰকাৰৰ প্ৰতি কোনো লোকৰ শ্ৰদ্ধা থাকিব নোৱাৰে। ইয়াৰ পাচত ১৯২০ চনৰ ২০ জুলাইত বেনাৰসত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটীত গান্ধীজীৰ অহিংস আন্দোলনৰ কাৰ্য্যক্ৰমৰ আলোচনা হয় আৰু অক্টোবৰ মাহত কলিকতাত বিশেষ অধিবেশন পাতি গান্ধীজীৰ অসহযোগ আন্দোলনৰ বিষয়ে আলোচনা কৰিবলৈ সিদ্ধান্ত কৰে।

কলিকতাত অক্টোবৰ মাহত কংগ্ৰেছৰ অধিবেশন বহিল। এই অধিবেশনত প্ৰায় ৪ হেজাৰৰো অধিক প্ৰতিনিধিয়ে যোগদান কৰে। নৰম পন্থীৰ কথাই নাই, উগ্ৰপন্থী নেতা লোকমান্য তিলকে "ৰাজনীতিত আধ্যাত্মিকতাৰ স্থান নাই" বুলি গান্ধীজীৰ আন্দোলন সমৰ্থন কৰা নাছিল। বঙ্গনেতা দেশবন্ধু চিত্তৰঞ্জন দাস, ব্যোমকেশ চক্ৰৱৰ্তী, অসমৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ প্ৰমুখ্যে সৰহ সংখ্যক নেতাই গান্ধীজীৰ অসহযোগ আঁচনিৰ বিৰোধীতা কৰে। বিশেষকৈ স্কুল কলেজ আৰু কোৰ্ট বৰ্জনৰ আঁচনি তেওঁলোকৰ মনঃপুত হোৱা নাছিল। মহম্মদ আলি, চৌকত আলি, ৰাজা গোপালাচাৰী আদিয়ে প্ৰচাৰ কাৰ্য্য চলাইছিল যাতে কংগ্ৰেছ অধিবেশনত গান্ধীজীৰ অসহযোগ আন্দোলনৰ কাৰ্য্যসূচী গৃহীত হয়। আনহাতে গান্ধীজীৰ অসহযোগ আন্দোলনৰ কাৰ্য্যসূচীৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিবলৈ চিত্তৰঞ্জন দাস প্ৰভৃতি নেতাসকলে বিৰোধী প্ৰচাৰ কাৰ্য্য চলাইছিল। এনে বাধা সত্বেও গান্ধীজীয়ে দিয়া অসহযোগ আন্দোলনৰ প্ৰস্তাৱ বিষয় বাছনি সভা আৰু মুকলি অধিবেশনত গৃহীত হয়। এই

বিশেষ অধিবেশনৰ সভাপতিত্ব কৰিছিল পাঞ্জাৱ কেশৰী লালা ৰাজপট ৰায়ে। প্ৰস্তাৱ গৃহীত হল যদিও বহুতে এটা সাংবিধানিক প্ৰশ্ন তুলিলে। যিহেতু এই প্ৰস্তাৱে কংগ্ৰেছৰ সংবিধানৰ মূল নীতিৰ পৰিবৰ্তন আনিব গতিকে সাধাৰণ বছৰেকীয়া অধিবেশন আহ্বান কৰিব লাগে। সেই অনুসৰি নাগপুৰত ১৯২০ চনৰ ডিচেম্বৰ মাহত গান্ধীজীৰ অসহযোগ আন্দোলন আৰু খিলাফট আন্দোলনৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে কংগ্ৰেছ অধিবেশন বহিল। মতিলাল নেহৰু, দেশভক্ত চিত্তৰঞ্জন দাস, অসমৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ প্ৰমুখ্যে যিসকল নেতাই গান্ধীজীৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল সেইসকল হৈ পৰিল এইবাৰ গান্ধীজীৰ প্ৰস্তাৱৰ প্ৰধান সমৰ্থক। কংগ্ৰেছৰ মাজত গান্ধীৰ যুগ আৰম্ভ হ'ল।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ মূৰ্তি দেখি গৱৰ্ণমেণ্ট বিশেষকৈ বাগানৰ চাহাবসকল ধৈৰ্য্যচ্যুত হৈ পৰিল। তেওঁলোকে চলাই অহা একছত্ৰী ৰাজত্বৰ অৱসান ঘটিব বুলি বাগানৰ মেনেজাৰসকলৰ ভয় হ'ল। মজদুৰসকলক গান্ধীৰ অসহযোগ আন্দোলনে স্পৰ্শ কৰিব বুলি মেনেজাৰ সকলৰ চিন্তা হ'ল। ১৯২১ চনত গান্ধীজী অসমলৈ আহিল। অসমৰ প্ৰধান প্ৰধান অঞ্চললৈ গল। অসমীয়া মানুহৰ মাজত এটা নতুন উৎসাহ উদ্দীপনা দি গ'ল। গান্ধী যোৱাৰ পাছত আন্দোলন তীব্ৰভাৱে আৰম্ভ হ'ল। চাহ বাগানৰ হেচাত পৰি অসম চৰকাৰে আন্দোলন দমনৰ কাৰণে নতুন নতুন দমন নীতি প্ৰয়োগ কৰিবলৈ ধৰিলে। বহুতো গাঁৱৰ মুখ্য নেতাক ধৰি আনি পুহমহীয়া নৈৰ পানীত বান্ধি ৰাখিছিল। ইমানেই নহয় সূৰ্য্যৰ ফালে চকু থিৰ কৰি থিয় কৰাই ৰাখিছিল। এনে বিভিন্ন ধৰণৰ অত্যাচাৰ অসম জুৰি চলিছিল। বহুতো মানুহৰ মাটি বাৰী নীলামত গ'ল। প্ৰায় চাৰি হেজাৰৰো অধিক লোক গ্ৰেপ্তাৰ হৈছিল। দুই হেজাৰৰো অধিক লোকক ফাটেকত দিয়া হৈছিল।

অসম চৰকাৰে ভাৰত চৰকাৰলৈ টানি অনুৰোধ জনালে যে গান্ধীক গ্ৰেপ্তাৰ নকৰিলে চাহ বাগানৰ মেনেজাৰসকলৰ টোপনি নাহে, কিয়নো গান্ধীজীৰ জয়ধ্বনি শুনি শুনি তেওঁলোক বিৰক্ত হৈ পৰিছে। চৰকাৰে গান্ধীজীক দোষী সাব্যস্ত কৰি ৬ বছৰ ফাটেক দিলে। গান্ধীজী ফাটেকত থকাৰ পিচত ভাৰতত যি অৱসাদে দেখা দিলে সেই অৱসাদে অসমকো ছুলে।

কোনো এটা ৰাজনৈতিক আন্দোলন সদায় একেদৰে নাথাকে। সাগৰৰ পানীত এটা সময়তহে জোৱাৰ আহে। সেইদৰে গান্ধীজীয়ে ১৯২১ চনত যি বিপ্লৱৰ ফল আনি দিছিল, সময়ে সময়ে সেই ফলৰ জোৱাৰ আহি ১৯৪২ চনত চৰম পৰিণতি পাইছিলগৈ।

চাহ বাগানৰ বস্তিৰ বহুতো শ্ৰমিকে গাঁৱৰ ৰাইজৰ সৈতে লগলাগি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অসহযোগ আন্দোলনৰ লগত খিলাফট আন্দোলন জড়িত থকাত শতকৰা ৭৫ জন মুছলমান লোক অসহযোগ আন্দোলনত জঁপিয়াই পৰিছিল। এই আন্দোলনৰ জৰিয়তে অসম হৈ পৰিছিল হিন্দু-মুছলমানৰ এক অপূৰ্ব মিলনক্ষেত্ৰ।

পঞ্চম অধ্যায়

গান্ধীজীৰ অসম ভ্ৰমণ

গান্ধীজী চাৰিবাৰ অসমলৈ আহিছিল। প্ৰথমবাৰ ১৯২১ চনত, দ্বিতীয়বাৰ ১৯২৬ চনত, তৃতীয়বাৰ ১৯৩৪ চনত আৰু চতুৰ্থবাৰ ১৯৪৬ চনত।

১৯২১ চনৰ ২৮ জুলাই তাৰিখে অসহযোগ আন্দোলনৰ আৰ্চনি গ্ৰহণৰ কাৰণে বোম্বেত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ অধিবেশন এখন বহিছিল।

অসমৰ পৰা দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা প্ৰমুখ্যে কেবাজনো নেতা আৰু ভালেমান কৰ্মীয়ে এই সভাত যোগদান কৰিছিল। এইসকল নেতাই গান্ধীজীক লগধৰি অসমলৈ আহিবৰ কাৰণে টানি অনুৰোধ জনায়। ইতিমধ্যে কৰিমগঞ্জৰ চান্দপুৰ ৰেল ষ্টেচনত গোৰ্খা চিপাহী লগাই চাহ শ্ৰমিকসকলৰ ওপৰত কৰা অত্যাচাৰ সম্বন্ধে গান্ধীজীয়ে চি, এফ, এণ্ড্ৰোজক তদন্ত কৰিবলৈ পঠিয়াইছিল। ৰেভাৰেণ্ড চি, এফ, এণ্ড্ৰোজ আৰু চিত্তৰঞ্জন দাসৰ এই ঘটনা সম্বন্ধে প্ৰতিবেদন পাই গান্ধীজীয়ে 'ইয়ং ইণ্ডিয়াত' এটা প্ৰবন্ধ লিখিছিল আৰু অসমলৈ আহিবলৈ ইচ্ছুক হৈ আছিল। সেইবাবে কম দিনৰ কাৰণে হলেও অসমলৈ আহিম বুলি কথা দিছিল।

কথামতে কাম হ'ল। তেখেতে ১৭ আগষ্টত কলিকতাৰ পৰা দাৰ্জিলিং মেইলেৰে আহি ১৮ আগষ্টৰ ৰাতিপুৱা গোলকগঞ্জ পায়হি। উল্লেখযোগ্য কথা এইটোৱেই যে ১৯২০ চনলৈ অসমত কংগ্ৰেছ গঠন হোৱা নাছিল।

১৮৮৫ চনত কংগ্ৰেছৰ জন্ম হোৱা দিন ধৰি অসমৰ প্ৰতিনিধিসকল বঙ্গদেশৰ প্ৰতিনিধিৰ লগতে বহিছিল।

১৯২০ চনত নাগপুৰ কংগ্ৰেছত গান্ধীজীৰ পৰামৰ্শ অনুসৰি ভাষাৰ ভেটিত প্ৰাদেশিক কংগ্ৰেছ গঠনৰ সিদ্ধান্ত কৰা হয়। সেই মৰ্মে ১৯২১ চনৰ 8 এপ্ৰিলত গুৱাহাটীৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ ঘৰত অসমৰ বিভিন্ন জিলাৰ চল্লিশজন কংগ্ৰেছ ভাবাপন্ন নেতা আৰু কৰ্মী গোট খাই অসম কংগ্ৰেছ কমিটী গঠন কৰে। কুলধৰ চলিহা সভাপতি আৰু কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ সাধাৰণ সম্পাদক মনোনীত হয়। বহুত বছৰ ধৰি নবীন চন্দ্ৰ বৰদলৈৰ ঘৰতে প্ৰাদেশিক কংগ্ৰেছ অফিচ আছিল। ১৯৪৭ চনত দেশে স্বাধীনতা লাভ কৰা সময়লৈকে অসমৰ কংগ্ৰেছ কেৱল তেতিয়াৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৭খন জিলাৰ ভিতৰত আবদ্ধ আছিল। সুৰমা উপত্যকা বঙ্গদেশৰ কংগ্ৰেছৰ লগত চামিল আছিল।

৭ জুলাই প্ৰাদেশিক কংগ্ৰেছৰ সভাত মহাত্মা গান্ধীক নিমন্ত্ৰণৰ কাৰণে এটা প্ৰস্তাৱ লোৱা হৈছিল। সেইমৰ্মে মহাত্মাজী অসমলৈ আহিছিল।

মহাত্মা গান্ধীৰ লগত আহিছিল যমুনা দাস গান্ধী, প্ৰভুদাস গান্ধী, তেওঁলোক গান্ধীজীৰ সম্পৰ্কীয়, কৃষ্ণদাস শ্বাহ, মৌলানা মহম্মদ আলি, বেগম মহম্মদ আলি, তেওঁৰ চেক্ৰেটাৰী হিচাবে আলিগড়ৰ আবদুল হায়াৰ, দোভাষী যমুনালাল বাজাজ আৰু সম্পাদক হিচাবে এজন মাৰাঠী ডেকা হিৰো। গোলোকগঞ্জত নবীন চন্দ্ৰ বৰদলৈ প্ৰমুখ্যে নেতাসকলে গান্ধীজীক লগ ধৰে আৰু অসম মেইলেৰে গান্ধীজীক গুৱাহাটীলৈ আনে।

গান্ধীজীক দৰ্শন কৰিবলৈ প্ৰতিটো ষ্টেচনত হাজাৰ হাজাৰ দৰ্শকৰ সমাবেশ হৈছিল। গুৱাহাটীত অভ্যৰ্থনাৰ কাৰণে স্থানীয় জৰ্জফিল্ডত ৰাজহুৱা সভাৰ আয়োজন কৰা হৈছিল। কিন্তু কমিচনাৰে নিষেধাজ্ঞা জাৰি কৰাত দেশভক্ত তৰুণৰাম ফুকনৰ ঘৰৰ সম্মুখত পথাৰত বিৰাট ৰাজহুৱা সভা বহে। গান্ধীজীয়ে তাত অসহযোগ আন্দোলন আৰু খিলাফট আন্দোলন সম্পৰ্কে বক্তৃতা দিয়ে।

সভাৰ অন্তত বিলাতী বস্ত্ৰ পোৰাৰ এটা বিৰাট যজ্ঞ আৰম্ভ হৈছিল। গান্ধীজীয়ে চাহ শ্ৰমিকসকলৰ দুখ দুৰ্গতিৰ কথাও জানিবলৈ বিচৰাত

কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে অসমত চাহ কোম্পানীবোৰৰ ৰাজত্ব আৰু চাহ শ্ৰমিকৰ ওপৰত চলোৱা অন্যান্য অত্যাচাৰ আৰু ব্যভিচাৰৰ কাহিনী বিতংভাৱে ব্যাখ্যা কৰে। এখন চাহ বাগান চাবলৈ গান্ধীজীয়ে ইচ্ছা কৰিলে আৰু গুৱাহাটীত সেই সুবিধা নোহোৱাৰ বাবে তেখেতক চাহ বাগান দেখুৱাবলৈ তেজপুৰলৈ নিয়া হ'ল। ২১ তাৰিখে ৰাতি জাহাজত উঠি ২২ তাৰিখে ৰাতিপুৱা তেজপুৰ পায়গৈ। তেজপুৰতো তেখেতে চাহ বাগানসমূহৰ তথ্যপাতি সংগ্ৰহ কৰিছিল। তেজপুৰৰ ওচৰৰ এখন বাগানলৈ তেখেতক নিয়া হৈছিল। বাগানখন আগতে ইংৰাজ মালিকৰ হাতত আছিল। পিচত ভাৰতীয় লোকে ইয়াক কিনি লৈছিল। গান্ধীজীয়ে বাগান পৰিচালনা শ্ৰমিকৰ মজুৰি, কামৰ নিৰিখ, থকা ঘৰৰ ব্যৱস্থা, চিকিৎসাৰ ব্যৱস্থা আদি বিষয়ে খৰচি মাৰি কৰ্মচাৰী, বনুৱা, চৰ্দাৰ আদি সকলোৰে লগত আলোচনা হৈছিল।

গান্ধীজী অসমলৈ অহাৰ আগতে বনুৱাসকলৰ মাজত গান্ধীৰ নাম জনাজাত হৈ পৰিছিল। গান্ধীজীৰ আগমনৰ বাবে আয়োজন কৰা তেজপুৰৰ ৰাজহুৱা সভালৈ গাঁৱৰ ৰাইজ আহিবৰ কাৰণে বিশেষ ৰেল গাড়ীৰ ব্যৱস্থা তেজপুৰ বালিপাৰা ৰেল কোম্পানীৰ জৰিয়তে কৰা হৈছিল। গাঁৱৰ ৰাইজৰ লগতে ৰেল লাইনৰ আশে পাশে থকা বাগান আৰু বস্তিৰ বহতো বনুৱাই ৰেলত উঠি গান্ধীজীৰ জয় দি সভালৈ আহিছিল।

গান্ধীজীয়ে বক্তৃতাত চাহ শ্ৰমিকৰ বিষয়ে উল্লেখ কৰিছিল। গান্ধীজীয়ে তেজপুৰৰ বিষয়ে আৰু অসমৰ বিষয়ে কেবাটাও দীঘলীয়া প্ৰবন্ধ 'ইয়ং ইণ্ডিয়া' কাকতত লিখিছিল। সেই বিষয়ে আগতে উল্লেখ কৰি অহা হৈছে।

গান্ধীজীয়ে তেজপুৰৰ পৰা নগাওঁ আৰু নগাঁৱৰ পৰা যোৰহাটলৈ যায়। যোৰহাটতো তেওঁ চাহ শ্ৰমিকৰ সম্বন্ধে তথ্যপাতি বিচাৰিছিল। চাহ বাগানৰ মেনেজাৰসকলৰ নিমন্ত্ৰণ ক্ৰমে তেখেতে চিনামৰা চাহ বাগিচাত চাহাবসকলৰ ক্লাব ঘৰত বক্তৃতা দিছিল। বক্তৃতা প্ৰসঙ্গত তেখেতে অসহযোগ আন্দোলন, খিলাফট আন্দোলন আদি বিষয়ৰ উল্লেখ কৰে, লগতে চাহ শ্ৰমিকসকলক মানুহ হিচাবে মানবীয় ব্যৱহাৰ, উচিত মজুৰী আৰু ন্যায় বিচাৰ কৰিবলৈ অনুৰোধ জনায়।

যোৰহাটৰ পৰা গান্ধীজী ডিব্ৰুগড়লৈ যায়। ডিব্ৰুগড় চাহ প্ৰধান জিলা। গতিকে গান্ধীজীয়ে চাহ শ্ৰমিকৰ বিষয়ে জানিবলৈ আগ্ৰহান্বিত হৈছিল। ডিব্ৰুগড়ৰ ৰাজহুৱা সভাত বহুতো বস্তি আৰু চাহ বাগানৰ বনুৱা উপস্থিত আছিল।

এই সম্বন্ধে গান্ধীজীৰ লগত অহা চেক্ৰেটাৰী কৃষ্ণদাস জাজুৱে তেওঁৰ গান্ধীজীৰ অসম ভ্ৰমণৰ ডায়েৰীত ডিব্ৰুগড়ৰ সভাৰ বিষয়ে এইদৰে লিখিছিল :—

"ডিব্ৰুগড় পোৱাৰ পিচতেই মই গা-পা ধুই অলপ জিৰণি লৈছো। এনেতে গান্ধীজীয়ে মোক মাতিলে। তেওঁ মোক কেইখনমান টেলিগ্ৰাম পঠিয়াবলৈ দিলে। তাৰ পিছত গেজেটিয়াৰ আৰু গৱৰ্ণমেণ্টৰ প্ৰকাশিত কিতাপবিলাকৰ পৰা অসমৰ চাহ বাগিচা আৰু বনুৱা সম্পৰ্কে সকলো তথ্য সংগ্ৰহ কৰি এটি টোকা তৈয়াৰ কৰিবলৈ কলে। এনেতে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আহি পালে। অসম সম্পৰ্কে প্ৰায় সকলো তথ্য তেওঁৰ আঙুলিৰ মূৰত। গতিকে মহাত্মাই কিবা প্ৰশ্ন সোধাৰ লগে লগে তেওঁ উত্তৰ দিছিল। অসম সম্পৰ্কে সকলো কথা এইদৰে বৰদলৈয়ে আচৰিতভাবে জনাটো মোৰ বাবে নতুন কথা হৈছিল।"

মহাত্মা গান্ধীয়ে ডিব্ৰুগড় চাহ বাগানৰ বনুৱা সম্পৰ্কে সকলো তথ্য-পাতি সংগ্ৰহ কৰাত বিশেষ যত্ন লৈছিল। দুখীয়া নিৰ্য্যাতিত বনুৱা সকলক তেওঁ সান্ত্বনা দিবলৈ বুলি দু-আষাৰ কবলৈ বিচাৰিছিল, কিয়নো আজিৰ গধূলিৰ সভাখনেই ভ্ৰমণৰ শেষ সভা আছিল। চাঁদপুৰৰ ঘটনাৰ সময়ত গান্ধীজীৰ নাম লৈ বনুৱাসকলে বাগানৰ পৰা ওলাই আহিছিল। কিন্তু সেই সময়ত তেওঁলোকৰ কাষলৈ সোশৰীৰে অহাটো গান্ধীজীৰ বাবে সম্ভৱপৰ নাছিল। এতিয়া যিসময়ত গান্ধীজী অসমলৈ আহিছে, তেনে সময়তো সেই সময়ৰ উন্মাদনা পুনৰ ঘূৰি আহে বুলি চাহ খেতিয়কসকলৰ মনলৈ সংশয় আহিছিল।

বনুৱাসকলে যাতে গান্ধীজীক লগ ধৰিব নোৱাৰে তাৰ কাৰণে চাহ খেতিয়কসকলে বনুৱাসকলক নানা দাবি ধমকি দি ভয় খুৱাইছিল। কিন্তু ৰাজহুৱা সভাত দেখা গ'ল যে গোট খোৱা লোকৰ ভিতৰত ১০৷১২ হেজাৰমান লোকেই বাগানৰ। তথাপিও তেওঁলোকে কিমান বনুৱা

আহিছে বুলি সোধাত তিনি চাৰিজন মানুহেহে হাত দাঙিবলৈ সাহ কৰিছিল।

মহাত্মা গান্ধীয়ে বক্তৃতা প্ৰসঙ্গত কৈছিল যে অসমলৈ বেলেগ বেলেগ প্ৰদেশৰ পৰা দহলাখমান বনুৱা জীৱন নিৰ্বাহৰ বাবে অসমলৈ আহিছে। ইমানবোৰ দুখীয়া ভাৰতীয়লোকে নিজৰ ঘৰ, পৰিয়াল, বন্ধু-বান্ধৱ তথা সমাজ এৰি কেৱল জীৱন ধাৰণৰ জোখাৰে ধন অৰ্জন কৰিবলগীয়া হোৱাটো সামাজিক দৃষ্টিকোণৰ পৰা অস্বাভাৱিক। যদি এই অৱস্থাৰ পৰিবৰ্তন কৰিব নোৱাৰি, তেন্তে আমি লাভ কৰা স্বৰাজ ভুৱা আৰু প্ৰতাৰণাৰ দৰে হব।

ডিব্ৰুগড়ৰ কেইজনমান নেতাৰ যত্নত মহাত্মা গান্ধীৰ লগত চাহ খেতিয়ক সকলৰ এখন সভা ডিব্ৰুগড় চাহ খেতিয়কৰ ক্লাব ঘৰত অনুষ্ঠিত হৈছিল। সেইকাৰণে গান্ধীজীয়ে ২৫ তাৰিখে ডিব্ৰুগড়ৰ পৰা যোৱাটো স্থগিত ৰাখিবলগীয়া হৈছিল। এইখন সভাৰ বিৱৰণ বাতৰি কাকতত প্ৰকাশ হবলৈ দিয়া নাছিল। কাৰণ মেনেজাৰসকলে তেওঁলোকৰ নিজৰ পৰিবেষ্টনীৰ মাজত এই সভা অনুষ্ঠিত কৰিছিল।

তেওঁলোকে যদিও গোপন পৰিবেষ্টনীৰ মাজত সভা অনুষ্ঠিত কৰিবলৈ বিচাৰিছিল, সেইদিনা সেই পৰিবেষ্টনীৰ গোপনীয়তা বনুৱা সকলে ভঙ্গ কৰিছিল। গান্ধীজীয়েও স্পষ্টভাৱে চাহ খেতিয়কসকলক তেওঁলোকৰ বিৰুদ্ধে বাইজৰ আৰু বনুৱাসকলৰ অভাৱ-অভিযোগ সম্পৰ্কে জনাই দিবলৈ ত্ৰুটি কৰা নাছিল।

গান্ধীজীৰ আগতে জীয়াই জীয়াই পুৰি মাৰিব বুলি ভবা চাহ খেতিয়কসকলে গান্ধীজীৰ কথা সিদিনা মনপুতি শুনিছিল। গান্ধীজীয়ে কৰা অভিযোগবোৰৰ কোনো প্ৰত্যুত্তৰ নিদি তেওঁলোকে মনে মনে শুনি গৈছিল।

গান্ধীজী ক্লাব ঘৰলৈ যোৱাৰ লগে লগে ওচৰত থকা শ শ মুনিহ তিৰোতাই "গান্ধীজী কি জয়" ধ্বনি কৰি কেউফালে এটা হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰিছিল। শ্ৰমিকসকলৰ সাহস দেখি গান্ধীজীয়ে ৰাইজ আৰু শ্ৰমিকসকলক শান্ত হবলৈ অনুৰোধ জনোৱাত সকলো ৰাইজ নিস্তব্ধ হৈ পৰিছিল। এজন শ্ৰমিকে ৰাতি গোপনে আহি গান্ধী-

জীক মেনেজাৰসকলৰ অত্যাচাৰ আৰু উৎপীড়নৰ কাহিনী আৰু শ্ৰমিক সকলৰ দুখ বেদনাৰ কথা ব্যক্ত কৰিছিল।

ডিব্ৰুগড়ৰ কাৰ্য্যক্ৰমৰ পিচত গান্ধীজীয়ে সুৰমা উপত্যকালৈ যাত্ৰা কৰে। লামডিং জংচনত ৰেল কৰ্মচাৰীসকলৰ ধৰ্মঘট সম্বন্ধে আলোচনা হয়। লামডিঙৰ পৰা গান্ধীজী শিলচৰলৈ যায়। শিলচৰত তেখেতক কৰিমগঞ্জ চাৰখোলা ভেলি আৰু চাঁদপুৰ অঞ্চললৈ যাবৰ কাৰণে অনুৰোধ জনোৱা হৈছিল। সময়ৰ অভাৱত তালৈ যাব নোৱাৰি গান্ধীজীয়ে দুখ প্ৰকাশ কৰে।

কাছাৰ আৰু চিলেটৰ ভালেমান শ্ৰমিক নেতা আৰু কৰ্মীক লগ ধৰি পৰিস্থিতি সম্পৰ্কে আলোচনা কৰে। ৰাজহুৱা সভা-সমিতিবিলাকত গান্ধীজীয়ে শ্ৰমিকসকলৰ বিষয়ে কওতে চাঁদপুৰ আদি অঞ্চলত বনুৱা সকলৰ ওপৰত কৰা অত্যাচাৰ উৎপীড়ণৰ তীব্ৰ সমালোচনা কৰিছিল।

চিলেটৰ পৰা গান্ধীজী চট্টগ্ৰামলৈ যায়। চট্টগ্ৰামত তেখেতে ধৰ্মঘট-কাৰী ৰেলৰে শ্ৰমিক আৰু কৰ্মচাৰীসকলক লগ ধৰে। এই সম্বন্ধে কৰা আলোচনা আৰু ভাষণ গান্ধীজীৰ টোকাৰ পৰা দিয়া হ'ল।

গান্ধীজীৰ টোকা

"অসমৰ যিসকল চাহ বনুৱাই বাগিচা এৰি আহি চাঁদপুৰত নিৰ্দয় ভাৱে নিৰ্য্যাতিত হ'বলগীয়া হৈছিল তেওঁলোকে যাতে ন্যায় বিচাৰ পায় সেই উদ্দেশ্যে অসম বেঙ্গল ৰেলৰেৰ কৰ্মীসকলে ধৰ্মঘট কৰিছিল। নিজৰ স্বাৰ্থৰ কাৰণে নহয়। যি প্ৰদেশত তেওঁলোকৰ নিজ ঘৰলৈ যাবলৈ বুলি ৰেলৱে ষ্টেচনলৈ আহোতে গৱৰ্ণমেণ্টে তেওঁলোকৰ ওপৰত মাৰধৰ কৰি গাড়ীত উঠিবলৈ নিদিলে। এই কথাত ৰেলৰে কৰ্মী সকলে দুখ পাইছিল। ৰেলৱে কৰ্মীসকলে চাহ বাগিচাৰ বনুৱাৰ দৰে একেটা সাধাৰণ সমাজ বান্ধোনত থকা লোক নহয়। চাহ বাগিচাৰ বনুৱাসকল বিহাৰ আৰু আন আন প্ৰদেশৰ লোক, কিন্তু ৰেলৱে কৰ্মী সকল সৰহ সংখ্যক বঙ্গদেশৰ। সেইবাবে তেওঁলোকৰ ধৰ্মঘট নিজৰ স্বাৰ্থৰ একো কথা নাছিল। চট্টগ্ৰামত মই এই কৰ্মীসকলক লগ পাই-ছিলো। তেওঁলোকে কি কৰিব লাগে মই তেওঁলোকক কৈছিলো। মোৰ

এই ভাষণৰ টোকা লোৱা হৈছিল। যিহেতু মোৰ মনলৈ অহা কিছুমান ভাব কামত লাগিব পাৰে সেইবাবে চাইচিতি শুধৰাব নোৱাৰিলেও মোৰ বক্তৃতাৰ টোকা হিচাবে এইখিনি পাঠকে পঢ়িব।”

মোহনদাস কৰমচাঁদ গান্ধী

চাহ বাগানৰ মেনেজাৰ আৰু অসহযোগ আন্দোলন

১৯২১ চনত অসমত অসহযোগ আন্দোলন ব্যাপকভাৱে গঢ়ি উঠিল। আন্দোলনৰ প্ৰতিক্ৰিয়া চাহ বাগানৰ বনুৱাসকলৰ মাজতো ব্যাপকভাৱে দেখা দিলে। অসমত অসহযোগ আন্দোলনৰ জুই জ্বলি উঠাৰ লগে লগে বাগানৰ মেনেজাৰসকলৰ প্ৰতিপত্তি হেৰাই যোৱাৰ ভয়ত তেওঁলোক আতঙ্কিত হৈ পৰিছিল আৰু সেইবাবে তেওঁলোকৰ মন বিকাৰগ্ৰস্ত হৈ পৰিছিল। মেনেজাৰসকলৰ উদ্ধতালি চৰম সীমা পাইছিল।

উদাহৰণ স্বৰূপে গাঁৱে-ভূঞে কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্য চলাত আৰু পতাকা উত্তোলন আদি কাৰ্য্যত চাহ খেতিয়ক সকলৰ মনলৈ ভয় আৰু আতঙ্কৰ ভাব আহিছিল। আন্দোলনৰ বাবে অসমত বগা মানুহৰ মৰ্য্যাদা লাহে লাহে হ্ৰাস হবলৈ ধৰিছিল। ইমান দিনলৈ তেওঁলোকে যি প্ৰতিপত্তি আৰু আধিপত্য বিস্তাৰ কৰি আহিছিল, এতিয়া সেই মৰ্য্যাদা ক্ষুণ্ণ হবলৈ ধৰাত তেওঁলোকৰ মনলৈ খং, হিংসা আৰু প্ৰতিশোধৰ ভাবনা আহিছিল।

সেইবাবে এই শতাব্দীৰ প্ৰাৰম্ভত চাহ খেতিয়ক সকলৰ স্বাৰ্থলৈ বিৰোধী কাৰ্য্য কৰা বুলি তেওঁলোকে চিফ কমিচনাৰ কটন চাহাবক পদত্যাগ কৰিবলৈ বাধ্য কৰিছিল। সেইবাবে এতিয়া নতুন গৱৰ্ণৰ চাৰ ৱিলিয়াম মৰিছ তেজপুৰলৈ আহোতে তেওঁক লগ ধৰি এই আন্দোলন দমন কৰিবলৈ ব্যৱস্থা লোৱাৰ বাবে দাবী কৰিছিল।

লৰ্ড ৰিডিঙে তেওঁৰ পুতেকলৈ লিখা এখনি চিঠিত এই কথা প্ৰকাশিত হৈছিল :—

“প্ৰথম সাক্ষাতত চাৰে তিনি ঘণ্টা, দ্বিতীয় সাক্ষাতত তিনিঘণ্টা, তৃতীয় সাক্ষাতত দেৰঘণ্টা, চতুৰ্থ সাক্ষাতত দেৰ ঘণ্টা, পঞ্চম সাক্ষাতত দেৰ ঘণ্টা আৰু ষষ্ঠ সাক্ষাতত পোনে এক ঘণ্টা, সৰ্বমুঠ বাৰ ঘণ্টা।

এই সময়ৰ ভিতৰত তেওঁক বিচাৰ কৰিবলৈ মই বহুতো সময় পাইছিলো। দেখাত তেওঁৰ আকৃতিত চকুত লগা একো নাই। বাটত দেখাদেখি হলে মই দ্বিতীয়বাৰ চকু নিদিলোহেঁতেন। কিন্তু যেতিয়া তেওঁ কথা পাতে, তেতিয়া ধাৰণা বেলেগ হয়। তেওঁ পোনপটীয়াকৈ কথা পাতে, অতি উত্তম ইংৰাজী ভাষাত নিজৰ কথা প্ৰকাশ কৰে। যিবিলাক শব্দ তেওঁ ব্যৱহাৰ কৰে, সেই শব্দবিলাকলৈ চাই তেওঁ এজন উত্তম গুণগ্ৰাহী লোক বুলি স্পষ্ট ধাৰণা হয়। কিছুমান ৰাজনৈতিক প্ৰশ্ন এৰি দি তেওঁ যিবোৰ কথা কয়, তাত তেওঁৰ সৰলতা সম্পৰ্কে মোৰ কোনো দ্বিধাবোধ নাই। মই বিশ্বাস কৰো যে ধৰ্ম সম্পৰ্কে তেওঁ যিবিলাক মতবাদ প্ৰকাশ কৰে, সেইবিলাক তেওঁ সৰলভাৱে বিশ্বাস কৰে। এই কথাত তেওঁৰ দৃঢ় বিশ্বাস, সেই বিশ্বাসে অন্ধবিশ্বাসৰ দৰে তেওঁৰ মনক অধিকাৰ কৰি আছে, সেই বিশ্বাস হৈছে অহিংসা আৰু প্ৰেমেই ভাৰতৰ স্বাধীনতা আনি দিব আৰু চৰকাৰক প্ৰতিৰোধ কৰিবলৈ সমৰ্থ হব। ধৰ্ম আৰু নৈতিকতা সম্পৰ্কে তেওঁ যি মত পোষণ কৰে, সেই মত প্ৰশংসনীয় আৰু বাস্তৱিকতে বৰ উচ্চস্তৰৰ। এই কথা স্বীকাৰ কৰিবৰ লাগিব। মন খোলাকৈ আমাৰ কথা-বতৰা হৈছিল। শিষ্ট আচৰণত তেওঁ শ্ৰেষ্ঠ। আমি যিবিলাক বিষয়ত কথা পাতিলোঁ, তেওঁ কোৱা প্ৰতিটো শব্দই তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰে।

উক্ত চিঠিখনত লৰ্ড ৰিডিঙৰ কথা আৰু তেওঁৰ মনৰ ভাৱ স্পষ্ট বুজা যায়। সেইবাবে হিংসাৰ ভাৱ থকাৰ নিৰ্দেশ নাপালে দমন নীতিৰ প্ৰয়োগ কৰিবলৈ তেওঁ গৱৰ্ণমেণ্টক হাক দিছিল। হিংসাত্মক কাৰ্য্যৰ প্ৰেৰণা নাথাকিলে আইনৰ আশ্ৰয় লব নালাগে বুলি নিৰ্দেশ দিয়া হৈছিল।

তেজপুৰৰ বেদেতি বাগানৰ মেনেজাৰ ৰাইট চাহাবে কংগ্ৰেছ কৰ্মী শ্ৰীমোহন চন্দ্ৰ শৰ্মাক বাগানৰ বজাৰত দেখা পাই উত্তপ্ত হৈ তেওঁক অপমান কৰি বজাৰৰ পৰা উলিয়াই দিয়ে। এই কথাত গাঁৱলীয়া ৰাইজে বাগানৰ বজাৰ বৰ্জন কৰাৰ স্থিৰ কৰে আৰু বাগানৰ বাহিৰত গাঁৱলীয়া ঠাইত নতুনকৈ বজাৰ পতাৰ ব্যৱস্থা কৰে। স্বেচ্ছাসেৱক-সকলে বাগিচাৰ বজাৰলৈ যোৱা মানুহক পিকেটিং কৰাত পুলিচ চাহাব আৰু উপায়ুক্ত তালৈ অনুসন্ধানৰ বাবে গৈছিল। যেতিয়া স্বেচ্ছাসেৱক-সকলে হিংসাত্মক একো কাম নকৰালৈ তেওঁলোকে একো আইন প্ৰয়োগ

কৰিব নোৱাৰে বুলি চাহ খেতিয়কে জনোৱাত বাগানৰ মেনেজাৰসকল উত্তেজিত হৈ পৰিছিল। এই সম্পৰ্কে চৰকাৰৰ নপুংসকতাৰ কথা জনাই ষ্টেটছমেন কাকতলৈ তেওঁলোকে চিঠি লিখিছিল।

'লাহে লাহে এটা উত্তপ্ত পৰিবেশ চাহ বাগানৰ খেতিয়কসকলৰ মাজত বাঢ়িবলৈ ধৰিলে। বেদেতিৰ ঘটনাৰ কিছুদিনৰ আগতে তেজপুৰৰ হেলেম বাগানত ফাকুৱাৰ দিনা ছুটী নিদিয়াৰ কাৰণে বনুৱাই ধৰ্মঘট কৰিলে। শেষত ইয়াৰ পৰিণতি হলগৈ মেনেজাৰৰ ওপৰত শাৰীৰিক আক্ৰমণ। এই ঘটনাৰ অন্তৰালত তেজপুৰৰ কংগ্ৰেছকৰ্মীসকলৰ যোগা-যোগ আছে বুলি সন্দেহ কৰি সেই সম্পৰ্কে কৰ্তৃপক্ষই অনুসন্ধান চলায়। কাৰণ এই ঘটনাৰ কেইদিনমান আগতে হেলেমৰ এখন ডাঙৰ ৰাজহুৱা সভাত ৺চন্দ্ৰনাথ শৰ্মাকে আদি কৰি কংগ্ৰেছ কৰ্মীসকলে অসহযোগ আন্দোলনৰ কথা প্ৰচাৰ কৰি ফুৰিছিল। এইদৰে জিঞ্জিয়া, ফুলবাৰী আদি তেজপুৰৰ চাহ বাগিচাত সৰু-সুৰা ঘটনা সংঘটিত হয়।

অসমৰ চাহ বাগিচাবিলাকত কাম কৰিবলৈ অহা বনুৱাসকলৰ সৰহ সংখ্যক লোকেই আছিল জনজাতীয় আৰু পিচপৰা সম্প্ৰদায়ৰ লোক। মহাত্মা গান্ধীয়ে তেখেতৰ ৰাজহুৱা জীৱনৰ আৰম্ভণীৰে পৰা অস্পৃশ্যতা দূৰীকৰণৰ কাৰণে প্ৰচেষ্টা চলাই আহিছিল। অস্পৃশ্যতা হিন্দুধৰ্মৰ এক ডাঙৰ কলঙ্ক বুলি তেখেতে অভিহিত কৰিছিল। অস্পৃশ্য সমাজৰ লোকৰ প্ৰতি এনে উৎপীড়ন, অত্যাচাৰ চলোৱাৰ বাবে লাখ লাখ হিন্দু লোকে মুছলমান আৰু খৃষ্টীয়ান ধৰ্ম গ্ৰহণ কৰি আহিছে আৰু অতীতৰ পৰা আজিও সেই প্ৰথা সমাজত চলি আছে।

১৯৩১ চনত গান্ধীজী জেলৰ পৰা মুক্তি লাভ কৰে আৰু গান্ধী আৰউইন চুক্তি হয়। সেই চুক্তিমতে গান্ধীজীয়ে তেখেতৰ আইন অমান্য আন্দোলন স্থগিত ৰাখে।

অসমত গান্ধীজী

১৯৩৪ চনত দহদিনীয়া কাৰ্য্যসূচী লৈ গান্ধীজীয়ে ব্ৰহ্মপুত্ৰৰ উত্তৰ-দক্ষিণ দুয়োপাৰে ধুবুৰীৰ পৰা তিনিচুকীয়ালৈ কেৱল নগৰতে নহয়, গাঁৱৰো কেন্দ্ৰস্থলবিলাকত আয়োজন কৰা সভা-সমিতি আদিত ভাষণ দিছিল

আৰু হৰিজন সেৱক সংঘৰ কাৰণে পুঁজি সংগ্ৰহ কৰিছিল। বাঙ্গাপাৰা, তেজপুৰ, গোলাঘাট, যোৰহাট, ডিব্ৰুগড়, তিনিচুকীয়া আদি ঠাইৰ ৰাজহুৱা সভাত শ শ বনুৱা বস্তি আৰু ওচৰ-পাজৰে থকা চাহ বাগানৰ শ্ৰমিকসকল গান্ধীজীৰ দৰ্শনৰ কাৰণে আহিছিল। শিৱসাগৰ দিখৌ, মৰাণ, খোৱাং আদি ঠাইতো গান্ধীজীক আদৰণি জনাবৰ কাৰণে যিবোৰ মানুহ গোট খাইছিল তাতো বহুত বস্তিৰ বনুৱা ৰাইজ গান্ধীজীৰ দৰ্শনৰ কাৰণে বৈ আছিল। গান্ধীজীয়েও বনুৱা ৰাইজৰ সমাগম হোৱা সভাবিলাকত বনুৱাসকলৰ মাজত সমাজসেৱা, অস্পৃশ্যতা দূৰীকৰণ আদি কথাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল।

অসমত শ্ৰীশ্ৰীগড়মুৰীয়া সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামীক সভাপতি শ্ৰীদেবেন্দ্ৰ নাথ শৰ্মা আৰু শ্ৰীসোণাৰাম দত্তক সম্পাদক হিচাপে লৈ অসম হৰিজন সেৱক সংঘ স্থাপন কৰা হৈছিল। প্ৰথমতে শিৱসাগৰত ইয়াৰ প্ৰধান কাৰ্য্যালয় আছিল। মহাত্মাজীয়ে বিভিন্ন ঠাইত অসমৰ অস্পৃশ্যতা সমস্যাৰ বিষয়ে কোৱা দুই চাৰিটা কথা তলত উল্লেখ কৰা হ'ল।

গোলোকগঞ্জ

(১) ১১ এপ্ৰিল ১৯৩৪। দিনৰ আঠ বজাত গোলোকগঞ্জৰ পৰা ৰূপসী জমিদাৰৰ কাছাৰীৰ সম্মুখৰ মুকলি ঠাইত ৰাজহুৱা সভাত মহাত্মাই কৈছিল—

"বহুত দিনৰ পিচত মই পুনৰ অসমলৈ আহিবলৈ পাই আনন্দ পাইছো। এইবাৰ মই অহাৰ উদ্দেশ্য হৈছে হৰিজনসকলৰ উন্নতিৰ বাবে আন্দোলন। মোক ইয়াৰ মানুহে কৈছে যে অসম আৰু বঙ্গদেশত অস্পৃশ্যতা বেছি নাই। কিন্তু এই কথা সম্পূৰ্ণ সত্য বুলি মই নাভাবো। কাৰণ আমি যেতিয়াই এজন মানুহক অন্য এজনৰ পৰা পৃথক কৰো তেতিয়াই অস্পৃশ্যতাৰ দোষত দোষী হওঁ। আমি তলশ্ৰেণী, ওপৰ শ্ৰেণীৰ পাৰ্থক্য কৰোঁ। অসমতো এনেকুৱা পাৰ্থক্য থকাটো নিশ্চিত। ভাৰতৰ আন আন অঞ্চলত এনে পাৰ্থক্যৰ বলিসকলৰ মনলৈ যি তীব্ৰ অনুভূতি আহে, ইয়াতো তেনে বিধৰ অনুভূতি তেওঁলোকৰ মনলৈ নহাটো নহয়। আপোনালোকে কৈৱৰ্ত, ডাঙ্গী (মেতৰ), চমাৰ আদিক ঘিণায়,

এওঁলোক আন প্ৰদেশৰ পৰা ইয়ালৈ আহিছে, এওঁলোক অতি তলশ্ৰেণীৰ লোক বুলি আপোনালোকে নাভাবে জানো ? এজনে আনজনক ঘিণ কৰাটো জানো অস্পৃশ্যতা নহয় ?

বৰপেটা

(২) মানুহক এইদৰে অৱমাননা কৰাটো হিন্দু ধৰ্মৰ শিক্ষা নহয়। অস্পৃশ্যতা থাকিলে হিন্দুধৰ্ম জীয়াই থাকিব নোৱাৰে। আনকি ভাৰতবৰ্ষও জীয়াই নাথাকে।

হিন্দুৰ অন্তৰৰ পৰা অস্পৃশ্যতা পুলিয়ে পোখাই উভালি পেলাব পাৰিলে হিন্দুধৰ্মই বিশ্বক এটা নতুন পথ দিব পাৰিব। এইটো মই অতিৰঞ্জিত কৰি কোৱা কথা নহয়। সত্যক ভগৱান বুলি গ্ৰহণ কৰা এইটো অন্তৰৰ বিশ্বাস। মই অস্পৃশ্যতা নিবাৰণ আন্দোলন চলোৱাৰ উদ্দেশ্য স্পষ্ট। প্ৰত্যেকজন হিন্দুৱে যে অস্পৃশ্য বুলি জনাজাত সকলক ছুব লাগিব সেইটো মই কোৱা নাই। কিন্তু মই প্ৰত্যেকজন তথাকথিত উচ্চ হিন্দুৰ অন্তৰৰ পৰা অস্পৃশ্য সকললৈ থকা ঘৃণাৰ ভাব গুচাই পেলোৱাটো বিচাৰো।

সামূহিক ভোজন আৰু অসবৰ্ণ বিবাহ বাধ্যতামূলক কৰাটো মই বিচৰা নাই। মই অন্য এজনৰ লগত একেলগে নাখাব পাৰো, কিন্তু খালে অশুচি হয়, এনে ভাৱনা থকাটো নিবিচাৰো। গোড়া হিন্দু এজনক খোৱা বোৱা আৰু বিয়া-বাৰুৰ ক্ষেত্ৰত একাকাৰ হবলৈ মই কোৱা নাই। তেওঁৰ অন্তৰৰ পৰা অস্পৃশ্যতাৰ ভাব আঁতৰাই অস্পৃশ্য সকলো লোককে মানুহ বুলি জ্ঞান কৰিবলৈ কোৱা হৈছে। অস্পৃশ্যতা এটা পুৰণি প্ৰথা, এইটো মই স্বীকাৰ কৰো। হিন্দুধৰ্মৰ মাজত এনে বহুতো কথা সোমাই আছে, কাৰণ ই প্ৰাক ঐতিহাসিক যুগৰ পৰা চলি অহা ধৰ্ম। বৰ্তমান হিন্দুধৰ্ম যিদৰে চলিছে আৰু যিবোৰ ঘটনা হব ধৰিছে তাৰবাবে হিন্দুধৰ্মৰ মত অন্য ধৰ্মত পৰিণত হোৱা লক্ষণ দেখা গৈছে। মই এইটো নিবিচাৰো, হিন্দুধৰ্ম জীৱন্ত ধৰ্মত পৰিণত হওক আৰু পৃথিৱীৰ আন আন ধৰ্মৰ লগত সমানে থিয় দি জীয়াই থাকক।

১২ এপ্ৰিল তেজপুৰ,

(৩) তেজপুৰৰ কাৰ্য্যক্ৰমৰ ভিতৰত মিউনিচিপালিটিৰ ডাঙ্গীসকলৰ ঘৰ চোৱাও আছিল। মহাত্মাই তাত থকা জামাদাৰসকলৰ ঘৰবোৰ ভালকৈ পৰিদৰ্শন কৰিলে। অন্য মানুহৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে এই কৰ্মীসকলে পৰিশ্ৰম কৰে। কিন্তু তেওঁলোকৰ নিজৰ থকা-মেলা, খোৱা পানীৰ ব্যৱস্থালৈ চকু নিদিয়ে। সেইবাবে গান্ধীজীয়ে তেওঁলোকৰ ব্যৱস্থা চাই কলে--'এইসকল লোকে সমাজৰ সেৱা কৰে, তথাপিও সমাজে এওঁলোকক ঘিণ কৰে। মাকে কেচুৱাৰ পাইখানা চাফ নকৰেনে? এওঁলোকেও সমাজক মাকৰ দৰে সেৱা কৰা নাইনে? এওঁলোকহে ঈশ্বৰৰ প্ৰেৰিত প্ৰকৃত লোক। মোক দুটা কথাই অনবৰত বৰ দুখ দি থাকে। এটা হৈছে ভাৰতৰ অজ্ঞতা আৰু দৰিদ্ৰতা আৰু আনটো হৈছে ভাৰতৰ উচ্চ শ্ৰেণীৰ মানুহৰ তলত পৰি থকা লোকসকলৰ প্ৰতি অৱহেলা। আমি এটা মহান ধৰ্মৰ অধিকাৰী, তথাপিও আমি এইটো এটা ডাঙৰ অপৰাধ কৰিছো। এইটো হিন্দুধৰ্মৰ ডাঙৰ কলঙ্ক। ভগৱানৰ কি নিয়মেৰে আমাক পৰিচালনা কৰে আমি নুবুজো, ভগৱানৰ এনে কাৰ্য্য-নীতিত মোৰ অগাধ বিশ্বাস নথকা হলে, মানুহৰ দুখত দুখ পোৱা মোৰ দৰে লোক এজন বলিয়া হৈ গলহেঁতেন।

মহাত্মা গান্ধীয়ে এই কৰ্মীসকলৰ অৰ্থনৈতিক অৱস্থা, তেওঁলোকৰ ঋণৰ বোজাৰ পৰিমাণ আৰু তেওঁলোকৰ কুঅভ্যাসবোৰ আঁতৰাবলৈ মিউনিচিপালিটিৰ কৰ্মীসকলৰ লগত আলোচনা কৰিছিল।

(৪) ৰঙ্গাপাৰা

তেজপুৰ আৰু ৰঙ্গাপাৰাৰ ৰাজহুৱা সভালৈ গান্ধীজীৰ দৰ্শনৰ কাৰণে বহুতো বস্তি আৰু বাগানৰ চাহ বনুৱা আহিছিল। তেওঁলোকক অসমত অস্পৃশ্য বুলি মন্দিৰ নামঘৰত সোমাবলৈ নিদিয়া প্ৰথাবোৰ দূৰ কৰি, তেওঁলোকৰ আৰ্থিক, সামাজিক আৰু নৈতিক অৱস্থাৰ উন্নতি সাধন কৰি তেওঁলোককো অসমীয়া সমাজৰ ভিতৰ কৰি লবলৈ গান্ধীজীয়ে পৰামৰ্শ আগবঢ়াইছিল।

১৩ এপ্ৰিল, গুৱাহাটী

(৫) ১৯৩২ চনৰ চেপ্টেম্বৰ মাহত মহাত্মাই এৰবাদা জেলত যি অনশন কৰিছিল, সেই সম্পৰ্কে উল্লেখ কৰি তেখেতে কৈছিল—ইয়াত মোৰ কোনো ৰাজনৈতিক উদ্দেশ্য নাছিল। বিলাতৰ ঘূৰণীয়া মেজমেলত তথাকথিত সম্প্ৰদায়বিলাকক অস্পৃশ্য বুলি সাধাৰণ হিন্দু সমাজৰ পৰা ফালি নি নিৰ্বাচনৰ ক্ষেত্ৰত তেওঁলোকৰ বাবে সুকীয়া সমষ্টি সৃষ্টি কৰাৰ চেষ্টাত মৃত্যুৰ পণ কৰি হলেও বাধা দিম বুলি যি ঘোষণা কৰিছিলো, ই তাৰেই পৰিণতি। ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ বাবে সুকীয়া সমষ্টিৰ সৃষ্টি কৰিলেই এই সমস্যা সমাধান নহয়। ই হৈছে এটা সামাজিক অপৰাধ। এই কথাষাৰ সমাজৰ ফালৰ পৰাহে সমাধান কৰিব লাগিব। হৰিজনসকলক আটাইবোৰ আসন দিলেও হিন্দুধৰ্ম আৰু হিন্দুসমাজৰ একো ক্ষতি নহয়। প্ৰধানমন্ত্ৰী মেকডনাল্ডে দিয়া সাম্প্ৰদায়িক সমাধানৰ সূত্ৰমতে অনুসূচীত জাতি সমূহৰ ভাগৰ পৰা আসনৰ সংখ্যা এৰবাদা চুক্তিতকৈও সৰহ হ'ল। বঙ্গদেশৰ কিছুমানে ইয়াত আপত্তি কৰিছিল। বঙ্গদেশত হিন্দু-মুছলমান সমস্যাৰ লগতে এই সমস্যাতো তেওঁলোকে অনুসূচীত সম্প্ৰদায়ক সৰহ আসন দিবলগীয়া হৈছে। কিন্তু মই ভাবো অনুসূচিত সম্প্ৰদায়বিলাকক সকলো আসন এৰি দিলেও সমগ্ৰ হিন্দু সমাজ আৰু হিন্দু ধৰ্মৰ একো ক্ষতি নহয়।

"ৰাহুৱে যিদৰে চন্দ্ৰক গ্ৰাস কৰে, সেইদৰে অস্পৃশ্যতাৰ মহা পাপেও হিন্দুধৰ্মক গ্ৰাস কৰিছে। এই পাপ গুচাব লাগিব। কিয় গুচাব লাগিব তাকেই মই কব খুজিছো। জন্মৰ বাবে কিছুমান লোক সৰু, কিছুমান লোক ডাঙৰ এই ভাৱনা মনলৈ অনাটো পাপ। এই কথাষাৰ আমাৰ ধৰ্মই সমৰ্থন নকৰে। কিয়নো আমাৰ ধৰ্ম মানৱ ধৰ্ম। এই অস্পৃশ্যতা ভাৱনাৰ কাৰণেই আমি আজি তলত পৰি আছো। আমি সকলোৱেই ভগৱানৰ সন্তান। পিতৃৰ চকুত সকলো সন্তানেই সমান। ভগৱানে কেতিয়াও ইজন ডাঙৰ, সিজন সৰু বুলি নধৰে। মানুহে মানুহক ঘিণ কৰাটো অন্যায় আৰু মহাপাপ। সকলো লোকক সমানভাৱে দেখাটোৱে মোৰ আন্দোলনৰ উদ্দেশ্য। সমাজত আন্তৰ্জাতিক ভোজন আৰু আন্তৰ্জাতিক বিবাহ প্ৰচলন কৰাটো মোৰ উদ্দেশ্য নহয়—অন্তৰ শুদ্ধি

কৰি সকলো লোকক সমান দৃষ্টিৰে চোৱাটোৱে মোৰ লক্ষ্য। ব্ৰাহ্মণ, শূদ্ৰ, মেতৰ, মুচী সকলো ভগৱানৰ চকুত সমান। তেন্তে মেতৰক কিয় ঘিণ কৰা হয়? মাকেজানো সন্তান প্ৰতিপাল কৰোতে মেতৰৰ কাম কৰিবলগীয়া নহয়? তেন্তে সমাজক যি পৰিচৰ্য্যা কৰে তালৈ ঘিণ কৰাটো জানো উচিত?"

১৪ এপ্ৰিল, নগাওঁ

(৬) অস্পৃশ্য লোকসকলৰ ধৰ্মান্তৰ হোৱা সম্পৰ্কে বহুতো কথা সেই সময়ত ওলাইছিল। ডাঃ আম্বেদকাৰে এটা যুক্তি দিছিল যে খৃষ্টিয়ান মিচনাৰীসকলৰ কল্যাণকামী চেষ্টাৰ ফলত অনুসূচীত জাতিৰ বহুতো লোকে খৃষ্টিয়ান ধৰ্ম গ্ৰহণ কৰিবলৈ আগবাঢ়ি গৈছে। ধৰ্মান্তৰ হোৱাৰ পিচত সমাজে তেওঁলোকক ঘিণ নকৰে আৰু অৱহেলাৰ দৃষ্টিৰেও নাচায়। ডাঃ আম্বেদকাৰৰ এই কথাৰ সমালোচনা কৰি মহাত্মাই কয়—"আধ্যাত্মিকতাৰ ফালৰ পৰা ধৰ্মান্তৰ হলে মোৰ কবলগীয়া একো নাই। কিন্তু প্ৰশ্নটো সংখ্যাধিক্যৰ দৃষ্টিভঙ্গীৰে চোৱা বাবে মই দুখ পাইছো। যীশুখৃষ্ট, হজৰত মহম্মদ, গুৰু নানক আদি ধৰ্মগুৰু সকলৰ কথা বুজিবলৈ যত্ন নকৰি অৰ্থনৈতিক প্ৰলোভনত পৰি কিছুমান মানুহ ধৰ্মান্তৰ হোৱাটোত মই বেজাৰ পাওঁ।"

পিচ পৰা সম্প্ৰদায়ৰ মাজত গান্ধীজী :

(৭) নগাঁৱত বহুতো পিচপৰা সম্প্ৰদায়ৰ লোকে নিজ নিজ সম্প্ৰদায়ৰ দুখৰ কথা মহাত্মাক জনালে—"আমি মাটিৰ চক কৰো, এইটোৱে আমাৰ ব্যৱসায়। আমি কৰা চক আৰু অন্যান্য মাটিৰ বাচন-বৰ্তন সকলোৱে ব্যৱহাৰ কৰে। বিয়া-সবাহ সকলো কামকাজতে লগা বাচন বৰ্তন আমি সাজি দিওঁ, কিন্তু উচ্চবৰ্ণৰ লোকসকলে আমাক কিয় ঘিণ কৰে।" হীৰা সম্প্ৰদায়ৰ মানুহে এই কথা গান্ধীজীক জনায়।

ইয়াৰ পিচত আবেলি পৰত মহাত্মা গান্ধী ৰাজহুৱা সভালৈ গ'ল। নগাঁও ৰাইজৰ পৰা মহাত্মা গান্ধীক এটি ৫০০'০০ (পাঁচশ টকা) মান ধনৰ মোনাৰে এখনি মানপত্ৰ আগবঢ়োৱা হৈছিল। নগাওঁৰ ৰাজহুৱা সভাত

মহাত্মাই কৈছিল—যি ঠাইত মহাপুৰুষ শঙ্কৰদেৱে জন্মগ্ৰহণ কৰিছিল, সেই ঠাইত অস্পৃশ্যতাৰ ভাব এতিয়ালৈকে জীয়াই থাকিবলৈ দিয়াটো মহা কলঙ্কৰ কথা। এই কলঙ্ক গুচাবলৈ হাড়ে-হিমজুৱে যত্ন কৰা উচিত।

অসমৰ অস্পৃশ্যতা কানি :

"অসমত অস্পৃশ্য কি?" বুলি প্ৰশ্ন কৰি মহাত্মাই কয়—"অসমত অস্পৃশ্য হৈছে বৰবিহ কানি। এই মহাবিহকহে অসমীয়াই অস্পৃশ্য বুলি ধৰি, এই কানি বৰবিহৰ পৰা আঁতৰত থকা উচিত। কানি খোৱা বাবেই অসমীয়া আজি এলেহুৱা। কানিৰ বাবে অসমীয়া জাতিৰ বদনাম গোটেই ভাৰতত ফুটি ফাটি ওলাইছে। প্ৰত্যেক অসমীয়াই এই বদনাম গুচাবলৈ যত্ন কৰা উচিত। যিসকলে কানি নাখায় তেওঁলোকে কানীয়া ভাইসকলক কানি এৰুৱাবলৈ যত্ন কৰা উচিত। কানীয়াইও মন স্থিৰ কৰি আৰু দৃঢ় প্ৰতিজ্ঞা লৈ এই বৰবিহ কানি এৰা উচিত।"

১৫ এপ্ৰিল, গোলাঘাট :

(৮) ইয়াতো মহাত্মাই কলে—"আপোনালোকে জানে, আমি কিয় খাদীৰ কাম হাতত লৈছো। আমাৰ উদ্দেশ্য গাওঁবিলাকক পুনৰ সঞ্জীবিত কৰা। আজি বহুতো লোকে কেৱল ৰাজনৈতিক উদ্দেশ্য পূৰণৰ বাবে খাদী ব্যৱহাৰ কৰাত লাগিছে। তেওঁলোকৰ ভাব যেন তেওঁলোকে আন একো কৰিব নালাগে। আজি গাঁৱৰ পৰা গাঁৱলীয়া উদ্যোগবোৰ উঠি যাবলৈ ধৰিছে। ফলস্বৰূপে গাঁৱলীয়া খেতিয়কসকল কেৱল কেচামাল উৎপাদনকাৰীত পৰিণত হৈছে। ইয়াতেই গাওঁবিলাকৰ শোষণ আৰম্ভ হৈছে।"

ইয়াৰ পিছত কিছুমান বাগিচাৰ বনুৱা, নগা, মিকিৰ আদি অনুসূচীত আৰু জনজাতিৰ লোকৰ লগত গান্ধীজীৰ কথাবাৰ্তা চলে। তাৰ পিছত গোলাঘাট খেলপথাৰত বহা ৰাজহুৱা সভাত অভিনন্দন পত্ৰৰে সৈতে তেওঁক এহেজাৰ টকাৰ মোনা এটা উপহাৰ দিয়া হয়।

যোৰহাট :

(৯) মহাত্মাই অস্পৃশ্যতাৰ কথা বুজাই কওঁতে চাহ বাগিচাৰ পৰা ওলাই অহা বনুৱা সকলৰ সম্পৰ্কেও কলে—

"অসমত অসমীয়া এলেহুৱা আৰু উদ্যমবিহীন হোৱা বাবেই ইয়াত জীৱিকা উপাৰ্জন কৰিবলৈ অসমলৈ আন আন প্ৰদেশৰ পৰা লাখ লাখ মানুহ আহিছে। চাহ বাগিচাত কাম কৰিবলৈ অনা কিছু সংখ্যক বনুৱাই চাহ বাগিচাৰ পৰা ওলাই গৈ অসমত মাটিবাৰী লৈ বসবাস কৰি আহিছে। এইসকল লোক বৰ পৰিশ্ৰমী। পৰিশ্ৰম কৰি তেওঁলোকে ইয়াত ধন ঘটিছে। তেওঁলোকক এতিয়া 'বঙাল-কুলি' বুলি ঘিণোৱা শিক্ষিত সমাজৰ পক্ষে উচিত নহয়। এওঁলোকেই হৈছে হৰিজন। এই হৰিজনসকলৰ উন্নতিৰ বাবে কৰ্মক্ষেত্ৰত নমাটো প্ৰত্যেক শিক্ষিত অসমীয়াৰে কৰ্তব্য। অসমীয়াই তেওঁলোকক ঘিণাই আঁতৰত পেলাই অসমৰ পক্ষে বোজাস্বৰূপ কৰিব পাৰে আৰু নহলে এওঁলোকক সমাজত সুমুৱাই লৈ নিজৰ সম্পদ বৃদ্ধি কৰিব পাৰে সেইবাবে শিক্ষিত অসমীয়া ডেকাই এওঁলোকৰ গাঁৱত সোমাই তেওঁলোকক শিক্ষাৰ পোহৰ দেখুৱাই আগবঢ়াই নিয়াটো উচিত।"

১৯ এপ্ৰিল, ডিব্ৰুগড়ত চাহ বনুৱা সমস্যাৰ আলোচনা (১)

(১০) ঊনৈশ তাৰিখে পুৱা শিৱসাগৰলৈ যাওনা হোৱাৰ আগতে শিৱসাগৰৰ কৰ্মী সোণাৰাম দত্তই আৰু কেবাজনো কৰ্মীৰ সৈতে আহি যোৰহাটত মহাত্মাজীক লগ ধৰে আৰু চাহ বাগিচাৰ পৰা ওলাই অহা বনুৱাসকলৰ মাজত কাম কৰা সম্পৰ্কে তেওঁৰ লগত আলোচনা কৰে। এইসকল লোকৰ মাজত কাম কৰিবলৈ শিক্ষিত অসমীয়া ডেকা তেওঁলোকৰ মাজত আশ্ৰম পাতি বহি সৰ্বাঙ্গীন উন্নতিৰ বাটত আগবঢ়াই নিবলৈ যত্ন কৰিব লাগে—এয়ে মহাত্মাজীৰ পৰামৰ্শ আছিল।

(১১) চাহ বনুৱা সমস্যাৰ আলোচনা (২)

ডিব্ৰুগড়ৰ কৰ্মীসকলৰ লগতো তেওঁ চাহ বাগিচাৰ বনুৱা সমস্যা আৰু বাগিচাৰ পৰা ওলাই আহি গাঁৱত বসতি কৰি থকা বনুৱাৰ সমস্যাৰ

আলোচনা কৰিছিল। মৰাণ, তিনিচুকীয়া আদি ঠাইৰ পৰা এওঁলোকৰ দুজনমান লোকো লক্ষেশ্বৰ বৰুৱাৰ সৈতে আহি এই আলোচনাত যোগ দিছিল। মহাত্মাৰ পৰামৰ্শ আছিল—এইসকল লোকৰ মাজত শিক্ষিত অসমীয়াই আশ্ৰম পাতি পিচপৰি থকা মানুহখিনিক সকলো বিষয়তে আগবঢ়াই নিবলৈ যত্ন কৰিব লাগে।

২০ এপ্ৰিল, তিনিচুকীয়া :

(১২) বিশ তাৰিখে ৰাতিপুৱা সাত বজাত মহাত্মা গান্ধী তিনিচুকীয়ালৈ ৰাওনা হ'ল। ডিব্ৰুগড় নগৰ এৰি অহাৰ পিছতে চাহ বাগিচাবিলাক পোৱাত আৰু দলে দলে বনুৱা মুনিহ তিৰোতা কামলৈ ওলোৱা দেখা পাই গান্ধীজীয়ে একান্তমনে আহিব ধৰা দৃশ্য চাই পৰম তৃপ্তি লাভ কৰিছিল। মটৰ গাড়ীৰ 'হুড' খুলি থোৱা হৈছিল, অস্পৃশ্য বনুৱাসকলে গাড়ীত কোন গৈছিল চিনিব পৰা নাছিল।

(১৩) তিনিচুকীয়া ময়দানত গান্ধীজী :

তিনিচুকীয়াৰ গান্ধী ময়দানত এখন বিৰাট ৰাজহুৱা সভা বহিছিল। ইয়াত উপস্থিতি সকলো ঠাইতকৈ বেছি আছিল। ডিব্ৰুগড়-শদিয়া ৰেলৰ ৰেলৰ সুবিধা থকাত মাৰ্ঘেৰিটা, ডিগবৈ, মাকুম, ডুমডুমা, চৈখোৱাকে আদি কৰি সকলো ঠাইৰ পৰা ৰাইজ আৰু বহুতো বস্তি আৰু চাহ বাগানৰ শ্ৰমিকে এই সভাত যোগদান কৰিছিল। অভিভাষণৰ উত্তৰত তাত গান্ধীজীয়ে অস্পৃশ্যতা, চাহ বনুৱাৰ সমস্যা, কানি বৰ্জনৰ সমস্যা ইত্যাদিৰ বিষয়ে কৈছিল।

(১৪) গান্ধীজীয়ে অসমলৈ এই বাণী দি গ'ল :

গান্ধীজী একৈশ তাৰিখে তিনিচুকীয়াত ৰেলত উঠিল। য'ত য'ত ৰেল ৰৈছিল তাত অসংখ্য জনতা ৰৈ আছিল গান্ধীজীৰ দৰ্শনৰ কাৰণে। এইদৰে ৰেল আহি গুৱাহাটী পালেহি। গুৱাহাটী ষ্টেচনতো অগণন জনতা ৰৈ আছিল গান্ধীজীৰ দৰ্শনৰ কাৰণে। পাচত পাণ্ডু আমিনগাওঁ ৰেলত উঠি গান্ধীজীয়ে অসম এৰিলে।

এই কেইদিনৰ অসম ভ্ৰমণত মহাত্মাই হৰিজনসকলৰ বাবে প্ৰায় কুৰি হাজাৰ টকা সংগ্ৰহ কৰা বুলি হিচাবত ওলাল। পাণ্ডুৰ ৰেলৰে প্লেটফৰ্মত দৰ্শনপ্ৰাৰ্থী জনতালৈ মহাত্মাৰ এয়েই বিদায় বাণী আছিল—

"আজি অসম এৰিবৰ সময়ত মই কওঁ অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য ইমান মনোৰম যে মই ইয়াৰ পৰা চকু আঁতৰাই নিবলৈ টান পাইছো। মহাবাহু ব্ৰহ্মপুত্ৰ নদ অসমৰ বুকুৰ ওপৰেদি বৈ যোৱাত আৰু সময়মতে যথেষ্ট বৰষুণ হোৱা বাবে অসমখন সোণৰ খনি হৈ আছে। কিন্তু এই সোণ উলিয়াবলৈ অসমীয়াক লাগে উদ্যম, অসমীয়াক লাগে উদ্যোগ আৰু অসমীয়াক লাগে শ্ৰম আৰু বেপাৰ। সমাজৰ প্ৰত্যেক অঙ্গই যদি ঠিক-মতে কাম কৰে, তেন্তে অসম দেশখন দেখাত যিদৰে ধুনীয়া সেইদৰে এখন সমৃদ্ধিশালী অসম গঢ়ি উঠিব। অসমীয়াৰ ওচৰত মোৰ এয়ে শেষ অনুৰোধ।"

লিখকজনে নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা লিখা বহুখিনি কথাত মই একমত হব পাৰো। কিন্তু এই 'কুলী' শব্দটো ভুল অৰ্থব্যঞ্জক। ই আমাক দক্ষিণ আফ্ৰিকাৰ কথা মনত পেলাই দিয়ে। মজদুৰ নাইবা মাল কঢ়িওৱা বনুৱাক বুজাই দক্ষিণ আফ্ৰিকাত এই শব্দটোৰে ভাৰতীয় লোক মাত্ৰকে বুজোৱা হৈছিল আৰু এই শব্দটো নিন্দাসূচক অৰ্থত প্ৰয়োগ হৈছিল। এজন ভাৰতীয় বেপাৰী, বেৰিষ্টাৰ নাইবা ডাক্তৰকো কুলী বেপাৰী, কুলী বেৰিষ্টাৰ, নতুবা কুলী ডাক্তৰ বোলা হৈছিল। এইদৰে অসমতো যিবিলাকে বাগিচাৰ কাম কৰিবলৈ গৈছিল, পাৰ্মিটৰ ম্যাদ উকলি যোৱাৰ পিছতো যদিও তেওঁলোকে এতিয়া বাগানৰ বনুৱা হিচাবে কাম নকৰে, তেওঁলোককো 'কুলী' বোলা হয়। কিন্তু পৰিশ্ৰমী হোৱা গতিকে অসমত তেওঁলোকৰ সংখ্যা বাঢ়িব ধৰিছে। তথাপিও তেওঁ-লোক সমাজৰ পৰা আঁতৰি আছে আৰু স্থানীয় সমাজেও তেওঁলোকক নিজৰ মাজত সুমুৱাই লব পৰা নাই।

কিন্তু এই কথা আমি মনত ৰখা উচিত যে বহুদিনৰ পৰা বাস কৰি অহা এই মানুহখিনিক আমি খেদাই পঠাব নোৱাৰো। সকলো প্ৰকাৰে অবহেলিত হৈ তেওঁলোক দেশৰ অৰ্থনৈতিক জীৱনৰ বাবে সম্পদ নহৈ বোজা স্বৰূপ হৈছে। এইসকল লোকক যদি উচিতমতে তত্ত্বাৱধান

লোৱা হয়, তেন্তে তেওঁলোক সমাজৰ বোজা নহয়, প্ৰথম শ্ৰেণীৰ সম্পদহে হব। অসমৰ শিক্ষিত শ্ৰেণীয়ে এইসকল লোকৰ সমস্যা বুজিবলৈ যত্ন কৰাটো আৰু সকলোৰে মঙ্গলৰ কাৰণে এই সমস্যা সমাধান কৰাটো প্ৰয়োজন। এই কাম কৰিবলৈ ধনতকৈ বুদ্ধি আৰু পৰিশ্ৰমৰ অধিক প্ৰয়োজন।

গান্ধীজী কিন্তু এই ক্ষেত্ৰত বৰ সতৰ্ক আৰু কঠিন হৃদয়ৰ আছিল। তেখেতে ৰাজহুৱা অনুষ্ঠানৰ হিচাব তন্ন তন্নকৈ বিচাৰ কৰিছিল। ৰাজহুৱা অনুষ্ঠানৰ এক পইচাৰ হিচাবৰ পৰাও তেওঁ কাকো বাদ নিদিছিল। এবাৰ তেখেতৰ নিজৰ পত্নী কস্তুৰবাৰ অলপ সামান্য হিচাবৰ ব্যতিক্ৰমৰ কাৰণে ক্ৰোধান্বিত হৈ ঘৰৰ পৰা উলিয়াই দিছিল। কিন্তু আজি সেই ৰামো নাই, সেই অযোধ্যাও নাই।

আনহাতে অসমৰ চাহখেতিয়ক সম্প্ৰদায়ে লৰ্ড কাৰ্জন চাহাব অসমলৈ আহোঁতে বঙ্গদেশৰ চট্টগ্ৰাম ডিভিজনটো অসমৰ লগত জাপি দিবলৈ অনুৰোধ কৰিছিল। কাৰণ তেতিয়া অসমৰ চাহ চট্টগ্ৰামৰ বন্দৰেদি পঠিওৱাৰ সুবিধা হব, চাহ পঠোৱা খৰচ আৰু চাহৰ দামো কমিব। তদুপৰি অসমৰ চাহ, তেল, কয়লা, বনজ সম্পদৰ উন্নয়ন আৰু ধান-চাউল আদি খাদ্যবস্তু আমদানি কৰাত বহুতো সুবিধা হব আৰু খৰচো কমিব। এনে দৃষ্টিকোণৰ ফালৰ পৰা চাহ খেতিয়কসকলে বঙ্গ বিচ্ছেদৰ পূৰ্ণ সমৰ্থন জনাইছিল। তেওঁলোকৰ এইটোও দাবী আছিল যাতে অসমৰ নামটো বিলুপ্ত কৰা নহয়। তেওঁলোকে এইটো যুক্তি দেখুৱাইছিল যে আন্তৰ্জাতিক চাহ বজাৰত অসমৰ চাহৰ নামটো বিখ্যাত হৈ পৰিছিল আৰু ই গোটেই পৃথিবীতে সুনাম অৰ্জন কৰিছিল। গতিকে অসমৰ নাম থকাটো অতি প্ৰয়োজন। গতিকে ইষ্টাৰ্ণ ইণ্ডিয়াৰ ঠাইত পূৰ্ববঙ্গ আৰু অসম এই নতুন প্ৰদেশৰ নামকৰণ হয়।

ভাৰত জুৰি প্ৰতিবাদ সত্ত্বেও ভাৰত চৰকাৰে ১৯০৫ চনত বঙ্গ বিচ্ছেদ কৰে। সেইবাৰে বঙ্গদেশত বিপ্লবী আন্দোলন সতেজ আৰু সক্ৰিয় হৈ উঠে। এই বঙ্গ বিচ্ছেদ পূৰ্ববঙ্গৰ ৯০ জন মুছলমানেই সমৰ্থন কৰিছিল। কিয়নো এই বিভাজনৰ ফলত হোৱা প্ৰদেশত তেওঁলোক সংখ্যাগৰিষ্ঠ হব। শাসন কাৰ্য্য, চাকৰি, শিক্ষা, সামাজিক

উন্নয়ন আদিত তেওঁলোকে প্ৰধান্য লাভ কৰিব আৰু কলিকতীয়া হিন্দু প্ৰভাৱৰ পৰা মুক্ত হব।

অসমৰ নামটো ৰল। আনফালে শালকাটি ঘৰিয়াল চপাই অনা হ'ল। এই বঙ্গ বিচ্ছেদ সম্পৰ্কে বিশেষকৈ চিঠিপত্ৰ আৰু দলিল আদিৰ পৰা জনামতে দুটা কথা দেখা যায়।

(১) প্ৰধানতঃ "To split up and there by weaken a solid body of opponents to our rule."

(২) দ্বিতীয়তে পূৰ্ববঙ্গৰ লগত অসমক সাঙুৰি দিয়াৰ উদ্দেশ্য প্ৰকাশ্যভাবেই সেইসময়ৰ বঙ্গৰ গৃহবিভাগৰ সচিবে কৈছিল—"পূৰ্ববঙ্গৰ ঘন বসতি অঞ্চলৰ পৰা অসমলৈ মানুহ ঠেলি দিব লাগিব।" প্ৰথম লেফটানেন্ট গৱৰ্ণৰ ফুলাৰে প্ৰকাশ্যে ঘোষণা কৰিলে: "That the Muslims would be the favoured community of the new province".

কলিকতাক কেন্দ্ৰ কৰি ভাৰতত নৱজাগৰণ আৰু জাতীয়তা ভাবৰ উদ্ৰেক হৈছিল। বিপ্লৱী উগ্ৰপন্থীৰ মূলকেন্দ্ৰ কলিকতা আৰু বঙালী হিন্দু আৰু বাবুসকলৰ ৰাজনৈতিক শাসন কাৰ্য্যত গঢ়ি উঠা প্ৰভাৱ দুৰ্বল কৰিবৰ কাৰণে বঙ্গ বিচ্ছেদ কৰি পশ্চিম বঙ্গত বিহাৰ, উৰিষ্যা, আদি দি বঙ্গালী হিন্দুক সংখ্যালঘিষ্ঠ কৰা আৰু পূৰ্ববঙ্গ আৰু অসম প্ৰদেশত মুছলমান গৰিষ্ঠ কৰি বঙ্গালী হিন্দুৰ গঢ়ি উঠা ৰাজনৈতিক প্ৰভাৱ খৰ্ব কৰাই আছিল চৰকাৰৰ উদ্দেশ্য। ইতিমধ্যে বিভিন্ন সূত্ৰৰ দ্বাৰা পূৰ্ববঙ্গৰ পৰা মুছলমান লোক অসম প্ৰদেশৰ ব্ৰহ্মপুত্ৰ উপত্যকালৈ আমদানি কৰা হয়। সেইবাবে পমুৱাসকলক অসমলৈ অহাৰ সকলো ধৰণৰ সা-সুবিধা কৰি দিছিল মুছলিম লীগৰ ফালৰ পৰা।

৺মাণিক চন্দ্ৰ বৰুৱাই তেখেতৰ ১৯১৫ চনৰ ১৩ মাৰ্চত অসম কাউন্সিলৰ সভাৰ বক্তৃতাত উল্লেখ কৰে যে কেবাবছৰো ধৰি অসমলৈ পূব বঙ্গৰ পৰা মুছলমান পমুৱা লোকৰ সোঁত অবাধে বৰ ধৰিছে। কিন্তু অবাঞ্চিত লোকে অসমীয়ালোকৰ মাজত ভয়, ত্ৰাস আৰু আতঙ্কৰ সৃষ্টি কৰিছে। গতিকে খলুৱা মানুহক এনে ধৰণৰ জুলুম আৰু অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ চৰকাৰলৈ নিবেদন জনায়।

কিন্তু তেখেতৰ বক্তব্য অৰণ্যত ৰোদনৰ দৰে হ'ল। ১৯২১ চনৰ পিয়লমতে গোৱালপাৰাত ১,৪১,০০০ (এক লাখ এক চল্লিশ হাজাৰ) আৰু বৰপেটা, নগাওঁ আদিত ১,১৭,০০০ (এক লাখ সোতৰ হেজাৰ) পূৰ্ববঙ্গৰ পমুৱা আহি সোমালহি।

গোৱালপাৰা জিলা এসময়ত ঘন বসতি অঞ্চল আছিল। গৃহযুদ্ধ আৰু বিশেষকৈ মানৰ আক্ৰমণৰ সময়ত বহুতো হেজাৰ লোক উজনি অসমৰ পৰা গৈ গোৱালপাৰাত বসতি কৰে। ১৮৮৩ চনত ব্যাপকভাৱে হোৱা কলাজ্বৰৰ আবিৰ্ভাৱত গোৱালপাৰা জিলাৰ শতকৰা ২৪ জন লোক মৃত্যুৰ মুখত পৰে। ১৮৮৮ চনত কামৰূপ, নগাওঁ, মঙ্গলদৈ আৰু গোলাঘাটতো কলাজ্বৰত বহু হেজাৰ মানুহ মৰে। ১৮৯০ চনৰ পিয়ল মতে এই বেমাৰত গোৱালপাৰাত শতকৰা ২৮ জন, বৰপেটাত ৮ জন, নগাঁৱত ২৪ জন আৰু মঙ্গলদৈত ৯ জন লোকৰ মৃত্যু হয়। গোলাঘাট আদি অন্য অন্য মহকুমাতো কলাজ্বৰত বহুতো লোকৰ মৃত্যু ঘটে। ১৯২৫/২৬ চনলৈকে আৰু বহুতো মৰিল গোৱালপাৰা, নগাওঁ, বৰপেটা, মঙ্গলদৈ আদিত। এই কলাজ্বৰে গোৱালপাৰা, বৰপেটা, মঙ্গলদৈ আৰু নগাৱঁত শ শ গাওঁ জনশূন্য কৰে। বহুতো গোৱালপাৰা অঞ্চলৰ জনজাতীয় লোক দৰঙ জিলাৰ ফালে উঠি যায়।

পমুৱাসকলে জনশূন্য পতিত মাটিত আৰু ব্ৰহ্মপুত্ৰৰ চাপৰি এলেকাত বহাৰ উপৰিও এফালৰ পৰা গ্ৰেজিং ৰিজাৰ্ভ আৰু ফৰেষ্ট ৰিজাৰ্ভ দখল কৰে। তেওঁলোকৰ ওচৰ-পাজৰে থকা অসমীয়া আৰু জনজাতীয় গাঁৱৰ মানুহক বিভিন্ন ভাৱে ভয় প্ৰদৰ্শন, গৰু মহ, শস্য চুৰি কৰা, তিৰোতা আৰু ল'ৰা-ছোৱালীক বলেৰে ধৰি নিয়া ইত্যাদি বিভিন্ন ধৰণৰ অত্যাচাৰ কৰাত বহুতো অসমীয়া আৰু জনজাতীয় মানুহ গাওঁ এৰি নিৰাপদ ঠাইলৈ যাবলৈ বাধ্য হয়।

চৰকাৰে এই বিষয়ত কোনো কঠোৰ নীতি লোৱা নাছিল। কাৰণ চৰকাৰৰ নীতি আছিল পূৰ্ববঙ্গৰ ঘনবসতি অঞ্চলৰ পৰা অসমলৈ মানুহ ঠেলি দিয়া আৰু অসমক মুছলমান গৰিষ্ঠ প্ৰদেশ গঢ়ি তোলা। অমলেন্দু গুহই "প্লেণ্টাৰ ৰাজ টু স্বৰাজ" কিতাপত লিখিছে যে অসমীয়া বৰপেটিয়া, মাৰোৱাৰী, মহাজন আদিয়ে বিভিন্ন অঞ্চলত অধিক সুতত

ধাৰ দি আৰু উৎপাদিত বস্তু কম মূল্যত লৈ অধিক লাভ কৰাৰ লোভত পমুৱাসকলক অসমত বহিবলৈ ধন ঋণ দি সহায় কৰিছিল।

গান্ধীজীয়ে অসম এৰাৰ পাচত

১৯৩৪ চনৰ ১০ এপ্রিলৰ ৰাতি গান্ধীজী অসম সোমায় আৰু ২১ এপ্রিলৰ দিনা পুৱা, দহদিন অসম ভ্রমণ শেষ কৰি উভতি যায়।

তেখেতে প্রধানতঃ কেইটামান কথাত জোৰ দিছিল। সেইকেইটা হৈছে :--

(১) কানি নিবাৰণ অভিযান।

(২) অসমৰ হিন্দু সমাজৰ বিভিন্ন সম্প্রদায় আৰু গোষ্ঠীসমূহৰ মাজত থকা অস্পৃশ্যতাৰ ভাব দূৰ কৰা।

(৩) অসমৰ চাহ শ্রমিক সমস্যা, বিশেষকৈ বাগানৰ পৰা ওলাই বস্তিত থকা বনুৱাসকলৰ মাজত শিক্ষা আৰু সামাজিক উন্নয়নৰ কাম হাতত লোৱা।

(৪) অসমত ধনসম্পদ উপাৰ্জন কৰা, বা ব্যৱসায় কৰা কি হিন্দুস্থানী, কি বঙালী সকলো অনা-অসমীয়াই অসমক নিজৰ বাসভূমিৰ দৰে ভাবি অসমৰ স্বাৰ্থক নিজৰ স্বাৰ্থৰ লগত জড়িত কৰা।

৫) ১৯৩১ চনৰ চেন্সাচ চুপাৰিন্টেণ্ডেন্ট মূলান চাহাবৰ মন্তব্যৰ ওপৰত অসমত যি চাঞ্চল্য দেখা দিছিল অসমৰ থলুৱা সমাজত গান্ধীজীয়ে বিষয়ৰ গুৰুত্ব উপলব্ধি কৰিছিল। কিন্তু তেখেত আহিছিল একমাত্র হৰিজনৰ কামত। ৰাজনৈতিক আৰু অন্যান্য সমস্যাত এবছৰলৈ জড়িত নহম বুলি তেখেত প্রতিজ্ঞাবদ্ধ আছিল, গতিকে সেই সম্বন্ধে কোনো ৰাজহুৱা সভাত বা প্রকাশ্যে কোনো বিবৃতি নিদিছিল। "জীৱন মাত্র ইমান সহজ বুলি ধৰি কানিৰ ৰাগীত ভোল গৈ থকা এটা জাতিক কৰ্মজীৱনৰ প্রেৰণা দিয়াৰ বাহিৰে অন্য উপায় নাছিল" গান্ধীজীৰ শেষ বাণী অসমীয়ালৈ—এই সমস্যাৰ পৰিপ্রেক্ষিতত।

গান্ধীজী অসমত থকা সময়ত অসমীয়া মানুহৰ মাজত এটা উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰিছিল। কংগ্রেছ অনুষ্ঠানৰ ফালৰ পৰা বিভিন্ন

জিলাত সভাসমিতি পাতি অস্পৃশ্যতা ব্যাধিক সমাজৰ পৰা দূৰ কৰা বিষয়ে বহুতো সভাসমিতি পতা হৈছিল। নতুনকৈ বহুতো ঠাইত সাৰ্বজনীন নামঘৰ সজা হৈছিল। তদুপৰি অসমৰ হৰিজন সেৱক সংঘ, জিলা হৰিজন সেৱক সংঘৰ ফালৰ পৰাও অনুসূচীত জাতিবোৰৰ মাজত স্কুলঘৰ সজা, চাফচিকুণতা আদি কামবোৰ হাতত লোৱা হৈছিল। কিন্তু এবছৰমানৰ ভিতৰতে পুজি আৰু নিষ্ঠাবান কৰ্মীৰ অভাৱত প্ৰাদেশিক হৰিজন সংঘ আৰু জিলা হৰিজন সেৱক সংঘৰ এই উৎসাহ আৰু উদ্দীপনাৰ শাম কাটিলে। পুজি আৰু সমৰ্পিত কাৰ্য্যকৰ্তাৰ অভাৱত এই প্ৰাদেশিক আৰু জিলা সংঘবিলাকত অচল অৱস্থাৰ সৃষ্টি হ'ল। মোৰ মনত থকামতে গোৱালপাৰাত গোবিন্দ চন্দ্ৰ শৰ্মা, গুৱাহাটীত ডাঃ হৰিকৃষ্ণ দাস, তেজপুৰৰ নিকামুল সত্ৰৰ অধিকাৰ গহন চন্দ্ৰ গোস্বামী, নগাঁৱত হলধৰ ভূঞা, গোলাঘাটত শংকৰ চন্দ্ৰ বৰুৱা, যোৰহাটত কৃষ্ণনাথ শৰ্মা প্ৰমুখ্যে নেতাসকলে আপ্ৰাণভাৱে অস্পৃশ্যতা নিবাৰণৰ কামত আত্মনিয়োগ কৰিছিল। বহুতো গঠনমূলক সেৱাকেন্দ্ৰ আৰু আশ্ৰম আদিও প্ৰতিষ্ঠা কৰা হৈছিল য'ত গান্ধীজীৰ গঠনমূলক কাৰ্য্যক ৰূপ দিবলৈ চেষ্টা চলিছিল।

শিৱসাগৰত গান্ধীজীৰ পৰামৰ্শমতে বনুৱা বস্তিত স্কুল আদি স্থাপন ঃ

শিৱসাগৰত শ্ৰীসোণাৰাম দত্ত প্ৰমুখ্যে কৰ্মীসকলে গান্ধীজীৰ লগত বনুৱা বস্তিৰ সেৱাৰ কাম কৰাৰ বিষয়ে আলোচনা কৰে। সেই সময়ত কংগ্ৰেছ বে-আইনী অনুষ্ঠান। বাগানৰ মেনেজাৰসকলে এই সেৱা ধৰণৰ কামকো সন্দেহৰ চকুৰে চাইছিল, বাগানৰ মেনেজাৰসকলে এই বুলি ভাবিছিল আৰু হৰিজন সেৱক সংঘৰ কামৰ ওপৰত চোকা নজৰ ৰাখিছিল। সেইবাবে কংগ্ৰেছ কৰ্মী বা স্বেচ্ছাসেৱকে বাগানৰ মেনেজাৰসকলৰ এনে স্বেচ্ছাচাৰী মনোভাৱৰ কাৰণে বাগানৰ ভিতৰত কথাই নাই, বাগানৰ আশে-পাশে কাম কৰাও এটা কঠিন কাম আছিল। বাগানৰ ওচৰত ৰাস্তাতো কোনোবা গান্ধীৰ ভলন্টিয়াৰ যোৱা দেখা পালেও তেওঁলোক সচকিত হৈ উঠিছিল। গতিকে বাগানৰ পৰা দূৰত থকা বনুৱা বস্তিবিলাকত প্ৰথমতে কেৱল স্কুল স্থাপন কৰাৰ কাম হাতত লোৱা হৈছিল অসম হৰিজন সেৱক সংঘৰ সহায়ত।

গান্ধীজীয়ে তোলা সংগ্ৰহৰ ধন শতকৰা পঞ্চাশ ভাগ প্ৰদেশবিলাকত আৰু প্ৰদেশবিলাকে তাৰে এটা অংশ জিলা হৰিজন সমিতিবিলাকত দিছিল।

শিৱসাগৰত বিশেষকৈ বনুৱা বস্তি প্ৰধান অঞ্চল গাঁৱত সৰ্বমুঠ মোৰ মনত পৰামতে বাইশখন স্কুল খোলা হৈছিল। সভা-সমিতি পাতি, এবাধৰাৰ মাজেৰে বহুতো চেষ্টাৰ ফলতহে স্কুলবোৰ প্ৰতিষ্ঠা হব পাৰিছিল। আশাশুধীয়া মনোভাব আৰু সেৱাৰ আদেশত অনুপ্ৰাণিত কৰ্মীৰ অভাৱ নাছিল। স্কুললৈ ছাত্ৰ-ছাত্ৰী সংগ্ৰহ কৰি অনাটোও এটা কঠিন কাম আছিল। স্কুলৰ অৱস্থা এনেকুৱা যে শিক্ষক আছে, ছাত্ৰ নাই, ছাত্ৰ আছে শিক্ষক নাই। ৰাইজৰ সহযোগত স্কুল ঘৰবোৰ সজা হৈছিল, কিন্তু ক্ৰমে প্ৰায় ঘৰৰ অৱস্থা বেৰ-চাল নোহোৱা হৈ পৰিল।

শিক্ষকৰ দৰমহা দহ আৰু কিছুৰ পোন্ধৰ টকা দিয়া হৈছিল অসম হৰিজন সংঘৰ পৰা।

একো একোটা বিস্তৃত অঞ্চলৰ বিশ-পচিশ মাইল দূৰত একোখন স্কুল। খৰালি আলিবাটবোৰ ধূলিময়, বৰষুণত বাৰিষা একাঠু বোকা। এনে পৰিস্থিতিৰ মাজত কাম কৰিবলগীয়া হৈছিল। বহু ঠাইত গান্ধী ভলণ্টিয়াৰ বুলি মানুহ ওচৰ চপা নাছিল। সভা-সমিতিবিলাকত যত্ন কৰা সত্ত্বেও ৮।১০ জনৰ বেছি মানুহ উপস্থিত নাছিল।

শিৱসাগৰ পূব অঞ্চলটোত হাইস্কুলৰ কথাই নাই, প্ৰাইমাৰী স্কুলো একোটা একোটা বিৰাট মৌজাত দুখন বা খুব বেছি তিনিখন মানহে জৰাজীৰ্ণ অৱস্থাত আছিল আৰু এই অঞ্চলতেই বাগানৰ বস্তিবালা গাওঁ সৰহ সংখ্যক আছিল।

সত্ৰবিলাকৰ ভিতৰত গড়মূৰীয়া সত্ৰাধিকাৰ, অসম হৰিজন সেৱক সংঘৰ সভাপতি পীতাম্বৰ দেৱ গোস্বামী আৰু নিকামুল ডেকা সত্ৰাধিকাৰ গহন গোস্বামীদেৱে আন্তৰিকতাৰে হৰিজন সেৱা কামত আত্মনিয়োগ কৰিছিল। গান্ধীজীয়ে পৰামৰ্শ দিয়ামতে, বস্তিৰ বনুৱাসকলক নাম-ঘৰত প্ৰবেশ, তেওঁলোকৰ মাজত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ, শৰণ-ভজন আৰু তেওঁলোকৰ মাজত সবাহ-ভাওনা আদিৰ আয়োজন কৰি অসমীয়া সমাজৰ লগত তেওঁলোককো খাপ খুৱাবৰ কাৰণে যত্ন কৰিছিল।

অনেকুৱা সেৱা কাৰ্য্যৰ কাৰণে সমৰ্পিত আৰু আত্মোৎসৰ্গ কৰি ওলাই অহা শিক্ষিত ডেকা লৰাৰ অভাৱ পৰিলক্ষিত হৈছিল। যিসকল ভকত বনুৱা আৰু পাহাৰী অঞ্চলবিলাকত কাম কৰিবলৈ পঠোৱা হৈছিল, তেওঁলোকৰ চিন্তাধাৰা সত্ৰৰ চাৰিসীমাৰ মাজতে আবদ্ধ আছিল। অন্ধবিশ্বাস আৰু সংকীৰ্ণ চিন্তাধাৰাৰ পৰা মুক্ত হৈ নতুন মূল্যবোধ তৈয়াৰ কৰি সমাজত কাম কৰিব পৰা শক্তি ভকতসকলৰ নাছিল। খৃষ্টিয়ান পাদুৰীৰ দৰে তলত পৰি থকা জনৰ লগত এজন হৈ ত্যাগৰ মনোবৃত্তিৰে আৰু সেৱাৰ মনোভাৱেৰে এওঁলোকে কাম কৰিব পৰা নাছিল। প্ৰায়বোৰ ভকত আছিল আলস্যপ্ৰিয়, এলেহুৱা আৰু বিদ্যা-হীন। ডাঙৰ সত্ৰবিলাকৰ কাম আছিল শ শ ভকতক খুৱাই বখা, ভাওনা-সবাহ পতা, শিষ্যসকলৰ পৰা কৰ আৰু মাটিৰ খাজনা আদায় কৰা। সমাজ উন্নয়ন আৰু আধ্যাত্মিক শিক্ষাৰ কাম কৰাৰ প্ৰশিক্ষণ আদি দিয়াৰ এ.কা ব্যৱস্থা নাছিল।

অসমৰ দুৰ্ভাগ্য যে মহাপুৰুষ শঙ্কৰদেৱে যি উদ্দেশ্য আৰু আদৰ্শলৈ সত্ৰসমূহ প্ৰতিষ্ঠা কৰিছিল সেই উদ্দেশ্য পূৰ্ণ নহ'ল। শঙ্কৰদেৱৰ অসমৰ পিছপৰা সম্প্ৰদায় আৰু পাহাৰীয়াসকলৰ মাজৰ পৰাও প্ৰধান প্ৰধান একোজন কৰ্মী উলিয়াই সেইসকলৰ মাধ্যমেৰে সমাজত শঙ্কৰী ধৰ্মৰ বা বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ যত্ন কৰিছিল।

ৰামকৃষ্ণ পৰমহংসৰ তিৰোভাৱৰ পাছত স্বামী বিবেকানন্দৰ হ'ল আবিৰ্ভাৱ সি বাস্তৱত ৰূপ দিলে পৰমহংস দেৱৰ কল্পনাক, কিন্তু শঙ্কৰদেৱৰ তিৰোভাৱ হোৱাৰ পাঁচশ বছৰ হৈ গ'ল দ্বিতীয় এজন ব্যক্তিৰ আবিৰ্ভাৱ নহ'ল অসমত মহাপুৰুষৰ কল্পনাক বাস্তৱত ৰূপ দিবলৈ।

বনুৱা সমাজ আৰু বিয়াল্লিশৰ গণবিপ্লৱ

১৯৩৮ চনৰ ৩ এপ্ৰিলত ডিগবৈৰ তেল খাটৰ শ্ৰমিকসকলে ধৰ্মঘট কৰে—কোম্পানীয়ে শ্ৰমিকৰ ন্যায়সংগত দাবী মানি নোলোৱাৰ কাৰণে। এই ধৰ্মঘট চলি থকা অৱস্থাতে আগতে উনুকিয়াই অহা হৈছে যে ছাদুল্লা মন্ত্ৰীসভাৰ পতন ঘটে আৰু কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন হয়। বৰদলৈ

মন্ত্ৰীসভাই ডিগবৈৰ শ্ৰমিকসকলৰ বিবাদ মীমাংসা কৰিবলৈ অসমৰ্থ হৈ পৰে—মালিক আৰু প্ৰতিক্ৰিয়াশীল ইংৰাজ বিষয়াসকলৰ বাধা সৃষ্টিৰ কাৰণে। ইতিমধ্যে ৩ ছেপ্টেম্বৰত দ্বিতীয় মহাসমৰৰ অজুহাত দেখুৱাই ডিব্ৰুগড় অঞ্চলটো Protected area বুলি ঘোষণা কৰি ১৪৪ ধাৰা জাৰি কৰা হয়। ডিগবৈ ধৰ্মঘটৰ নেতাসকলক বহিষ্কাৰ কৰিলে আৰু প্ৰায় ১৫০০ কৰ্মীক কামৰ পৰা অৱসৰ দিলে। ডিগবৈ ধৰ্মঘটৰ প্ৰতি সহানুভূতি আৰু মজুৰী বৃদ্ধিৰ দাবীত A.R.T and Co. Workers Union এ ধৰ্মঘট আৰম্ভ কৰিলে। ২১ খন বাগিচাৰ শ্ৰমিকৰ মাজলৈ ই বিয়পি পৰে। শ্ৰমিকৰ সংঘবদ্ধতাত ভাৰতীয় চাহ সস্থা I. T. A শংকিত হৈ পৰে। এই ধৰ্মঘট যাতে আৰু বিয়পিব নোৱাৰে সেই উদ্দেশ্যে ব্যৱস্থা লবলৈ এখন তিনিদফীয়া কাৰ্য্যসূচী গ্ৰহণ কৰে ঃ

(১) শ্ৰমিকসকলৰ আপত্তিৰ তদন্ত কৰা,

(২) যুক্তিসংগত নোহোৱা ধৰ্মঘটৰ বিৰুদ্ধে বাগান বন্ধ (Lock-out) কৰা আৰু

(৩) ধৰ্মঘটৰ বিৰুদ্ধে শ্ৰমিকসকলৰ মাজত প্ৰচাৰ কাৰ্য্য চলোৱা।

আনহাতে এনে বিভিন্ন ঠাইত চাহ বাগানত ধৰ্মঘট হোৱাত বৰদলৈ গৱৰ্ণমেন্টেও চাহ শ্ৰমিকৰ অভিযোগ আৰু অশান্তিৰ বিষয়ে তদন্ত কৰিবৰ কাৰণে ১৯৩৯ চনৰ ২৩ মে' তাৰিখে এখন কমিটী গঠন কৰে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন বাগানত ধৰ্মঘট হোৱাৰ দৰে কাছাৰৰো বিভিন্ন বাগানত ধৰ্মঘট আৰম্ভ হৈছিল—মজুৰী বৃদ্ধিৰ দাবীত। ইতিমধ্যে যুদ্ধ আহিল আৰু ১৯৩৯ চনৰ নৱেম্বৰ মাহত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভাই পদত্যাগ কৰে।

যুদ্ধৰ নামত বাগানৰ মেনেজাৰসকলে তেওঁলোকৰ বাগানৰ শাসনৰ মুঠি আৰু দৃঢ় কৰি লয়—যাতে বনুৱাসকলে তুৰি-মুৰি কৰিব নোৱাৰে। চাহৰ বজাৰখনো গৱৰ্ণমেণ্টৰ নিয়ন্ত্ৰণলৈ নিলে। চাহ বাগানৰ শ্ৰমিক-সকলৰ অৱস্থা কাহিল হৈ পৰিল যুদ্ধৰ কাৰণে। বস্তুৰ দাম বৃদ্ধি, টকাৰ মূল্য হ্ৰাস, খাদ্য অনাটন হ'বলৈ ধৰিলে। আনহাতে বাহিৰত শ্ৰমিকৰ মজুৰী দুগুণ বৃদ্ধি ঘটিল। এনে কটকটীয়া দমননীতিৰ ভিতৰতো

বিভিন্ন ঠাইত বাগানৰ শ্ৰমিক মজুৰী বৃদ্ধিৰ দাবীত ধৰ্মঘট কৰিছিল। কাছাৰৰ এলেনপুৰ বাগানত ১৯৪০ চনৰ ৩০ জুলাইত কামৰ নিৰিখ কম কৰা আৰু মজুৰী বৃদ্ধিৰ দাবীত ধৰ্মঘট আৰম্ভ কৰে। প্ৰথমতে ২০০ শ্ৰমিকে ধৰ্মঘটত যোগদান কৰিলেও পিচলৈ গোটেই বাগানৰ শ্ৰমিকে অংশ গ্ৰহণ কৰে। মেনেজাৰৰ দমন নীতিৰ প্ৰতিবাদত ২০০ শ্ৰমিকে শোভাযাত্ৰা কৰি শিলচৰত ডেপুটী কমিছনাৰক অভিযোগ দিবলৈ যায়। ১৯৪০ চনত বিধান সভাৰ উপনিৰ্বাচনত সনত কুমাৰ অহিৰ নামে এজন বাগানৰ শ্ৰমিক কংগ্ৰেছ প্ৰাৰ্থী হৈ জয়যুক্ত হয়। কম মজুৰী পোৱা শ্ৰমিকসকলৰ পৰা মেনেজাৰসকলে এদিনৰ মজুৰী যুদ্ধৰ পুজিলৈ কাটি লোৱা বিষয় লৈ বহুতো বাগানত শ্ৰমিকে প্ৰতিবাদ কৰিছিল। তাৰ উপৰিও প্ৰতি বাগানৰ একাংশ মজদুৰক অটব্য অৰণ্য পৰ্বত-পাহাৰৰ মাজে মজে যুদ্ধৰ কাৰণে ষ্টিলৱেল, ৰাস্তা আৰু এৰোড্ৰম ফিল্ড আদি নিৰ্মাণৰ কামত নি লগাইছিল। এইদৰে নিয়া বনুৱাসকলক অতিৰিক্ত বানছ দিয়া হোৱা নাছিল। প্ৰতি দলাৰে সৰহসংখ্যকেই মেলেৰিয়া আদি বিভিন্ন ৰোগত আক্ৰান্ত হৈ ঘূৰি আহিছিল।

ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে জনতাৰ লগত শ শ বস্তিৱালা শ্ৰমিকো গৈছিল। পুলিচৰ গুলীত মঙ্গল কুৰ্মী, দয়াল পানিকা, ৰামচৰণ গোৱালা এই ৩ জন শ্ৰমিকৰ মৃত্যু হয়। তাৰ উপৰি বহুসংখ্যক জখম হৈছিল। উজনীৰ প্ৰায়বোৰ ঠাই আৰু তেজপুৰৰ সমদলবিলাকত বস্তিৱালা শ্ৰমিকসকলে অংশ গ্ৰহণ কৰা বিশেষ উল্লেখনীয়।

অসমত খাদ্যবস্তুৰ মূল্য বৃদ্ধি : ৰাইজ আৰু শ্ৰমিকৰ দুৰ্দশা

অসমত এফালে ব্ৰহ্মদেশৰ ফালৰ পৰা আহি সোমোৱা ভগনীয়াৰ আৰু ইফালে বঙ্গদেশৰ পৰা খাবলৈ নেপাই সোমোৱা লোকেৰে অসম ভৰি পৰিলহি। তদুপৰি যুদ্ধৰ বিভিন্ন কাম-কাজত নিয়োজিত লক্ষ লক্ষ সামৰিক লোকৰ ভৰণ-পোষণৰ কথাতো আছেই। বেপাৰীসকলে খাদ্যবস্তু লুকুৱাই অসমতো খাদ্যবস্তুৰ মহাৰ্ঘতা সৃষ্টি কৰিবলৈ ধৰিলে। অসমৰ খাদ্য পৰিস্থিতিও জটিল হৈ পৰিল। সকলো বস্তুৰে দাম বাঢ়িল।

নিমখ, কেৰাচিন দুষ্প্ৰাপ্য হৈ পৰিল। নিমখৰ দাম সেৰে ৫ টকাৰ পৰা ১০ টকালৈ বৃদ্ধি পালে। গ্ৰাহক সমবায়ৰ যোগে সামগ্ৰী বিতৰণৰ বাবে গৱৰ্ণমেণ্টৰ যি আঁচনি আছিল, গৱৰ্ণমেণ্টৰ নিজৰে তাত আস্থা হীন হৈ পৰাত আৰু কৰ্মচাৰী আৰু বেপাৰী লগলাগি অধিক লাভৰ জাল তৰাত সেই আঁচনি বিফল হৈ পৰিল। এনে বিফলতাই অসমত ভৱিষ্যতে সমবায় আন্দোলন কৃতকাৰ্য্য হোৱাত কুঠাৰাঘাত কৰিলে। সমবায় আন্দোলনৰ আঁৰে আঁৰে এদল দালাল সৃষ্টি হ'ল। সমবায় বিভাগটোত এচাম দুৰ্নীতিপৰায়ণ কৰ্মচাৰীৰ সৃষ্টি হ'ল। অসমৰ অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিবৰ কাৰণে অসমৰ দুখীয়া শ্ৰেণীৰ কৃষক আৰু মজদুৰক বেপাৰী মহাজনে শোষণৰ কৰাল গ্ৰাসৰ পৰা মুক্ত কৰিবৰ কাৰণে স্বাধীনতা লাভ কৰাৰ পাছত যিবিলাক আঁচনি লোৱা হৈছিল সেই সকলোৰে ব্যৰ্থতাৰ গুৰিত আছিল এই যুদ্ধ কালত সৃষ্টি হোৱা দালাল শ্ৰেণীটো আৰু দুৰ্নীতিপৰায়ণ বিষয়া, বেপাৰীসকল।

বস্তুৰ দাম বাঢ়িল। চাহ বাগানৰ শ্ৰমিকৰ মজুৰী বঢ়া নাছিল। শ্ৰমিকসকলক নিয়ন্ত্ৰিত দৰত (Controlled Price) যি চাউল আৰু ষ্টেটগাৰ্ড ক্লথ যোগান ধৰাৰ আঁচনি কৰা হৈছিল, সেই ব্যৱস্থাৰ মাজতো সোমাই পৰিল গ্ৰাহক সমবায়ৰ দৰে এদল শোষণকাৰী।

আনহাতে যুদ্ধৰ কাম-কাজত সহায় কৰিবৰ বাবে বিশেষকৈ 'ষ্টিল-বেল ৰোড' নিৰ্মাণৰ কামত বাগানৰ মজদুৰক বাগানৰ কৰ্মচাৰী আৰু চৰ্দাৰ আদিৰ তত্ত্বাৱধানত পঠিওৱা হৈছিল। সেই শ্ৰমিকসকলৰ অন্য মজদুৰৰ দৰে বৃদ্ধি হাৰত হাজিৰা দিয়া হোৱা নাছিল। বস্ত্ৰবস্তুৰ মূল্য বৃদ্ধিৰ প্ৰতিবাদত কোনো কোনো ঠাইত ধৰ্মঘট আদি হৈছিল যদিও সেইবিলাক কঠোৰ হাতেৰে দমন কৰা হৈছিল।

গান্ধীজীৰ অনশন

গান্ধীজী আৰু কংগ্ৰেছ নেতাসকলক বন্দী কৰাত, আগতে উল্লেখ কৰি অহা হৈছে যে সেই বাতৰি বনজুইৰ দৰে গোটেই ভাৰতবৰ্ষৰ নগৰে-চহৰে, গাঁৱে-ভূঞে বিয়পি পৰিছিল আৰু নেতা-বিহীন জনতাৰ

আন্দোলন বিভিন্ন ঠাইত বিভিন্নভাৱে নিজে ভবামতে ৰাইজে নিজে আগবঢ়াই নিলে। দলং ভঙা, ৰেল লাইন তোলা, গৱৰ্ণমেণ্টৰ থানা, কৰ্ট দখল কৰা, টেলিফোন সংযোগ বিচ্ছিন্ন কৰা ইত্যাদি কাম আৰু গৱৰ্ণমেণ্টৰ দমন নীতিৰ ফলত ঠাইবিশেষত দেখা দিয়া হিংসাত্মক কাৰ্য্যকলাপ চলিবলৈ ধৰিলে। ভাৰত গৱৰ্ণমেণ্টে বিভিন্ন প্ৰচাৰ মাধ্য-মেৰে এনে ধৰণৰ হিংসাত্মক কাৰ্য্যৰ কাৰণে গান্ধীজী আৰু কংগ্ৰেছৰ ওপৰত দায় জাপি দি প্ৰচাৰ চলায়। বিলাততো ভাৰত সচিব আমেৰী চাহাবে পাৰ্লামেণ্টত এটা বিবৃতি দাখিল কৰি গান্ধীজী আৰু কংগ্ৰেছক দায়ী কৰি অভিযোগ তুলিলে। গান্ধীজীয়ে তাৰ প্ৰতিবাদ কৰি জেলৰ পৰাই ভাৰতৰ বৰলাটক জনাই দিলে যে হিংসা কাৰ্য্যবোৰৰ বাবে তেওঁক বা কংগ্ৰেছক যিধৰণে দোষাৰোপ কৰা হৈছে, তেওঁ বা কংগ্ৰেছ তাৰ বাবে দায়ী নহয়। গৱৰ্ণমেণ্টে নভবা নিচিন্তাকৈ নেতাসকলক গ্ৰেপ্তাৰ কৰা কাৰ্য্যহে ইয়াৰ বাবে দায়ী। ইং ২৬ ছেপ্টেম্বৰত তেওঁ এইদৰে লিখিলে—

The wholesale arrest of the Congress leaders seemed to have made the Public wild with rage to the point of losing self control, I feel that the Govt. not be the congress are responsible for destruction that take place................

তেওঁ গৱৰ্ণমেণ্টৰ দমনমূলক কাৰ্য্যৰ লগত ভাৰতত চলা হিংসাত্মক কাৰ্য্যসমূহক সিংহই গৰুৱা মৰা কাৰ্য্যৰ দৰেই বুলি মন্তব্য কৰিলে।

কংগ্ৰেছৰ নেতাসকলৰ মুক্তি আৰু দমননীতিৰ আইনসমূহ প্ৰত্যাহাৰ কৰিবলৈ কওঁতেও ভাইচৰয়ে সেই কথাত মান্তি নোহোৱা আৰু চৰকাৰৰ নীচ, অসত্য প্ৰচাৰ কাৰ্য্যৰ প্ৰতিবাদত ১৯৪৩ চনৰ ১০ ফেব্ৰুৱাৰীৰ পৰা গান্ধীজীয়ে ২১ দিনীয়া অনশন আৰম্ভ কৰে। তেওঁৰ শৰীৰ আগৰ পৰাই অসুস্থ আছিল বাবে এই অনশনৰ সময়ত তেওঁ দুৰ্বল আছিল।

গান্ধীজীৰ অনশনৰ বাৰ্তা পাই জগতবৰেণ্য মণীষীসকল চিন্তিত হৈ পৰিল। সকলোৱে ফালৰ পৰা বৃটিছ গৱৰ্ণমেণ্টক আৰু ভাৰত গৱৰ্ণমেণ্টক হেঁচা দিবলৈ ধৰিলে। ভাৰতৰ বৰলাটে গান্ধীজীক চৰ্ত-সাপেক্ষে মুক্তি দিয়া আদেশত গান্ধীজী মান্তি নহল। আনহাতে অন-শনত গান্ধীজীৰ মৃত্যু হলে সেই অপৰাধৰ পৰা নিষ্কৃতি লাভৰ উদ্দে-শ্যেই গৱৰ্ণমেণ্টে ১৩ ফেব্ৰুৱাৰী তাৰিখে ১৯৪২ৰ আন্দোলনৰ কাৰ্য্যৰ

বাবে কংগ্ৰেছক দায়ী কৰি এখন শ্বেতপত্ৰ (White paper) প্ৰকাশ কৰে। ভাৰতৰ জনতাই শেষ মুহূৰ্তলৈ থৰ হৈ চাই ৰ'ল। অনশনৰ ১২ দিনৰ দিনা গান্ধীজীৰ বমি হৈছিল আৰু তেজৰ চাপ ক্ৰমান্বয়ে বৃদ্ধি হৈছিল। তেওঁৰ তেজত ইউমেৰীয়া বৃদ্ধি হৈ পৰাত সকলো চিন্তিত হৈ পৰিল। গান্ধীজীৰ জীৱন সংশয়ত সকলো উদ্বিগ্ন হৈ পৰিল।

গৱৰ্ণমেণ্টৰ ফালৰ পৰা গান্ধীজীক চোৱা-চিতা কৰিবলৈ এজন ইউৰোপীয়ান ডাক্তৰ নিয়োগ কৰা হৈছিল। তেওঁ দিনে-নিশাই গান্ধীজীৰ বিছনাৰ কাষত আছিল। গান্ধীজীৰ জীৱন-বস্তি নুমাই যোৱাৰ আশংকাত ডাক্তৰজন প্ৰস্তুত হ'ল এটা গ্লো কজ ইনজেকছন দিবৰ বাবে। গান্ধীজীয়ে ক্ষীণভাৱে চকু মেলি চাই তেওঁক বেজী দিবলৈ বাধা দিলে।

গৱৰ্ণমেণ্ট এইবাৰ নিশ্চিন্ত হ'ল—ডাক্তৰৰ ৰিপৰ্ট পাই যে গান্ধীজীৰ মৃত্যু ধ্ৰুৱ নিশ্চিত। গতিকে, গান্ধীজীৰ মৃত্যুৰ বাতৰি পাই যাতে ক'তো কোনেও একো বিদ্ৰোহ ঘটাব নোৱাৰে তাৰ কাৰণে পুলিচ মিলিটেৰীক নগৰবিলাকত প্ৰস্তুত হৈ থাকিবলৈ নিৰ্দেশ দিলে। মনে মনে আগাখাঁ পেলেচত শ দাহ কৰিবৰ কাৰণে চন্দন কাঠ, দুজন পুজাৰী আৰু শ দাহৰ কাৰ্য্য সমাধা কৰাৰ কাৰণে সকলো ঠিক-ঠাক কৰি শেষ বাতৰিৰ অপেক্ষাত ৰ'ল।

ইফালে বোম্বাই গৱৰ্ণমেণ্টেও বিভিন্ন ৰাজ্যত গান্ধীজীৰ মৃত্যু হলে কি কৰিব লাগিব সেই লৈ এখন গুপ্ত সংকেত দি খাতৰি দিব। মৃত্যু হলে শোকসভা, শোভাযাত্ৰা আদি পুলিচৰ নিয়ন্ত্ৰণত পাতিব পাৰিব বুলি অনুমতি দিয়া হ'ব। কিন্তু শান্তিৰ পৰা অলপ ব্যতিক্ৰম হলেই মিলিটেৰী আহ্বান কৰি দমন কৰিবৰ বাবে নিৰ্দেশ পঠাব। অসমত গৱৰ্ণৰে গান্ধীজীৰ মৃত্যু হ'লে জিল্যাৰ ডেপুটী কমিছনাৰসকলক জনাই থ'লে যে সাংকেতিক শব্দেৰে তেওঁলোকক জনোৱা হ'ব।

গান্ধীজীৰ অৱস্থা উন্নত হৈ অহা দেখা গ'ল—অনশনৰ পোন্ধৰ দিনৰ দিনা। ২১ দিনৰ দিনা গান্ধীজীয়ে অনশন ভংগ কৰা বাতৰি পঢ়িবলৈ পাই ভাৰতবাসীয়ে নিশ্বাস পেলালে।

গান্ধীজী আৰু গৱৰ্ণৰ জেনেৰেলৰ মাজত হোৱা চিঠিৰ আদান-প্ৰদান আৰু গান্ধীজীৰ সেই বিষয়ে লৈ অনশনৰ কথা প্ৰকাশ হোৱাত আন্দোলন কৰি

থকাসকলৰ মাজত মতভেদ হয়। বহুতে গান্ধীজীৰ অহিংস আদৰ্শ নীতি দৃঢ়ভাৱে অনুভৱ কৰিলে। ৯ আগষ্টত নেতাসকল গ্ৰেপ্তাৰ হোৱাৰ পাছত যিখন ১১ দফীয়া কাৰ্য্যসূচী নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ চাৰ্কুলাৰ হিচাপে দিয়া হৈছিল, সেইখন প্ৰকৃততে গান্ধীজীৰ দ্বাৰা ৰচনা কৰা কাৰ্য্যসূচী নাছিল। গতিকে তেওঁলোকে ধ্বংসাত্মক আৰু গুপ্ত আন্দোলনৰ বিৰোধী হৈ প্ৰকাশ্যে জন-আন্দোলন কৰা কাৰ্য্যসূচী লোৱাৰ সিদ্ধান্ত কৰে। আনহাতে কংগ্ৰেছ উগ্ৰপন্থী আৰু ছ'চিয়েলিষ্ট, আৰ-চি-পি-আই আদিয়ে গুপ্তভাৱে ধ্বংসাত্মক কাৰ্য্য চলাই যোৱাৰ সিদ্ধান্ত কৰে।

অসমত গুপ্তভাৱে কাম কৰি থকা সংগ্ৰামীসকলে এই বিষয় লৈ আলোচনা কৰিবৰ কাৰণে ১৯৪৩ চনৰ নৱেম্বৰ মাহৰ শেষভাগত নগাঁৱৰ পানীগাঁৱত শ্ৰীযুতা অমলপ্ৰভা দাসৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত কৰে। এই সভাত সংগ্ৰামীসকল দুভাগ হ'ল। এটা দলে মুকলিভাৱে গান্ধীজীৰ আদৰ্শত আন্দোলন চলাই যোৱাৰ সিদ্ধান্ত ল'লে আৰু আন-সকলে শ্ৰীমহেন্দ্ৰনাথ হাজৰিকা, শংকৰ চন্দ্ৰ বৰুৱা আদিৰ নেতৃত্বত গুপ্তভাৱে ধ্বংসাত্মক কাৰ্য্য চলাই যাবলৈ সিদ্ধান্ত কৰে।

১৯৪৫ চনৰ জানুৱাৰীত ৱাৰ্ধাত বৰদলৈয়ে লগ ধৰোতে গান্ধীজীয়ে অন্য প্ৰদেশৰ দৰে অসমতো হিন্দুস্থান মজদুৰ সেৱক সংঘৰ যোগে বনুৱা সংগঠন কৰাৰ বিষয়ে পৰামৰ্শ দিছিল।

১৯৪৬ চনত কংগ্ৰেছক বে-আইনী প্ৰতিষ্ঠান বুলি ঘোষিত আদেশ প্ৰত্যাহাৰ কৰাত গান্ধীজীৰ এই পৰামৰ্শ অনুসৰি অসম কংগ্ৰেছ কমিটীয়ে ১১জন সভ্যৰে এখন বনুৱা উপ-সমিতি গঠন কৰিছিল। এই কমিটীৰ ছজন সদস্য ছ'চিয়েলিষ্ট দলৰ আছিল। প্ৰথমতে তিনিচুকীয়াত অফিচ পাতি এই উপ-সমিতিৰ তৰফৰ পৰা বনুৱা সংগঠনৰ কাম আৰম্ভ কৰা হৈছিল। এইদৰে কামত আগবাঢ়ি যাওঁতে এচাম কংগ্ৰেছী লোকৰ সন্দেহ হ'ল যে ছ'চিয়েলিষ্টসকলে নিজৰ শক্তি বৃদ্ধিৰ দৃষ্টি-ভংগীৰেহে বনুৱা সংগঠন কৰিছে, গতিকে তলে তলে যত্ন হ'ল সেই কমিটী ভংগ কৰি দিয়া। এই কথা লৈ ভিতৰুৱা ভাৱে আলোচনা চলাৰ পিচত ১৯৪৬ চনৰ মাজভাগত প্ৰাদেশিক কংগ্ৰেছ কমিটীয়ে আগৰ

১১ জনীয়া বনুৱা সংগঠন কমিটী ভংগ কৰি ৭ জন সভ্যৰে এখন নতুন উপ-সমিতি গঠন কৰি দিয়ে।

এই লেখকেই উক্ত উপ-সমিতিৰ আহ্বায়কৰ দায়িত্ব গ্ৰহণ কৰিব লগা হয়। এই উপ-সমিতিৰ উদ্দেশ্য হ'ল হিন্দুস্থান মজদুৰ সেৱক সংঘৰ আদৰ্শত অসমত বনুৱা সংগঠনৰ কাম আৰম্ভ কৰা।

গান্ধীজীৰ পৰামৰ্শ বাস্তৱত ৰূপ দিবলৈ প্ৰচেষ্টাৰ কাহিনী

১৯৩৪ চনৰ পৰাই ১৯৪৬ চনতো গান্ধীজীয়ে কৰ্মীসকলৰ লগত আলোচনা কৰোতে তেখেতৰ গঠনমূলক কামৰ ভিতৰত বনুৱা আৰু আদিবাসীসকলৰ মাজত সংগঠন আৰু অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন কাৰ্য্য কৰাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিবৰ কাৰণে কৈছিল।

১৯৩৪ চনত শিৱসাগৰত বনুৱা বস্তীৰ মাজত স্কুল স্থাপনৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। ১৯৪৬ চনত গান্ধীজী যোৱাৰ পাছত অসমত কংগ্ৰেছ মন্ত্ৰীসভাৰ গঠন হয়। আনহাতে গান্ধীজীৰ পৰামৰ্শ অনুসৰি অসম কংগ্ৰেছ কমিটীয়ে বনুৱাসকলৰ মাজত সংগঠন আদি কৰিবৰ কাৰণে এখন চাব-কমিটী আৰু হিন্দুস্থান মজদুৰ সংঘৰ এটা শাখা গঠন কৰি দিয়াৰ কথা উল্লেখ কৰি অহা হৈছে। আনহাতে অসমত আদিবাসীৰ মাজত সংগঠন কৰিবৰ কাৰণে নিখিল ভাৰত আদিবাসী সংঘৰ সম্পাদক ঠক্কৰ বাপাই ৺বি, কে, ভাণ্ডাৰীক অসমলৈ পঠায় আৰু অসম সেৱা সমিতি নাম দি এটা অনুষ্ঠান গঠন কৰা হয়। দেশসেৱক স্বৰ্গীয় অমিয় কুমাৰ দাসদেৱ শ্ৰমমন্ত্ৰী হোৱাত এইবাৰ বনুৱা সংগঠন, বনুৱা সেৱা কেন্দ্ৰ স্থাপন আনহাতে আদিবাসীৰ মাজত কাম কৰিবলৈ পুঁজি সমস্যা আঁতৰিল যদিও অন্য এটা ডাঙৰ সমস্যা হৈ উঠিল, সেৱা আদৰ্শত ব্ৰতী দক্ষ কৰ্মীৰ অভাৱ। অসম সেৱা সমিতি আৰু হিন্দুস্থান মজদুৰ সংঘৰ মাজত এটা আলোচনা কৰি কাম ভাগ কৰি লোৱা হয়। যিহেতু হিন্দুস্থান মজদুৰ সেৱক সংঘৰ সেৱা কামত কৰি, সেই সময়ত বনুৱা সংগঠন বিশেষ কৰি চাহ বাগানৰ শ্ৰমিকসকলৰ সংগঠন কৰাটো ৰাজনৈতিক কাৰণত গুৰুতৰ হৈ পৰিছিল অসমত।

দ্বিতীয় মহাসমৰ সমাপ্তি, আনহাতে চীনত ক্ৰমে গঢ়ি উঠা কমিউনিষ্ট শক্তিৰ প্ৰভাৱে দক্ষিণ পূব এছিয়াৰ দেশবিলাকতো কমিউনিষ্ট দলৰ প্ৰভাৱ ক্ৰমে প্ৰবল হৈ উঠিছিল। মালোছিয়া, ইণ্ডো-চীন, ইণ্ডোনেচিয়া আদি দেশবিলাকত কুঁহিয়াৰ, ৰবৰ, চাহ বাগানবিলাকৰ শ্ৰমিকসকল কমিউনিষ্ট সকলৰ প্ৰধান হিংসাত্মক বিপ্লৱী কাৰ্য্যৰ কেন্দ্ৰ হৈ পৰিছিল। অসম আৰু উত্তৰ বঙ্গৰ চাহ বাগানবিলাকত কংগ্ৰেছৰ দ্বাৰা কোনো সংগঠন নথকাৰ কাৰণে ভাৰতীয় কমিউনিষ্ট দলে বৃটিছৰ যুদ্ধত সহযোগ কৰাৰ লগতে নিজৰ সংগঠন শক্তি বঢ়াবৰ কাৰণে ভাৰত জুৰি কৃষক আৰু আনহাতে ট্ৰেড ইউনিয়ন কংগ্ৰেছ দখল কৰি ব্যাপকভাৱে শ্ৰমিকৰ সংগঠন আৰম্ভ কৰে। পঞ্জাব, বঙ্গ, সিন্ধু প্ৰদেশৰ বাহিৰে ভাৰতৰ অন্য প্ৰদেশবিলাকত ১৯৪৬ চনত কংগ্ৰেছ গৱৰ্ণমেণ্ট প্ৰতিষ্ঠা হোৱাৰ লগে লগে কৃষক আন্দোলন আৰু শ্ৰমিকৰ ধৰ্মঘট ব্যাপকভাৱে আৰম্ভ কৰি এটা ভয়াবহ অৱস্থা সৃষ্টি কৰে। অসমৰ পৰিস্থিতি আৰু বিপদসঙ্কুল হৈ পৰিছিল, এফালে মুছলিম লীগৰ বলেৰে অসমক পাকিস্তানৰ লগত অন্তৰ্ভুক্ত কৰা আক্ৰমনসূচক কাৰ্য্য, আনহাতে কমিউনিষ্টসকলৰ জাতীয় পৰিপন্থী কাৰ্য্য। গতিকে চাহ বাগানবিলাকত যাতে কমিউনিষ্টে প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে তাৰ কাৰণে অতি ক্ষিপ্ৰতাৰে ব্যাপকভাৱে সংগঠনৰ কাম কৰিবলগীয়া হৈ পৰাত হিন্দুস্থান মজদুৰ সেৱক সংঘৰ প্ৰধান কাম হ'ল প্ৰশিক্ষণ দি এটা কৰ্মী দল সৃষ্টি কৰা। সাত শ'ৰো অধিক চাহ বাগানত সংঘ স্থাপন কৰাৰ কাৰণে পাঁচজন কৰ্মীক বম্বেলৈ পঠোৱা হয় প্ৰশিক্ষণ লবৰ কাৰণে আৰু যোৰহাটৰ ৰৌৱাত এটা কেন্দ্ৰ স্থাপন কৰা হয়, কৰ্মীৰ প্ৰশিক্ষণৰ কাৰণে। আনহাতে অসম সেৱা সমিতিয়ে জনজাতিৰ মাজত সেৱা কেন্দ্ৰ বিশেষ কৰি কুষ্ঠ ৰোগীৰ আশ্ৰয় স্থাপনৰ বাহিৰেও বাগান আৰু বস্তীৰ ল'ৰা-ছোৱালীৰ কাৰণেও প্ৰতি চাহ বাগান চাৰ্কোলৰ কেন্দ্ৰ স্থাপন কৰি ছাত্ৰসকলক থকাৰ কাৰণে ছাত্ৰাবাস আৰু খোৱা আদিৰ কাৰণে গৱৰ্ণমেণ্টৰ পৰা বৃত্তি দিয়া ব্যৱস্থা কৰাৰ কাম হাতত লয়। স্বৰ্গীয় অমিয় দাদাই আমাৰ আলোচনাত কৈছিল যে বস্তী আৰু বাগানৰ মেধাবী ল'ৰাসকলৰ ডাঙৰ অসুবিধা হৈছে গাওঁ বা বাগানৰ পৰা হাইস্কুলৰ দূৰত্ব আৰু আনহাতে সামাজিক পৰিবেশ। গতিকে মেধাবী ছাত্ৰসকলক

কেন্দ্ৰস্থলৰ হাইস্কুল ওচৰত থকাৰ সুবিধা কৰি দিয়া এটা অতি প্ৰয়োজনীয় কাম।

এই কেন্দ্ৰবিলাক একোখন স্বাৱলম্বী আশ্ৰমৰ দৰে গঢ়ি তুলিব লাগিব। আৱশ্যকীয় শাক-পাছলি, ফল-মূল উৎপাদনৰ উপৰি প্ৰতি কেন্দ্ৰত চাকৰি নেপালেও ছাত্ৰসকলক ওলাই গৈ নিজৰ ভৰিৰ ওপৰত ভৱিষ্যতে যাতে থিয় দিব পাৰে আৰু আনহাতে শিক্ষাৰ লগতে যাতে উপাৰ্জনো কৰিব পাৰে, তাৰ বাবে কাৰিকৰী শিক্ষা, কমাৰ, দৰ্জী, কাঠমিস্ত্ৰী, তাঁত বোৱা আদি বিভিন্ন শিক্ষাৰ প্ৰশিক্ষণ দিয়াৰ প্ৰতিটো কেন্দ্ৰতে ব্যৱস্থা কৰা হৈছিল, উপযুক্ত অভিজ্ঞ শিক্ষক ৰাখি। অসম সেৱা সমিতিৰ ফালৰ পৰা ডুমডুমা চাৰ্কোলৰ বৰহাপজান আৰু বোকাখাট আৰু মৰাণ, ঢেকিয়াজুলি আৰু উত্তৰ লক্ষীমপুৰত 'সেৱতী কেন্দ্ৰ' প্ৰতিষ্ঠা কৰে। এই প্ৰতিটো কেন্দ্ৰত ৩০ জন ছাত্ৰ থকাৰ বোৰ্ডিং ঘৰ আৰু বিভিন্ন কাৰিকৰী বিদ্যাৰ প্ৰশিক্ষণৰ কাৰণে বেলেগ বেলেগ ঘৰ, সজুলিৰ সম্পূৰ্ণ ব্যৱস্থা কৰা হৈছিল। প্ৰতি কেন্দ্ৰত যথেষ্ট মাটি পট্টন দিয়া হৈছিল, শাক-পাছলি, ফল-মূল উৎপাদন আৰু খেলপথাৰ আদিৰ কাৰণে। আনহাতে হিন্দুস্থান মজদুৰ সেৱক সংঘৰ ফালৰ পৰা ছোৱালী আৰু লৰাই বাগানত কাম কৰাৰ উপৰি বা নিবনুৱা ডেকা-গাভৰুৱে ঘৰতে থাকি এনে কাৰিকৰী শিক্ষা লাভ কৰিব পাৰে, তাৰ কাৰণে কেবাখনো বাগানৰ মাজ ঠাইত কোনো বাগানৰ দাঁতিতে প্ৰথম পৰ্যায়ত এনে একোটা কেন্দ্ৰ স্থাপন কৰা কাম হাতত লৈ ১৭টা কেন্দ্ৰ স্থাপন কৰা হৈছিল। এই কেন্দ্ৰবিলাকৰ যোগে জনশিক্ষা, বাগানৰ মজদুৰৰ মাজত চাফ-চিকুণতা, লৰা-ছোৱালীবিলাক বাগানৰ স্কুললৈ নিয়মিতভাৱে যোৱা, মদ নিবাৰণ ইত্যাদি কৰি সামাজিক আৰু আৰ্থিক উন্নয়ন সাধন কৰা, উপযুক্ত নাগৰিক হিচাবে গঢ়ি তোলাৰ অন্যতম উদ্দেশ্য আছিল। লৰা-ছোৱালীৰ মাজত গান-বাজনা আদি বিদ্যাৰ চৰ্চাৰ প্ৰশিক্ষণৰ কাৰণে শিৱসাগৰৰ চেপন বাগানত প্ৰথমতে এটা কেন্দ্ৰ স্থাপন কৰা হৈছিল। স্বৰ্গীয় মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ এই কামত সহযোগ থকাত কেন্দ্ৰ প্ৰতিষ্ঠা কৰা, ঘৰ-দুৱাৰ সজা আৰু অন্য বিভিন্ন কামৰ কাৰণে স্বৰ্গীয় অমিয় কুমাৰ দাসদেৱে আৱশ্যকীয় পুঁজিৰ যোগান ধৰাত একো অসুবিধা পোৱা নাছিল। পুঁজিত কৰি অসম সেৱা সমিতি আৰু হিন্দুস্থান মজদুৰ সংঘ এই অনুষ্ঠানবিলাক

সক্ৰিয় সজীৱ কৰি আদৰ্শ আৰু উদ্দেশ্য বাস্তৱত ৰূপান্তৰিত কৰাৰ কাৰণে ডাঙৰ সমস্যা হল, দক্ষ আৰু শিক্ষিত আদৰ্শব্ৰতী কৰ্মীৰ অভাৱ। দুয়ো অনুষ্ঠানৰ পৰা প্ৰশিক্ষণ দি দক্ষ আৰু আদৰ্শবান কৰ্মী গঢ়ি তুলিবলৈ যথেষ্ট চেষ্টা কৰা সত্ত্বেও শিক্ষিত আদৰ্শবান ডেকাৰ সঁহাৰি পোৱা নহ'ল, দুই চাৰিজনৰ বাহিৰে। আনহাতে যিসকলক প্ৰথম পৰ্যায়ত কৰ্মী প্ৰশিক্ষণ আদি দি কামত নিয়োগ কৰা হৈছিল, সেইসকলৰ সৰহ সংখ্যকে অন্য সৰহীয়া দৰমহা পাই আঁতৰি গ'ল। ডাঙৰ বিপদ আহিল ৺গোপীনাথ বৰদলৈদেৱৰ অকাল মৃত্যুত, আগৰ মুৰুব্বি হস্তৰ অনুদান ক্ৰমে কমি আহিল, দ্বিতীয়তে বি, কে, ভাণ্ডাৰীৰ দুৰ্ভাগ্যজনক মৃত্যুত অকল অসম সেৱা সমিতিৰে নহয়,অসমৰ সেৱা আৰু গঠনমূলক কামত এটা ডাঙৰ শূন্যতা আহি পৰিল, যাৰ আজিও পূৰণ হোৱা নাই। অসমৰো ই এক দুৰ্ভাগ্যজনক কথা। আনহাতে অসম ৰাষ্ট্ৰীয় কংগ্ৰেছৰ নেতৃত্বৰ ভাৰ লবলৈ উপযুক্ত দায়িত্বপূৰ্ণ লোক অহাত লেখক হিন্দুস্থান মজদুৰ সংঘ আৰু ৰাষ্ট্ৰীয় মজদুৰ সংঘৰ দায়িত্বৰ পৰা অব্যাহতি লয়। গৱৰ্ণমেণ্টৰ নীতিৰো পৰিৱৰ্তন ঘটে। অসমত গৱৰ্ণমেন্টৰ ফালৰ পৰাই কুষ্ঠৰোগী আৰু বাগানৰ শ্ৰমিকৰ মাজত কল্যাণ বৰ্ড কেন্দ্ৰ প্ৰতিষ্ঠা কৰা কাম হাতত লোৱাত অসম সেৱা সমিতি আৰু হিন্দুস্থান মজদুৰ সংঘৰ কেন্দ্ৰবিলাকৰ অনুদান বছৰি কমাই নিয়াৰ ফলত কেন্দ্ৰবিলাক পৰিচালনা কৰাত অসুবিধাৰ সন্মুখীন হয়। আনহাতে এনে সমাজসেৱাৰ কামৰ প্ৰতি ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছেও গুৰুত্ব নিদিয়াত বৰ্তমান কেইখনমান কেন্দ্ৰহে মাত্ৰ নামত জীয়াই আছে। অসম সেৱা সমিতি আৰু হিন্দুস্থান মজদুৰ কংগ্ৰেছে যি আদৰ্শ আৰু উদ্দেশ্য লক্ষ্য ৰাখি এই কেন্দ্ৰবিলাক প্ৰতিষ্ঠা কৰিছিল, এই কেন্দ্ৰবিলাক সক্ৰিয় কৰি জীয়াই ৰখা হৈতেন ই বাগানৰ শ্ৰমিক সমাজৰ আমূল পৰিবৰ্তন অনাৰ উপৰিও আজি বাগানবিলাকত যি ডেকা-গাভৰুৰ নিবনুৱা সমস্যাই দেখা দিছে সেই সমস্যাৰো বহদূৰ সমাধান হ'লহেঁতেন।

গান্ধীজী আৰু বহিৰাগত সমস্যা

গান্ধীজীয়ে অসমত অন্য ৰাজ্যৰ পৰা বেপাৰ বাণিজ্য, শিল্প, ঠিকা আদি বিভিন্ন ধৰণে ধন উপাৰ্জন কৰিবলৈ অহাসকলক সেইসকল

লোকৰ নেতৃস্থানীয় লোকৰ লগত আলোচনা কৰোঁতে আৰু অইন-চাৰি ডিব্ৰুগড়ৰ ৰাজহুৱা সভাত প্ৰকাশ্যভাৱে কৈছিল যে অসমত ধন সম্পদ উপাৰ্জন কৰা আৰু যিসকলে অসমত বসতি কৰিবলৈ লৈছে, সেইসকলৰ কি হিন্দুস্থানী, ৰাজস্থানী বা বঙালী সকলো অনা-অসমীয়াই অসমক নিজ বাসভূমিৰ দৰে ভাবি অসমৰ স্বাৰ্থৰ লগত জড়িত কৰি লোৱা উচিত।"

ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ সংগঠন আৰু গান্ধীজী

আন্তৰ্জাতিক ৰাষ্ট্ৰীয় সন্থা (UNO) ৰ দ্বাৰা ১৯১৯ চনত আন্তৰ্জাতিক বনুৱা সন্থা (ILO) ৰ সংগঠন হয়। আন্তৰ্জাতিক ৰাষ্ট্ৰীয় সন্থাৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰসমূহৰ পৰা চৰকাৰ, মালিক আৰু শ্ৰমিকৰ সমান সংখ্যক প্ৰতিনিধিলৈ এই বনুৱা সন্থা গঠিত হয়। গতিকে ভাৰতৰ শ্ৰমিকসকলৰ তৰফৰ পৰা প্ৰতিনিধি নিৰ্বাচন কৰিবৰ কাৰণে সৰ্বভাৰতীয় এটা বনুৱা সন্থাৰ প্ৰয়োজন হৈ পৰে।

আন এটা প্ৰধান উদ্দেশ্য হ'ল-- ভাৰতৰ বিভিন্ন প্ৰদেশত বিভিন্ন শিল্পত গঢ়ি উঠা বনুৱা সংঘ, সন্থাসমূহৰ মাজত সহযোগ ৰাখি, সেই-বিলাক ঐক্যবদ্ধ কৰি শ্ৰমিক সংগঠন ব্যাপকৰূপে গঢ়ি তোলা আৰু তাৰ দ্বাৰা ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক উৎকৰ্ষ সাধন কৰা। সেই সময়ত প্ৰায়বিলাক সংগঠিত বনুৱা সংগঠনেই নিশকতীয়া আৰু সোলোক-চোলোক অৱস্থাত আছিল। গতিকে ভালেমান নেতাই এনে সৰ্বভাৰতীয় বনুৱা সংগঠনৰ উপযুক্ত সময় হোৱা নাই বুলি সমা-লোচনাও কৰিছিল। বহুতো সংঘ ধৰ্মঘট পৰিচালনা কৰা কমিটী একোটাৰ দৰে কেইজনমান কাৰ্য্যকৰী সভ্য লৈয়ে সংগঠন চলাই আছিল। ইং ১৯১৮ চনৰ প্ৰথম ভাগত বি-পি ওৱাদিয়াই নীতি আৰু আদৰ্শগত-ভাৱে মাদ্ৰাজৰ কাপোৰ কলত বনুৱা সংগঠন আৰম্ভ কৰে বুলি কব পৰা যায়। ইয়েই ক্ৰমান্বয়ে মাদ্ৰাজৰ বিভিন্ন শিল্প, কল-কাৰখানালৈ বিয়পি পৰে। কিন্তু বোম্বাইৰ কাপোৰ কলৰ বনুৱা সংগঠনেহে প্ৰকৃততে ভাৰতৰ বনুৱা আন্দোলনৰ নেতৃত্ব কৰি আহিছিল—কুৰি শতিকাৰ আৰম্ভণিৰে পৰা।

নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সংগঠন (এ-আই-টি-ইউ-চি)

১৯২০ চনত সেই সময়ত ভাৰতত বিভিন্ন অঞ্চলত বেলেগ বেলেগ ভাৱে গঠিত হোৱা ৬২ খন সংঘৰ প্ৰতিনিধি লৈ এ-আই-টি-ইউ-চি গঠন কৰা হয়। ইয়াৰ মুঠ সভ্যসংখ্যা আছিল ১ লাখ ৪০ হেজাৰ ৮শ ৫৪ জন। ইয়াৰ ভিতৰত ৬১,৪২৭ জন ৰেলৰ, ১৮,৮০০ জন জাহাজ আৰু অন্যান্য শিল্পৰ আছিল ৩০,০০০ জন। প্ৰদেশ হিচাপে পঞ্জাবৰ ৭০,০০০, বোম্বাইৰ ৪৭,০০০, উত্তৰ প্ৰদেশৰ ১৫০০, আৰু মাদ্ৰাজ আদি প্ৰদেশত ৮০০০ মাত্ৰ শ্ৰমিক সংগঠিত হৈছিল। ভাৰতীয় কংগ্ৰেছৰ সভাপতি লালা ৰাজপত ৰায়ে উদ্বোধনী সভাৰ সভাপতিত্ব কৰিছিল আৰু বিশিষ্ট অতিথি হিচাপে মতিলাল নেহৰু, মিছেছ এনি-বেছাণ্ট, মহম্মদ আলী জিন্না প্ৰভৃতি কংগ্ৰেছৰ নেতাসকলে।

কিন্তু আহমদাবাদৰ কাপোৰ কলৰ বনুৱা সন্থা ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ অন্তৰ্ভুক্ত হোৱা নাছিল। এ-আই-টি-ইউ-চিৰ তৰফৰ পৰা এই 'টেক্সটাইল লেবাৰ সংঘ' অন্তৰ্ভুক্ত কৰিবৰ কাৰণে কৰা অনুৰোধত গান্ধীজীয়ে উত্তৰ দিছিল যে তেওঁ আহমদাবাদ কাপোৰ কলৰ বনুৱা সংঘ স্থাপন কৰিছে এটা বিশেষ আদৰ্শ আৰু কাৰ্য্যপন্থা বাস্তৱভাৱে পৰীক্ষা কৰি চাবৰ কাৰণে। তেখেতৰ গৱেষণাগাৰ হৈছে এই আহ-মদাবাদৰ কাপোৰ কলৰ সংগঠনটো। গতিকেই তেখেতে বৰ্তমান উক্ত সংঘ এ-আই-টি-ইউ-চিৰ অন্তৰ্ভুক্ত কৰাটো নিবিচাৰে। তেখেতে এইটোও কৈছিল যে গোটেই ভাৰতৰ বনুৱা সংঘবিলাক আহমদাবাদৰ কাপোৰ কলৰ বনুৱা সংগঠনৰ আদৰ্শত গঠন হোৱাটো বিচাৰে। গতিকে সেই অৱস্থা নোহোৱালৈকে তেখেতে আহমদাবাদৰ 'টেক্সটাইল লেবাৰ এছ'চিয়েছন' এ-আই-টি-ইউ-চিৰ অন্তৰ্ভুক্ত নোহোৱাটো বাঞ্চা কৰে।

১৯২০ চনত প্ৰধানকৈ মানৱ সেৱা ভাৱাপন্ন আৰু জাতীয় কংগ্ৰেছৰ লগত জড়িত থকা লোকৰ নেতৃত্বত ভাৰতৰ বিভিন্ন অঞ্চলত সংগঠিত বনুৱা সংঘবিলাকৰ প্ৰতিনিধিসকল একত্ৰিত হৈ "নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছ" গঠন কৰিছিল। এনে এটা জাতীয় পৰ্য্যায়ৰ বনুৱা সংগঠন থকা সত্ত্বেও কিয় অন্য এটা জাতীয় পৰ্য্যায়ৰ বনুৱা সন্থা—

অৰ্থাৎ ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ (আই-এন-টি-ইউ-চি) গঠন কৰিব লগীয়া হ'ল, ইয়াৰনো পটভূমিত আছিল কি ?

১৯৪২ চনৰ ৮ আগষ্টত কংগ্ৰেছে 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰিলে। ৯ আগষ্টৰ পুৱতি ৰাতিতে গান্ধীজী প্ৰমুখ্যে 'নেতাবৃন্দ'ৰ গ্ৰেপ্তাৰৰ বাতৰি বনজুইৰ দৰে বিয়পি পৰিল। আৰম্ভ হ'ল দেশ-ব্যাপী গণবিপ্লৱ। মিলিটাৰী, পুলিচৰ অত্যাচাৰ-উৎপীড়ণত দহ হেজাৰ লোকে গুলীত প্ৰাণ আহুতি দিলে। ডেকা-গাভৰুৰ ৰক্তেৰে ভাৰত-ভূমি ৰাঙলী হ'ল। হেজাৰ হেজাৰ নেতা কৰ্মী জেলত আৱদ্ধ হ'ল। বন্দুকৰ গুলীত, সংগীনৰ খোচত, লাঠীৰ মাৰত ঘূণীয়া হ'ল হেজাৰ-বিজাৰ নৰ-নাৰী, অলেখ গাভৰু-বোৱাৰী লাঞ্ছিতা-ধৰ্ষিতা হ'ল বৰ্বৰ মিলিটাৰীৰ কৱলত পৰি।

কিন্তু ১৯৪২ চনৰ এই গণ বিপ্লৱত মস্কোৰ নিৰ্দেশত ভাৰতীয় কমিউনিষ্ট দলে সক্ৰিয়ভাৱে আন্দোলনৰ বিৰোধিতা কৰিলে। তেওঁ-লোকৰ ধ্বনি আছিল 'জনযুদ্ধ'। আনহাতে কংগ্ৰেছ আৰু অন্য জাতীয়তা-বাদী বাওঁপন্থী বনুৱা নেতা-কৰ্মীসকল জেললৈ গ'ল। এই শূন্যতাৰ সুযোগ লৈ কমিউনিষ্টসকলে বনুৱা শ্ৰেণীৰ মাজত তেওঁলোকৰ সংগঠন দৃঢ় কৰিবৰ উদ্দেশ্যে প্ৰচেষ্টা চলালে, লগত ইন্ধন যোগালে বৃটিছে।

১৯৪৪ চনৰ ৬ মে'ত স্বাস্থ্যজনিত কাৰণত গান্ধীজীক জেলৰ পৰা মুক্তি দিলে। যিসকল কংগ্ৰেছ কৰ্মী ইতিমধ্যে জেলৰ পৰা ওলাইছিল তেওঁলোকে কাম-কাজৰ উৱাদিহ নোপোৱা হ'ল। কংগ্ৰেছৰ ভিত-ৰতো এক উগ্ৰপন্থী দল আছিল। জননেতা জয়প্ৰকাশ নাৰায়ণৰ নেতৃ-ত্বত এই দলে বিহাৰত গুপ্তভাৱে আন্দোলন চলাই আছিল। আন-হাতে যিসকল কংগ্ৰেছ আৰু হিন্দুস্থান মজদুৰ সেৱক সংঘৰ জৰিয়তে বনুৱা সংগঠনত আত্মনিয়োগ কৰিছিল, বিভিন্ন অঞ্চলত বনুৱা সংঘ স্থাপন কৰিছিল, তেওঁলোকে জেলৰ পৰা ওলাই আহি দেখিলেহি যে এ-আই-টি-ইউ-চি সম্পূৰ্ণ কমিউনিষ্টৰ দখলাধীন। বহুতো বনুৱা সংঘৰ মাজত কমিউনিষ্ট দলে বিভেদ সৃষ্টি কৰি একোখন সমান্তৰাল সংঘ স্থাপন কৰিছিল।

ভাৰতীয় কমিউনিষ্ট পাৰ্টি আৰু বনুৱা সংগঠন

১৯১৯ চনৰ এপ্ৰিলত মস্কোত পোন প্ৰথমবাৰ আন্তৰ্জাতিক কমিউনিষ্ট সন্মিলন বহে। সেই সন্মিলনত গান্ধীজীৰ অহিংসা আদৰ্শ, সত্যাগ্ৰহ আৰু অসহযোগ নীতিৰ তীব্ৰ সমালোচনা কৰা হৈছিল। সেই সমালোচনাত গান্ধীজীক প্ৰতিক্ৰিয়াশীল আৰু সৰ্বহাৰা শ্ৰেণীৰ সংগ্ৰামৰ ঘোৰ বিৰোধী, পুঁজিপতিসকলৰ দালাল বুলি আক্ৰমণ কৰিছিল।

"Gandhism is more and more becoming an ideology, directed against mass revolution. It must be strongly combated by Communism."

ভাৰতৰ বনুৱা সংগঠনৰ বিষয়ে ১৯২৪ চনত বহা 'পঞ্চম আন্তৰ্জাতিক কমিউনিষ্ট' সন্মিলনে ভাৰতৰ কমিউনিষ্টসকলক নিৰ্দেশ দিলে :

"The Indian communists must bring the trade union movement under their influence; they must re-organise it on a class-basis and purge it of all alien elements."

গান্ধীজীৰ নেতৃত্বত হোৱা সকলো স্বাধীনতাৰ আন্দোলন আৰু বনুৱা সংগঠনৰ কাম ভাৰতৰ কমিউনিষ্টসকলে বিৰোধিতা কৰি আহিছিল। তেওঁলোকৰ 'গায়ত্ৰী মন্ত্ৰ' আছিল উক্ত দুই প্ৰস্তাৱৰ নিৰ্দেশ— যাক কমিউনিষ্ট দলে আখৰে আখৰে এই 'সংস্কাৰ নিৰ্দেশ' অনুসৰণ কৰি আহিছিল।

১৯২০।২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৩০।৩২ৰ আইন অমান্য আন্দোলনত এই কমিউনিষ্টসকলে সহযোগ কৰা নাছিল, বৰং বিৰোধিতাহে কৰিছিল—বুৰ্জুৱা আন্দোলন বুলি।

১৯২৫ চনত 'বৃটিছ কমিউনিষ্টৰ' দাদাগিৰিত কমিউনিষ্ট পাৰ্টি অৱ ইণ্ডিয়া (C. P. I.) গঠন হয়। তেওঁলোকৰ নীতি আছিল কংগ্ৰেছৰ ভিতৰত এদল সোমাই লৈ কংগ্ৰেছৰ ভিতৰৰ বাওঁপন্থী (ছ'চিয়েলিষ্ট)সকলক শিখণ্ডি হিচাপে আগত লৈ কংগ্ৰেছ আৰু বনুৱা সন্থা এ-আই-টি-ইউ-চি দখল কৰা। নিখিল ভাৰত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ সৰহ সংখ্যক বনুৱা সন্থা আছিল—কংগ্ৰেছ আৰু হিন্দুস্থান মজদুৰ সেৱক সংঘৰ কৰ্মীৰ দ্বাৰা সেই সময়ত সংগঠিত হোৱা।

১৯২৪ চনত দেশভক্ত চি-আৰ দাসৰ সভাপতিত্বত কলিকতাত বহা এ-আই-টি-ইউ-চিৰ সভাত কামিউনিষ্টসকলে জাল সভ্যৰ ভেটিত অধিক সংখ্যক জাল প্ৰতিনিধি আনি 'কাণপুৰৰ ষড়যন্ত্ৰ'ত অভিযুক্ত হোৱা উগ্ৰপন্থীসকলৰ দাবী তুলি, সমস্যাৰ উদ্ভৱ কৰি বিশৃংখলাৰ সৃষ্টি কৰাত দেশভক্ত চি-আৰ দাসে কমিউনিষ্টসকলক সাৱধান কৰি দিছিল। ভাৰতীয় বনুৱা সংগঠনৰ কৰ্মীসকল—"Not to be misled by European ideals and catch words."

তেখেতে সঁকিয়াই দিছিল যে ভাৰতীয় আদৰ্শ, সংস্কৃতি আৰু বনুৱা সমাজৰ পৰিবেশ ইউৰোপৰ বনুৱা সমাজৰ সৈতে একে নহয়। গতিকে ইউৰোপৰ আদৰ্শ আৰু নীতিত ভাৰতৰ বনুৱা শ্ৰেণীৰ সংগঠন কৰিবলৈ যোৱাটো উচিত নহয়। এই ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু অন্যান্য ৰাজহুৱা আৰু বনুৱা অনুষ্ঠানৰ হেঁচাত ১৯২৪ চনৰ ১ মাৰ্চৰ ইণ্ডিয়ান লেজিছলেটিভ এছেম্বলীৰ এটা প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত ১৯২৬ চনৰ ২৫ মাৰ্চত লেজিছলেটিভ এছেম্বলীত Indian Trade Union Act 1926. (Act. XVI of 1926) গৃহীত হয়।

ভাৰতত কমিউনিষ্ট সংগঠন বিশেষকৈ বনুৱা শ্ৰেণীৰ মাজত গঢ়ি নুঠাত মস্কো চিন্তিত হৈ পৰে। ১৯২৮ চনত কমিউনিষ্ট আন্তৰ্জাতিক সন্মিলনত এই বিষয়ে বিতং আলোচনা চলে। এই সন্মিলনে ভাৰতীয় কমিউনিষ্টসকলক অন্য বাওঁপন্থী দলসমূহৰ লগত মিত্ৰতা স্থাপন কৰি নিজৰ প্ৰভাৱৰ তললৈ ক্ৰমে মজদুৰ কৃষক সংঘবিলাক অনা নীতি লৈ কাম কৰিবলৈ নিৰ্দেশ দিছিল।

১৯২৭ চনত এ-আই-টি-ইউ-চিৰ 'কাণপুৰ অধিবেশনত' কংগ্ৰেছৰ বাওঁপন্থী ছ'চিয়েলিষ্ট আদি দলৰ সহযোগত কমিউনিষ্ট দলে কমৰেড এছ-ডি গেইটক এজন সম্পাদক হিচাপে নিৰ্বাচিত কৰিবলৈ সক্ষম হয়। ১৯২৮।২৯ চনৰ নাগপুৰ অধিবেশনত মস্কোৰ নিৰ্দেশ অনুসৰি এ-আই-টি-ইউ-চিৰ কাৰ্য্যকৰী কমিটীত গৰিষ্ঠতা লাভ কৰি গোটেই অনুষ্ঠান তেওঁলোকৰ প্ৰভাৱাধীন কৰিবৰ উদ্দেশ্যে প্ৰচেষ্টা চলায়। এই সময়ত বৃটেইনৰ ডালেকেইজন কমিউনিষ্ট নেতা ভাৰতলৈ পৰিস্থিতি অধ্যয়নৰ কাৰণে আহিছিল। তাৰ ভিতৰত অন্যতম আছিল স্বাপুৰজী শ্বেলভেলা।

এওঁ এজন ভাৰতীয়। নিৰ্বাচিত হৈছিল বৃটিছ পাৰ্লামেণ্টৰ সদস্য স্বৰূপে। তেওঁৰ উদ্দেশ্য আছিল ভাৰতীয় কমিউনিষ্ট পাৰ্টি সক্ৰিয় কৰি তোলা আৰু লগতে এ-আই-টি-ইউ-চিক কমিউনিষ্ট প্ৰভাৱাধীন কৰা। এইদৰে এ-আই-টি-ইউ-চিক নিজ দখললৈ আনি ১৯২৮। ২৯ চনত নিজক শ্ৰমিকৰ মাজত জনপ্ৰিয় আৰু প্ৰভাৱ বিস্তাৰৰ কাৰণে ব্যাপকৰূপে ধৰ্মঘট আৰম্ভ কৰে বিশেষকৈ বোম্বাইত। বোম্বাইত কাপোৰ কলৰ ১ লাখ ৫০ হেজাৰ বনুৱাৰ ৬মাহ জুৰি চলা ধৰ্মঘটৰ বিফলতাত কমিউনিষ্ট সকলৰ প্ৰতি শ্ৰমিকসকলৰ আস্থা হ্ৰাস পায়। আনহাতে চৰকাৰে ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰায় ৩০ জনতো অধিক নেতাক গ্ৰেপ্তাৰ কৰি বিচাৰৰ কাৰণে মীৰাট জেলত আৱদ্ধ কৰে। এয়ে 'মীৰাট ষড়যন্ত্ৰ' বুলি জনাজাত হৈ পৰে।

গান্ধীজী আৰু বনুৱা সংগঠন

গান্ধীজীৰ শিষ্যা অনসূয়া বেনৰ নেতৃত্বত ১৯১৭ চনত আহমদাবাদৰ কাপোৰ মিলত গঠন হোৱা বিভিন্ন সংঘবিলাক, গান্ধীজীৰ পৰামৰ্শত ১৯২০ চনত একগোট কৰি 'আহমদাবাদ টেক্সটাইল লেবাৰ এছোচিয়েছন' গঠন কৰা হয়। এই সংঘৰ আদৰ্শ আৰু নীতি কমিউনিষ্টসকলৰ শ্ৰেণী সংগ্ৰাম আৰু হিংসাত্মক বিপ্লৱৰ আদৰ্শ আৰু নীতিৰ বিৰোধী আছিল। গান্ধীজীৰ বনুৱা সংগঠনৰ কথা আছিল বনুৱাসকলক জাতীয় ভাৱাপন্ন কৰি সংগঠন কৰা আৰু তাৰ মাধ্যমেৰে শ্ৰমিকসকলৰ মাজত ৰাজনৈতিক চেতনা জগাই অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন সাধনৰ জৰিয়তে জাতীয় সেৱা কাৰ্য্যত আত্মনিয়োগ কৰোৱা। বনুৱা শ্ৰেণীৰ সংগঠনৰ অৰ্থ কেৱল তেওঁলোকৰ অৰ্থনৈতিক দাবী পূৰণৰ কাৰণে সংগ্ৰাম বা ধৰ্মঘট কৰাই একমাত্ৰ কাম নুবুজায়। তেওঁলোকক নাগৰিক দায়িত্ববোধেৰে উদ্বুদ্ধ কৰি শিল্প পৰিচালনাত অংশ গ্ৰহণ কৰিবৰ কাৰণেও উপযুক্তভাৱে গঢ়ি তুলি, জীৱনৰ মানদণ্ড আৰু মানসিক উন্নয়নৰ কাম হাতত ল'ব লাগে। আলোচনাৰ মাজেদি বনুৱা আৰু মালিকৰ বিবাদ মীমাংসা কৰাৰ ওপৰত গান্ধীজীয়ে গুৰুত্ব দিছিল। গান্ধীজীৰ এই নীতিৰ প্ৰধান ভেটি আছিল বনুৱা আৰু মালিকৰ সমান সমান প্ৰতিনিধি লৈ চালিছী বোৰ্ড (Arbitration Board) গঠন

কৰি তাৰ মাধ্যমেৰে মালিক-বনুৱা বিবাদ নিষ্পত্তি কৰা। গান্ধীজী ধৰ্মঘটৰ বিৰোধী নাছিল। শান্তিপূৰ্ণভাৱে বনুৱাৰ ন্যায় আৰু যুক্তি-সংগত দাবীৰ সমাধানৰ সকলো পথ বন্ধ হলেহে 'শেষ অস্ত্ৰ' ধৰ্মঘট বা সত্যাগ্ৰহ কৰা উচিত বুলি তেখেতে কৈছিল। গান্ধীজীয়ে নিজেও কেইবা-টাও বনুৱা ধৰ্মঘট পৰিচালনা কৰিছিল—তাকো চালিছী বোৰ্ডৰ যো'গ বনুৱাৰ দাবীৰ মীমাংসা নোহোৱাতহে।

ভাৰতীয় শ্ৰমিকসকল এটা বেলেগ শ্ৰেণী নহয়—ই ভাৰতীয় জাতিৰ এটা অংগহে। গান্ধীজী কমিউনিষ্টৰ শ্ৰেণী সংগ্ৰাম মতবাদৰ ঘোৰ বিৰোধী আছিল।

১৯২৯ চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত নাগপুৰত বহা এ-আই-টি-ইউ-চিৰ অধিবেশনত কমিউনিষ্ট সকলে ছ'চিয়েলিষ্ট আৰু অন্যান্য বাওঁপন্থীসকলৰ সহযোগত সম্পূৰ্ণভাৱে দখল কৰাত কমিউনিষ্ট আদৰ্শ আৰু কাৰ্য্যপন্থাৰ বিৰোধী অন্য বনুৱা সংঘবিলাক ওলাই গৈ "Indian Trade Union Federation" নাম দি এটা সংগঠন কৰে। এই সংগঠনৰ নেতা আছিল সুভাষ চন্দ্ৰ বসু।

ভাৰতীয় কমিউনিষ্ট দলৰ নীতি-নিৰ্দেশক বৃটিছ কমিউনিষ্ট দলৰ অন্যতম নেতা Mr. Saklavalaই গান্ধীজীক অতি জঘন্যভাৱে প্ৰতিক্ৰিয়াশীল, পুঁজিপতিৰ দালাল, শ্ৰমিক-কৃষকৰ শত্ৰু, বিশ্বাসঘাতক আদি অনেক হীন মন্তব্য কৰাত ১৯৩১ চনৰ এ-আই-টি-ইউ-চিৰ অধিবেশনত জাতীয় ভাৱাপন্ন বাওঁপন্থী আৰু উগ্ৰপন্থী কমিউনিষ্ট সকলৰ মাজত মতভেদ হয়। উগ্ৰপন্থী কমিউনিষ্টসকল ওলাই গৈ "All India Red Trade Union Congress" নাম দি অন্য এটা সংগঠন কৰে। কংগ্ৰেছী ছ'চিয়েলিষ্ট আৰু অন্য বাওঁপন্থীসকলক ভুৱা দিবৰ কাৰণেই আছিল কমিউনিষ্টসকলৰ এটা 'চাল'হে মাত্ৰ। আনহাতে ১৯২৯ চনত গঠন হোৱা Indian Trade Union Federation ১৯৩৩ চনৰ এপ্ৰিলত কলিকতাত অনুষ্ঠিত অধিবেশনত সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত National Trade Union Federation গঠন কৰে। ইয়াৰ সৰ্বমুঠ সভ্য সংখ্যা আছিল ১,৪৫,০০০।

১৯৩৫ চনত "All India Red Trade Union" এ-আই-টি-ইউ-চিৰ লগত পুনৰ চামিল হয়। ছ'চিয়েলিষ্ট আৰু এ-আই-টি-ইউ-চিৰ মাজত এটা চুক্তি হয়। এ-আই-টি-ইউ-চিয়ে "কংগ্ৰেছৰ ছ'চিয়েলিষ্ট" দলক বনুৱা শ্ৰেণীৰ এটা ৰাজনৈতিক দল হিচাপে স্বীকৃতি আৰু সমৰ্থন দিব। তাৰ বিনিময়ত ছ'চিয়েলিষ্টসকলৰ বনুৱা সংঘবিলাক এ-আই-টি-ইউ-চিৰ অন্তৰ্ভুক্তকৰণ হ'ব। কিন্তু ই আনহাতে ছ'চিয়েলিষ্ট নাম লৈ কামিউ-নিষ্টসকলক কংগ্ৰেছত সোমোৱাৰ সুবিধা কৰি দিয়ে।

১৯৩৭ চনত কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰা প্ৰদেশবিলাকত মন্ত্ৰী সভা গঠন কৰে। কংগ্ৰেছ ছ'চিয়েলিষ্ট আৰু কমিউনিষ্টসকলে বিভিন্ন ধৰণৰ দাবী তুলি এফালে ধৰ্মঘট আৰু আনফালে কৃষক আন্দোলন ব্যাপকভাৱে আৰম্ভ কৰি যুক্তপ্ৰদেশ, বিহাৰ আদি ৰাজ্যত কংগ্ৰেছী মন্ত্ৰীসভাক ব্যতিব্যস্ত কৰি তুলিছিল। ইফালে লীগ মন্ত্ৰীসভা শাসিত প্ৰদেশ কেইখনত কোনো ধৰণৰ ধৰ্মঘট কিম্বা কৃষক আন্দোলন আদি হোৱা নাছিল। বৰং কিছু কিছু ক্ষেত্ৰত সহযোগহে কৰা দেখা গৈছিল। এই সমস্যাৰ সম্মুখীন হোৱাৰ কাৰণে কংগ্ৰেছ আৰু হিন্দুস্থান মজদুৰ সেৱক সংঘয়ো শ্ৰমিক আৰু কৃষক সংগঠনৰ কাম হাতত লয়।

১৯৩৮ চনত পুনৰ নাগপুৰত বহা এ-আই-টি-ইউ-চিৰ অধিবেশনত জাতীয় পৰ্য্যায়ৰ বনুৱা সন্থাবিলাক একত্ৰিত হোৱাৰ বিষয় লৈ আলোচনা হয় আৰু এন-টি-ইউ-এফ পুনৰ এ-আই-টি-ইউ-চিৰ লগত চামিল হয়। আহমদাবাদ টেক্সটাইল লেবাৰ এছোচিয়েছন আৰু কিছু সংখ্যক হিন্দু-স্থান মজদুৰ সেৱক সংঘই গঠন কৰা সংঘ স্বতন্ত্ৰীয়া হৈ থাকে।

১৯৩৮ চনত যদিও এই চামিলকৰণ হয়, কিন্তু ১৯৪২ চনৰ গণ আন্দোলনৰ সময়ত কংগ্ৰেছ, হিন্দুস্থান মজদুৰ সেৱক সংঘ, ছচিয়েলিষ্ট আদি জাতীয়তাবাদী বনুৱা নেতা, কৰ্মী জেলত আৱদ্ধ হৈ থকাৰ সুযোগ লৈ এ-আই-টি-ইউ-চিক কমিউনিষ্টসকলে পূৰ্ণ দখললৈ আনে।

এনে পৰিবেশত আগতে উল্লেখ কৰি অহা ১৯৪৪ চনৰ জুন মাহত কংগ্ৰেছ আৰু হিন্দুস্থান মজদুৰ সেৱক সংঘৰ কৰ্মীসকলে তেওঁলোকৰ ভৱিষ্যত কাৰ্য্যপদ্ধতিৰ বিষয় লৈ গান্ধীজীৰ লগত আলোচনা কৰে।

যিসকল কংগ্ৰেছী লোকে বনুৱা সংগঠনত আত্মনিয়োগ কৰিব খোজে, সেইসকলক হিন্দুস্থান মজদুৰ সংঘৰ আদৰ্শ আৰু নীতিত বনুৱা সংগঠন কৰিবৰ কাৰণে গান্ধীজীয়ে পৰামৰ্শ দিলে। কংগ্ৰেছ আৰু আন জাতীয় ভাৱাপন্ন কৰ্মীক বনুৱা সংগঠনৰ কাম কৰিবৰ কাৰণে প্ৰশিক্ষণ দিয়াৰ দায়িত্ব লবলৈ "হিন্দুস্থান মজদুৰ সেৱক সংঘক" নিৰ্দেশ দিয়ে।

হিন্দুস্থান মজদুৰ সেৱক সংঘ

গান্ধীজীৰ আদৰ্শ আৰু নীতিত বিশেষকৈ কৃষকসকলৰ মাজত সামাজিক অৰ্থনৈতিক উন্নয়নমূলক কাম কৰিবৰ কাৰণে 'গান্ধী সেৱা সংঘ' নাম দি এটা অনুষ্ঠান গঠন কৰা হৈছিল। ছৰ্দাৰ বল্লভ ভাই পেটেল, যমুনালাল বাজাজ, গুলজাৰীলাল নন্দ, অনসূয়া বেন, শংকৰলাল বেংকট আদি ভালেকেইজন বিশিষ্ট সমাজসেৱক ইয়াৰ সদস্য আছিল। কৃষকৰ মাজত কাম কৰাৰ বাদেও, বনুৱাসকলক টেক্সটাইল লেবাৰ এছোচিয়েছনৰ সংগঠনৰ আদৰ্শত প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীক বনুৱা সংগঠনৰ কামত সহায় কৰা অন্য এক কামো আছিল এই 'গান্ধী সেৱা সংঘ'ৰ।

কিন্তু ক্ৰমে বনুৱা সংঘৰ গুৰুত্ব বাঢ়ি অহাত আৰু কমিউনিষ্টসকলে এ-আই-টি-ইউ-চি দখল কৰি ব্যাপকভাৱে বনুৱা সংগঠনৰ কামত লগাত তাত বাধা দিবৰ কাৰণে অধিক সংখ্যক কৰ্মীক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজন হোৱাত ১৯৩৮ চনত 'হিন্দুস্থান মজদুৰ সেৱক সংঘ' নাম দি এটা সংগঠন স্থাপন কৰা হয়।

ছৰ্দাৰ পেটেল সভাপতি, জয়ৰাম দাস দৌলতৰাম, গুলজাৰিলাল নন্দ সম্পাদক হয়। কৰ্মী প্ৰশিক্ষণৰ কাৰণে আহমদাবাদত এটা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হয়। এই সংঘৰ আৱশ্যকীয় পুঁজি আহমদাবাদ টেক্সটাইল লেবাৰ এছোচিয়েছনে যোগান ধৰি আছে। এইদৰে এই ক্ষেত্ৰত প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মীসকলে ভাৰতৰ বিভিন্ন অঞ্চলত গান্ধীজীৰ আদৰ্শত বনুৱা সংগঠনৰ কাম আৰম্ভ কৰে। আগতে উনুকিয়াই অহা হৈছে যে এ-আই-টি-ইউ-চিৰ ফালৰ পৰা যেতিয়া আহমদাবাদ টেক্স-

টাইল লেবাৰ এছোচিয়েছনক উক্ত বনুৱা সন্থাৰ অন্তৰ্ভুক্ত কৰাৰ কাৰণে গান্ধীজীক অনুৰোধ কৰা হৈছিল তেতিয়া গান্ধীজীয়ে কৈছিল যে উক্ত লেবাৰ এছোচিয়েছন তেখেতৰ বনুৱা সংগঠনৰ আদৰ্শ আৰু নীতিত সংগঠিত কৰিছে। সেইখন সন্থা তেখেতৰ গৱেষণাগাৰ—য'ত তেখেতে পৰীক্ষা-নিৰীক্ষা চলাইছে। তেখেতৰ আদৰ্শ আৰু নীতিত বনুৱাসকলৰ কেৱল আৰ্থিক উন্নয়নৰ কথাই নহয়, সামাজিক দিশৰ উন্নয়নৰ ওপৰতো গুৰুত্ব দিয়া হয়। শ্ৰেণী সংগ্ৰাম হিংসাত্মক সংঘৰ্ষ, ধৰ্মঘট আদিৰ নীতি বাদ দি, অহিংসা, শান্তি আৰু আপোচ-আলোচনাৰ মাজেদি বনুৱা আৰু মালিকৰ মাজত দ্বন্দ বা সমস্যাদি সমাধান কৰা সম্ভৱপৰ হয় নে নহয়—এই প্ৰশ্নৰো পৰীক্ষা কৰা হৈছে—বাস্তৱ ক্ষেত্ৰত তেখেতৰ নীতি প্ৰয়োগ কৰি। তেখেতে বাঞ্চা কৰে ভাৰতৰ বনুৱা সংগঠনৰ কাম তেখেতৰ উক্ত আদৰ্শ আৰু নীতিত পৰিচালিত হোৱা গতিকে আহমদা-বাদ টেক্সটাইল লেবাৰ এছোচিয়েছনৰ সংগঠন এ-আই-টি-ইউ-চিৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰশ্ন নুঠে।

গান্ধীজী ভাৰতীয় শ্ৰমিকসকলক এটা পৃথক শ্ৰেণী হিচাপে ভাৰতীয় জাতীয়তাৰ প্ৰধান সোঁতৰ পৰা একলীয়াকৈ নি সংগঠন কৰাৰ ঘোৰ বিৰোধী আছিল। ই ভাৰতৰ ঐক্য আৰু সংহতিৰ বিৰুদ্ধাচৰণ কাৰ্য্য বুলি তেখেতে কৈছিল।

১৯৪৫ চনত দ্বিতীয় মহাসমৰৰ সামৰণি পৰিল। বৃটেইনৰ লেবাৰ পাৰ্টিয়ে ভাৰতৰ নীতি পৰিৱৰ্তনত আগবাঢ়িল। ১৯৪৬ চনত প্ৰাদেশিক বিধান সভাসমূহৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। পঞ্জাব, সিন্ধু আৰু বঙ্গ প্ৰদেশৰ বাহিৰে বাকী প্ৰদেশসমূহত কংগ্ৰেছী চৰকাৰ স্থাপিত হ'ল, ইফালে কেন্দ্ৰতো কংগ্ৰেছৰ নেতৃত্বত অন্তৰ্বৰ্তী চৰকাৰ স্থাপিত হ'ল। সেই বছৰৰে ১৬ আগষ্টৰ পৰা মুছলিম লীগে 'প্ৰত্যক্ষ সংগ্ৰামৰ' কাৰ্য্য-সূচী লৈ সমগ্ৰ দেশতে সাম্প্ৰদায়িক সংঘৰ্ষ, হত্যাকাণ্ড আদি অনুষ্ঠিত কৰে। এই পৰিস্থিতিৰ নিকৰুণ চিত্ৰ আগতে বৰ্ণনা দি অহা হৈছে।

'হিন্দুস্থান মজদুৰ সেৱক সংঘ'ৰ অন্যতম নেতা গুলজাৰীলাল নন্দৰ ওপৰত দায়িত্ব আছিল বোম্বাই প্ৰদেশত বনুৱা সংগঠনৰ কাম আগবঢ়োৱা।

সেইদৰে কেন্দ্ৰ আৰু অন্য প্ৰদেশতো কংগ্ৰেছী, বনুৱা নেতা তথা প্ৰগতিবাদী লোকৰ ওপৰতহে বনুৱা সংগঠনৰ দায়িত্ব দিয়া হৈছিল। বোম্বাইত নন্দজীয়ে Bombay Industrial Disputes Act of 1938 সংশোধন কৰি Bombay Industrial Relations Act of 1946. আইনৰ প্ৰণয়ন কৰে। কেন্দ্ৰতো Industrial Employment Standing Orders Act of 1946. আৰু Industrial Disputes Act of 1947 আদিৰ দ্বাৰা বনুৱাৰ স্বাৰ্থ সংৰক্ষণ কৰিবৰ কাৰণে আইন দুখন প্ৰণয়ন কৰে। অন্য কংগ্ৰেছ শাসিত ৰাজ্যবিলাকতো নতুন আইন আৰু উন্নয়নমূলক যিবোৰ কাম হাতত লোৱা হৈছিল, সেই সকলোবিলাককে বনুৱা স্বাৰ্থ বিৰোধী বুলি, তাৰ বিৰুদ্ধে শ্ৰমিকসকলক উচটাই ধৰ্মঘট আদি কৰি প্ৰতিবন্ধক সৃষ্টি কৰিবলৈ ধৰিলে। যুদ্ধৰ সময়ত Defence of India Actৰ দৰে বনুৱা শ্ৰেণীৰ স্বাৰ্থ আৰু স্বাধীনতাৰ ঘোৰ পৰিপন্থী আইনকো যি কমিউনিষ্টে সমৰ্থন কৰিছিল, এতিয়া সেইসকলৰ শ্লোগান হ'ল— 'ইয়ে আজাদী ঝুথা হ্যায়—' ইত্যাদি।

কমিউনিষ্টসকলৰ উদ্দেশ্য, দেশৰ এনে বিপদজনক পৰিস্থিতিৰ সুবিধা লৈ দেশত বিশৃংখলা আৰু অৰাজকতা সৃষ্টি কৰি, ৰাজ্যসমূহৰ কংগ্ৰেছী আৰু কেন্দ্ৰৰ অন্তৰ্বৰ্তী চৰকাৰ অচল কৰি, ১৯১৭ চনত ৰুছিয়াৰ কমিউনিষ্টসকলৰ দৰে ৰক্ত বিপ্লৱৰ দ্বাৰা ক্ষমতা দখল কৰা। কমিউনিষ্টৰ এনে পৰিকল্পনা আৰু দেশ বিপন্ন কৰা কাৰ্য্যত কংগ্ৰেছী আৰু জাতীয় ভাৱাপন্ন নেতাসকল শংকিত হৈ পৰিছিল।

এনে বিপৰ্য্যয় পৰিস্থিতিৰ বিষয় লৈ হিন্দুস্থান মজদুৰ সেৱক সংঘ আৰু কংগ্ৰেছৰ নেতাসকলে গান্ধীজীৰ সৈতে আলোচনা কৰে। গান্ধীজীয়ে জাতীয় ভাৱাপন্ন শ্ৰমিক সংঘবিলাক লৈ এটা নতুন সৰ্বভাৰতীয় বনুৱা সন্থা গঠন কৰাৰ পৰামৰ্শ দিলে। গান্ধীজীৰ পৰামৰ্শমতে, এই সংগঠন কাৰ্য্যৰ বাবে আহমদাবাদ টেক্সটাইল লেবাৰ এছোচিয়েছন প্ৰাথমিক সংগঠনৰ কাৰণে আৱশ্যকীয় পুঁজি আৰু অন্যান্য সাহায্য আগবঢ়ায়।

১৯৪৭ চনৰ ৮ এপ্ৰিলত 'হিন্দুস্থান মজদুৰ সেৱক সংঘ'ৰ সম্পাদক কমিউনিষ্টসকলৰ এনে জাতীয় বিৰোধী কাৰ্য্যকলাপৰ বিষয়ে আলোচনা আৰু

কাৰ্য্যপন্থা নিৰ্ধাৰণ কৰিবৰ কাৰণে ৩।৪ মে'ত দিল্লীত কমিউনিষ্ট বিৰোধী জাতীয়তাবাদী বনুৱা নেতা আৰু কৰ্মীসকলৰ এখন 'অভিবৰ্ত্তন'ৰ আয়োজন কৰে।

২ মে'ত হিন্দুস্থান মজদুৰ সেৱক সংঘৰ আৰু নিমন্ত্ৰিত বনুৱা নেতা, কৰ্মীসকলে 'অভিবৰ্ত্তন'ৰ কাৰ্য্যসূচীত আৰু প্ৰস্তাৱাদি ৰচনা কৰিবৰ অৰ্থে এখন ঘৰুৱা বৈঠকত বহে। আবেলি ৩ বজাত ছৰ্দাৰ বল্লভভাই পেটেলৰ সভাপতিত্বত মুকলি অধিবেশন অনুষ্ঠিত হয়। ২০০ৰো অধিক বনুৱা সংঘৰ প্ৰতিনিধিয়ে এই মুকলি সভাত যোগদান কৰে। এই সংঘবিলাকৰ মুঠ সভ্য সংখ্যা আছিল ৫,৭৫,০০০ জন। এই অভিবৰ্ত্তনত পণ্ডিত নেহৰু প্ৰমুখ্যে অন্তৰ্বৰ্ত্তী চৰকাৰৰ কংগ্ৰেছী আৰু ভালেসংখ্যক জাতীয়তাবাদী নেতা আৰু বাওঁপন্থী নেত্ৰী কমলা দেৱী চট্টোপাধ্যায়, শ্ৰীমতী অৰুণা আছফ আলী, ৰাম মনোহৰ লোহিয়া, অশোক মেহতা, হৰিহৰ নাথ শাস্ত্ৰী, মৈত্ৰেয়ী বসু, ডাঃ সুৰেশ চন্দ্ৰ বেনাৰ্জী, দেবেন সেন, এ, খেদজিকাৰ, শিৱনাথ বেনাৰ্জী প্ৰমুখ্যে বহুতো বনুৱা নেতাই যোগদান কৰিছিল।

কংগ্ৰেছ সভাপতি জে, বি, কৃপালনীয়ে উদ্বোধনী ভাষণত দেশত দেখা দিয়া বিভিন্ন জটিল সমস্যাবিলাকৰ কথা উনুকিয়াই কৈছিল যে দেশৰ এনে জটিল, বিপদজনক পৰিস্থিতিত কমিউনিষ্টসকলে পৰৰাষ্ট্ৰৰ নিৰ্দেশত ৰাজনৈতিক উদ্দেশ্য সাধনকল্পে দেশখনক আৰু বিপদৰ পথলৈ ঠেলি দি দেশত অৰাজকতা সৃষ্টিৰ ষড়যন্ত্ৰ কৰিছে। বনুৱা শ্ৰেণীক তেওঁলোকে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। ইয়াৰ প্ৰতিবোধৰ ব্যৱস্থা যথা শীঘ্ৰে হাতত নললে দেশৰ স্বাৰ্থ বিপন্ন হ'ব।

হিন্দুস্থান মজদুৰ সেৱক সংঘৰ সম্পাদক শ্ৰীগুলজাৰীলাল নন্দই কয় যে হিন্দুস্থান মজদুৰ সেৱক সংঘই এ-আই-টি-ইউ-চিৰ গঠনত আৰু তাক শক্তিশালী কৰাত প্ৰথম পৰ্য্যায়ৰ পৰাই যথেষ্ট বৰঙণি দি আহিছে। কিন্তু আজি কমিউনিষ্টসকলে অসৎ পদ্ধতিৰে এই সন্থা দখল কৰি বনুৱা শ্ৰেণীক বিপথগামী কৰি জাতীয় স্বাৰ্থৰ পৰিপন্থী পথেদি পৰিচালিত কৰিছে। কমিউনিষ্ট দলে বনুৱা শ্ৰেণীক হাতত লৈ স্বাধীনতা

অৰ্জনৰ পথত হেঙাৰ দি ৰক্তাক্ত বিপ্লৱত লিপ্ত কৰাৰ ষড়যন্ত্ৰ কৰিছে। উদ্দেশ্য হ'ল তেওঁলোকৰ দলীয় ৰাজনৈতিক লক্ষ্য সাধন। দেশৰ স্বাৰ্থ ৰক্ষাৰ্থে কমিউনিষ্টৰ বনুৱা শ্ৰেণীক বিপথগামী কৰা ষড়যন্ত্ৰ প্ৰতিৰোধ কৰিব লাগিব।

বিখ্যাত বনুৱা নেতা ডাঃ সুৰেশ চন্দ্ৰ বেনাৰ্জী এ-আই-টি-ইউ-চিৰ তিনিবাৰ সভাপতি নিৰ্বাচিত হৈছিল। তেখেতেই অভিৱৰ্তনৰ মূল প্ৰস্তাৱটি দাঙি ধৰে। বক্তৃতা প্ৰসংগত তেখেতে কয় যে তেখেত বহুবছৰ ধৰি এ-আই-টি-ইউ-চিৰ লগত জড়িত এজন লোক। বৰ্তমান কমিউনিষ্ট দলে যি অসৎ পন্থা আৰু অগণতান্ত্ৰিক পদ্ধতিৰে এ-আই-টি-ইউ-চিৰ কাৰ্য্য পৰিচালনা কৰিছে, কোনো গণতন্ত্ৰত বিশ্বাসী লোক তাত থকা সম্ভৱপৰ নহয়। যিসকল গণতান্ত্ৰিক আদৰ্শত বিশ্বাসী, সেই বনুৱা সংঘবিলাকে, জাতীয় স্বাৰ্থ আগত ৰাখি অন্য এটা জাতীয় বনুৱা সন্থা গঠন কৰা অপৰিহাৰ্য্য হৈ পৰিছে। তেখেতে কমিউনিষ্টসকলে স্বাধীনতা আন্দোলনৰ বিৰোধিতা কৰা, বিশেষকৈ ১৯৪২ চনৰ গণ বিপ্লৱৰ সময়ত বিশ্বাসঘাতকতা কৰাৰ কথা উল্লেখ কৰি কয় যে এনে দলৰ হাতত বনুৱা সংগঠন থকাটো দেশৰ কাৰণে বিপদজনক কথা। তেখেতে মূল প্ৰস্তাৱটো দাঙি ধৰি এইদৰে আহ্বান জনায় :

"Whereas the course which the Labour movement in the Country is taking under the leadership of those who are opposed to peaceful change and democratic methods has proved extremely detrimental to the growth of strong and healthy trade unionism and is doing incalculable harm to the interests of the masses of the Country and whereas it has became now a sacred and imparative obligation of those who are for the well-being of the working class to take concerted action to safeguared and promote its purpose of an organisation called the "INDIAN NATIONAL TRADE UNION CONGRESS" be formed."

বনুৱা নেতা এ-খেদাজিকাৰ আৰু শিৱনাথ বেনাৰ্জীয়ে প্ৰস্তাৱৰ বিৰোধিতা কৰি কৈছিল যে নতুন এই সংগঠন কৰাৰ আগতে পুনৰ এবাৰ যত্ন কৰি চোৱা উচিত এ-আই-টি-ইউ-চিক কমিউনিষ্ট দলৰ

প্ৰভাৱমুক্ত কৰিবৰ কাৰণে । প্ৰায় 8 ঘণ্টাৰো অধিক সময় বিতৰ্কৰ অন্তত প্ৰস্তাৱটো গৃহীত হয় ।

এখন অস্থায়ী কাৰ্য্যনিৰ্বাহক কমিটী গঠন কৰা হয় । প্ৰতি প্ৰদেশত সংগঠনৰ কাৰণে এজোকন আহ্বায়ক নিৰ্বাচন কৰি দিয়া হয়। ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ উদ্দেশ্য হ'ল :

(i) To establish an order of Society which is free from hinderances in the way of an all round development of its individual members which encourages the growth of human personality in all its aspects and goes to the utmost limit in progressively eleminating Social, Political and Economic exploitation and inequality, the profit motive in the Economic activity and organisation of Society and the anti-Social concentration of power in any form.

(ii) To place industry under national ownership and Control in suitable form in order to realise the aforesaid objective in the quickest time.

(iii) To secure increasing association of the workers in the administration of Industry and their full participation in its Control.

(iv) To promote generally the civic and political interests of the working Class.

ডা: সুৰেশ চন্দ্ৰ বেনাৰ্জী সভাপতি আৰু খান্দুভাই কে. দেশাই সাধাৰণ সম্পাদক নিৰ্বাচিত হয় ।

ৰাষ্ট্ৰীয় মজদুৰ সংঘ গঠন হোৱা দুবছৰৰ ভিতৰতে এই অনুষ্ঠান ভাৰতৰ সৰ্ববৃহৎ বনুৱা সন্থ: হিচাপে কমিউনিষ্টসকলৰ বিৰোধিতা সত্ত্বেও আন্তৰ্জাতিক বনুৱা সন্থা (ILO) ই স্বীকৃতি দিয়ে । ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছে পৃথিৱীৰ বনুৱা শ্ৰেণীৰ আগত এক নতুন আদৰ্শ আৰু নতুন কাৰ্য্যপদ্ধতি দাঙি ধৰিলে । হিংসাত্মক শ্ৰেণী সংগ্ৰাম, ধৰ্মঘাটেই বনুৱা শ্ৰেণীক পুঁজিপতি শ্ৰেণীৰ শোষণৰ পৰা মুক্ত বা তেওঁলোকৰ ৰাজনৈতিক, অৰ্থনৈতিক মুক্তি, সামাজিক উন্নয়ন সাধন কৰাৰ একমাত্ৰ পথ নহয় । অহিংসা, শান্তিপূৰ্ণ সংগ্ৰামৰ পথেদি আৰু আপোচ আলোচনাৰ মাজেদিও বনুৱা শ্ৰেণীয়ে তেওঁলোকৰ ন্যায্য দাবী, ৰাজনৈতিক অধিকাৰ, অৰ্থনৈতিক মুক্তি, সামাজিক উন্নয়ন সাধন কৰিব পাৰে আৰু সেই পথেদি গণতান্ত্ৰিক সমাজবাদী ৰাষ্ট্ৰ প্ৰতিষ্ঠাতো বৰঙণি দিব পাৰে।

পৰিশিষ্ট

চুক্তিবদ্ধ শ্ৰমিকৰ আগমন

অসম কোম্পানীৰ প্ৰসাৰতা আৰু যোৰহাট 'টি' কোম্পানী আদি প্ৰতিষ্ঠানৰ লগে লগে অধিক শ্ৰমিকৰ প্ৰয়োজন হ'ল। অসমৰ ইষ্ট-ইণ্ডিয়া কোম্পানী চৰকাৰে দাস প্ৰথা বিলোপ সাধন, মাটিৰ খাজনা বৃদ্ধি, চাহ কোম্পানীৰ কাৰণে খেতিয়কৰ মাটি অধিগ্ৰহণ, ইত্যাদি ব্যৱস্থা লোৱাসত্ত্বেও, কম সংখ্যক থলুৱা লোকে বাগানত কাম কৰিবলৈ যায়। আনহাতে ১৮৫৭ চনৰ জাতীয় বিপ্লৱত জড়িত বুলি বনুৱা নেতা মধু কোচৰ দ্বীপান্তৰ, অন্য কেবাজনৰো ফাটেক, জৰিমনা আনহাতে কাম এৰি গুছি যোৱা বনুৱাৰ ওপৰত পুলিচৰ জোৰ-জুলুমৰ কাৰণে থলুৱা বনুৱা সংগ্ৰহ আৰু জটিল হৈ পৰে।

আনহাতে থলুৱা শ্ৰমিকৰ কাম খতিৰ পৰিমাণ, বেচি মজুৰি বৃদ্ধিৰ দাবী, কাম এৰি গুছি যোৱা ইত্যাদিয়েই অসম কোম্পানীৰ সমস্যা আৰু বঢ়াই তোলে। এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম কোম্পানীয়ে অসম আৰু ভাৰত চৰকাৰৰ সহযোগত ভাৰতৰ দুৰ্ভিক্ষপীড়িত অঞ্চলৰ পৰা এজেণ্টৰ,(আৰাকাটি) যোগে চুক্তিবদ্ধ শ্ৰমিক অনাৰ ব্যৱস্থা গ্ৰহণ কৰে।

অসম কোম্পানীয়ে গৱৰ্ণমেণ্টৰ সহযোগত— ১। ১৮৫৯ পৰা ১৮৬১ চনৰ ভিতৰত আৰাকাটিৰ জৰিয়তে ২,২৭২—চুক্তিবদ্ধ শ্ৰমিক আমদানি কৰে। ইয়াৰ ২৫০ জন বাটতে মৃত্যু হয় গ্ৰহণী, কলেৰাত। ২। ১৮৬১-৬২ চনত ২,৫৬৯ ভিতৰত ১৩৫ জনৰ বাটতে মৃত্যু হয়। ৩। ১৮৬৩-১৮৬৬ত অনা ৮৪,৯১৫ চুক্তিবদ্ধ শ্ৰমিকৰ ভিতৰত ৩০,০০০ শ্ৰমিক বাটত গ্ৰহণী কলেৰাত মৰে। শ্ৰমিকসকলক গৰু, ছাগলীৰ দৰে অনা

হৈছিল। অতি বেয়া খাদ্য, আনহাতে চিকিৎসাৰ কোনো ব্যৱস্থা নাছিল। মৃত্যু বা মৃত্যুমুখীসকলক বাটতে বা পানীত পেলাই দিয়া হৈছিল। এনে শোকজনক ঘটনা প্ৰকাশ হোৱাত জাতীয়তাবাদী কাকত, ইম্পিৰিয়েল এছে-ম্বলী কাউন্সিল আদিত তীব্ৰভাবে সমালোচনা কৰা হয়। এই শোক-জনক ঘটনাৰ পাছত শ্ৰমিক অনা ব্যৱস্থা কিছু উন্নত হয়।

অসমৰ চাহ বাগানলৈ শ্ৰমিক সংগ্ৰহ কৰা কাৰ্য্যত এজেণ্টসকলৰ কাম আৰু কঠিন হৈ পৰে। বাতৰি বিয়পি পৰিছিল যে, অসমলৈ যোৱা কোনো এজন মানুহো ঘূৰি নাহে। সকলো মৃত্যুৰ মুখত পৰে। ইউৰোপীয়ান নীল খেতিয়কৰ সহায়ত নানা ধৰণৰ প্ৰলোভন, ভয় প্ৰদৰ্শন, জোৰ-জুলুম কৰি পুনৰ শ্ৰমিক সংগ্ৰহ কৰি অসমলৈ অনা আৰম্ভ হয়। (৪) ১৮৭০ চনৰ সংশোধিত আইনৰ দ্বাৰা আৰাকাটি প্ৰথাৰ ঠাইত শ্ৰমিক সংগ্ৰহ কৰি অনাৰ কাৰণে চৰ্দাৰী প্ৰথা প্ৰৱৰ্তন কৰা হয় কিন্তু আৰাকাটি পদ্ধতিও চলি থাকে। (৫) ১৮৬৮ পৰা ১৯০১ চনৰ ভিতৰত প্ৰায় ৩২ লক্ষ চাহ শ্ৰমিক অনা হয়। (৬) প্ৰথম পৰ্য্যায়ত এজেণ্টসকলক প্ৰতি শ্ৰমিকৰ বাবে ১২ৰ পৰা ২০ টকা দিছিল। ক্ৰমে ই ১২০ৰ পৰা ১৫০ টকা হয়। অসমলৈ অনাৰ বাটত খাদ্য, চিকিৎসাৰ সুব্যৱস্থা নথকাত প্ৰতি বছৰেই একোটা বৃহৎ সংখ্যক ল'ৰা-ছোৱালী, মুনিহ তিৰোতা মৃত্যুৰ মুখত পৰিছিল।

এই চুক্তিবদ্ধ শ্ৰমিকসকলক বাগানত অস্বাস্থ্যকৰ লাইন পাতি জুপুৰি ঘৰত ৰখা হৈছিল। চিকিৎসাৰ ব্যৱস্থা নামতহে ৰখা হৈছিল। ৰেছ-নত দিয়া চাউল আছিল বেয়া। গতিকে লৰা-ছোৱালীৰ মৃত্যুৰ হাৰ আছিল অত্যাধিক, আনহাতে বয়সস্থ লোকৰ মৃত্যুৰ সংখ্যা উনৈশ শতিকাত গড়ে ২০/২৫ জন আছিল।

(৭) ১৯১৭ চনত—"দি টি ডিষ্ট্ৰিক লেবাৰ চাপলাই—যদিও গঠন কৰা হয়, কিন্তু ১৯২০ চনলৈকে আৰাকাটি আৰু চৰ্দাৰী প্ৰথা চলি আছিল ১৯২০/২১ চনৰ পৰা বন্ধ হয়।

(৮) ১৯০২ চনৰ পৰা প্ৰতিবছৰে তলত দিয়া সংখ্যক শ্ৰমিক অনা হৈছিল।

বছৰ	সংখ্যা
১৯০২—০৩	২৬,৬৮৪
১৯০৩—০৪	২২,১৬২
১৯০৪—০৫	২৪,২০৯
১৯০৫—০৬	৩১,৮৩০
১৯০৬—০৭	২৫,৬১৭
১৯০৭—০৮	৮৪,৮২৪
১৯০৮—০৯	৬০,৭৭৩
১৯০৯—১০	৩৯,৩৩২
১৯১০—১১	৪৩,৬৫৭
১৯১১—১২	৫৮,৬৪৬
১৯১২—১৩	৫৯,৮৭৩
১৯১৩—১৪	৫৮,৬৪৬
১৯১৪—১৫	৬৩,৬৫৮
১৯১৫—১৬	১,১০,৩৭৬
১৯১৬—১৭	৪৮,১৩০
১৯১৭—১৮	১৯,৪০৭
১৯১৮—১৯	২,২২,১৭১
১৯১৯—২০	১,০২,০৮৯
১৯২০—২১	২৫,৪৭২
১৯২৪—২৫	৩৩,৭২৭
১৯২৫—২৬	৩৩,০০৯
১৯২৬—২৭	৪৫,৬৯৪
১৯২৭—২৮	৪২,৮৪৫
১৯২৮—২৯	৬৪,৯০০
১৯২৯—৩০	৫৯,৭৯৬
১৯৩০—৩১	৫৩,৫১৯
১৯৩১—৩২	৫০,৯৯৭
১৯৩২—৩৩	৩৯,৯০১
১৯৩৩—৩৪	৪৭,৯৬০

১৯৩৪—৩৫	————————	১৯,৯৬৮
১৯৩৫—৩৬	————————	২৩,৮৭৬
১৯৩৬—৩৭	————————	২৭,৮৪২
১৯৩৭—৩৮	————————	৩২,৩৩৫

এজেণ্ট, চৰ্দাৰসকলে বিভিন্ন ধৰণৰ ফুচলনি, বলপ্ৰয়োগ, লৰা-ছোৱালী ধৰি অনা, বিবাহিতা তিৰোতা পলুৱাই অনা, ইত্যাদি অতি নীচ, নিদাৰুণ, বৰ্বৰ পন্থা অৱলম্বন কৰিছিল শ্ৰমিক সংগ্ৰহ কাৰ্য্যত ।

চাহবাগান চুক্তিবদ্ধ শ্ৰমিকৰ বিভিন্ন ৰাজ্যৰ গড়সংখ্যা এনে আছিল ঃ

১ ।	ছোটনাগপুৰ :—	শতকৰা	৪০	জন ।
২ ।	বঙ্গ আৰু উৰিষ্যা	,,	২৭·২	জন ।
৩ ।	যুক্ত প্ৰদেশ, বিহাৰ	,,	২১·১	জন ।
৪ ।	বম্বে প্ৰদেশ	,,	,, ·২	,,
৫ ।	মাদ্ৰাজ	,,	,, ·৭	,,
৬ ।	অসম	,,	,, ৫·৫	,,

ক্ৰমে অসম, বঙ্গ, যুক্ত প্ৰদেশৰ শ্ৰমিক অহা কমি যাবলৈ ধ'ৰে । মাদ্ৰাজ, মধ্যপ্ৰদেশ, উৰিষ্যাৰ সংখ্যা বাঢ়ে । এই চুক্তিবদ্ধ শ্ৰমিকৰ— বিহাৰ, যুক্তপ্ৰদেশ, বঙ্গৰ প্ৰায় কিছু সংখ্যক চুক্তি ম্যাদৰ পাছত পুনৰ ঘূৰি গৈছিল । বাকীসকলক পুনৰ নতুন চুক্তি কৰি বাগানতে থকাতো বিভিন্ন পদ্ধতিৰে বাধ্য কৰিছিল বয়স্থ অৱস্থাৰ কিছুসংখ্যকে বাগান বা চৰকাৰী পতিত মাটিত খেতি আৰু বাগানতো ফাল্টু শ্ৰমিক হিচাবে কাম কৰি ৰৈ যায় । একক সংখ্যক শ্ৰমিক ভাৰতীয় লোকৰ বাগানত কাম কৰিবলৈ লয় । উজনি অসমত এনে ফাল্টু শ্ৰমিকৰ ক্ৰমে একোখন গাওঁ হৈ পৰিছিল । বনুৱা বস্তি বোলা হৈছিল এনে গাওঁবিলাকক ।

১৯২০/২১ চনত চাহ শ্ৰমিকৰ মাজত মজুৰি বৃদ্ধি, চাউল ৰেচন বৃদ্ধিলৈ যি আলোড়ণ হৈছিল—এই আলোড়ণত সুৰমা উপত্যকাৰ যুক্তপ্ৰদেশৰ বালিয়া জিলাৰ পৰা অহা কিছুসংখ্যক শ্ৰমিক নিজ ৰাজ্যলৈ উভতি গৈছিল । অসম উপত্যকাৰ বিশেষ কৰি ডিব্ৰুগড় অঞ্চলৰ, মাদ্ৰাজৰ পৰা অহা বহুজন সংখ্যক শ্ৰমিক দলবান্ধি উভতি যায় । বহুতো সংখ্যক খোজকাঢ়ি গুৱাহাটীলৈ অহাৰ পথত কিছু শ্ৰমিকৰ বাটতে মৃত্যু হৈ যায় ।

নিজ ৰাজ্যলৈ ঘূৰি যোৱা, মৃত্যু—বাগান এৰি বস্তিত কাম কৰিবলৈ লোৱা, পলাই যোৱা ৰাবে আনহাতে বাগানৰ আয়তন আৰু সংখ্যা বাঢ়ি যোৱাত অধিক শ্ৰমিকৰ প্ৰয়োজন হ'ল এনে বিভিন্ন কাৰণত প্ৰতি বছৰে অধিক সংখ্যাক চুক্তিবদ্ধ বনুৱা সংগ্ৰহ কাৰ্য্য অব্যাহত ৰাখিবলগীয়া হয়।

আনহাতে চুক্তিবদ্ধ শ্ৰমিক আমদানি কৰাৰ বিৰুদ্ধে এটা জনমত গঢ়ি উঠিছিল প্ৰতি ৰাজ্যতে। বাগানৰ শ্ৰমিকে মজুৰি আৰু ৰেচনৰ চাউল বৃদ্ধিৰ কাৰণে দাবী কৰি ধৰ্মঘট কৰিলে বাগানৰ মেনেজাৰে শ্ৰমিক চাতাই কৰি নতুন চুক্তিবদ্ধ শ্ৰমিকৰ দ্বাৰা স্থান পূৰণ কৰিছিল। দ্বিতীয়:ত প্ৰতি বাগানত জনসংখ্যা বাঢ়ি গৈছিল। এনে বৃদ্ধি হোৱা ওপৰঞ্চি শ্ৰমিকে এখন বাগানৰ পৰা যাচি থকা অন্য এখন বাগানলৈ যাবলৈ ইচ্ছুক নথকাৰ অজুহাতত এনে বাগানে নতুন কৰি শ্ৰমিক অন্য ৰাজ্যৰ পৰা প্ৰতিবছৰে অনাৰ যুক্তি দেখুৱাইছিল। ফলত অধিক সংখ্যাক বাগানত নিবনুৱা যুৱক, যুৱতীৰ সংখ্যা বাঢ়ি গৈছিল। মহামতি গোখেল, চি, এফ, এণ্ডুজৰ, মহাত্মাগান্ধী প্ৰমুখ্যে নেতাৰ অশেষ চেষ্টাত ভাৰতৰ বাহিৰৰ বৃটিছ উপনিবেশলৈ চুক্তিবদ্ধ ভাৰতীয় শ্ৰমিক নিয়া ১৯২০ চনত বন্ধ হয়। ইয়াৰ পাছৰ পৰা অসমলৈ চুক্তিবদ্ধ শ্ৰমিক অনাটো বন্ধ কৰিবলৈ এটা জনমত গঠন হৰ ধৰে। ১৯৩৯ চনত অসমলৈ চুক্তিবদ্ধ শ্ৰমিক অনাটো বন্ধ কৰা হয়।

মহাত্মাৰ বাণী

"তোমালোকে নিজকে বনুৱাসকলৰ নেতা বুলি নেভাবিবা, তোমালোকে নিজকে সেৱক হিচাবে ভাবি তেওঁলোকৰ মাজত কাম কৰিবা। সংগঠনৰ প্ৰণালী পদ্ধতি, সংবিধান, বনুৱাসকলৰ সংঘৰ পুঁজিৰ হিচাপ, সমস্যা, মালিক বনুৱা সংঘৰ কিভাবে হিংসাত্মক সংঘৰ্ষ বা অনিয়মিতভাবে ধৰ্মঘটলৈ নগৈ এটা আন্তৰিকতা, সহৃদয়তাভাবে মালিকৰ লগত আলোচনাৰ মাজেদি ন্যায্য দাবী পূৰণ কৰাৰ বাবে প্ৰচেষ্টা চলাই, ব্যৰ্থ হলেহে আইনসন্মত ধৰ্মঘট কৰাৰ বাবে বনুৱাসকলক পৰামৰ্শ দিবা, দাবীবিলাকো কৰাৰ আগতে ভালকৈ পৰীক্ষা কৰি চাব লাগে, কিন্তু ধৰ্মঘট কৰাৰ আগতে বনুৱাসকলৰ ঐক্যবদ্ধতা, দৃঢ়তা আদিৰ বিষয়ে পৰীক্ষা আৰু প্ৰতিশ্ৰুতি লব লাগে ৰাজহুৱাভাবে। যাতে মালিকৰ কু চক্ৰান্তকাৰী ষড়যন্ত্ৰত তেওঁলোকে হিংসাত্মক কাৰ্য্য বা প্ৰলোভনত পৰি বিশ্বাসঘাতকতা নকৰে।"

"মালিক বনুৱাৰ সমস্যাৰ বাহিৰেও অৰ্থনৈতিক, সামাজিক, অন্ধবিশ্বাস, মদ নিবাৰণ, শিক্ষা, চাফ-চিকুণতা, আজৰি সময়ৰ সৎব্যৱহাৰ, ল'ৰা-ছোৱালীৰ শিক্ষা সঞ্চয় কৰা ইত্যাদি কামো সংঘৰ অন্যতম প্ৰধান কাম।"

"এজন সমাজসেৱক হিচাবে তোমালোকৰ কাম হব—এই বিষয়ে বনুৱাসকলক সজাগ কৰা, আৰু কামৰ দায়িত্ব লবলৈ দক্ষ, আদৰ্শ অনুপ্ৰাণিত এদল তেওঁলোকৰ মাজত কৰ্মী গঢ়ি দায়িত্ব দিয়াহে। নিজে নেতা হৈ বহিবৰ কাৰণে নহয়। তোমালোকে নিজে সেৱা কাম কৰি যাবা আৰু চকু ৰাখিবা যাতে সংঘ আদৰ্শচ্যুত নহয়। সভ্যসকলে সক্ৰিয়ভাবে সংঘত সভা আদিত যাতে ভাগ লয়।"

(১৯৪৪ চনত হিন্দুস্থান মজদুৰ সেৱক সংঘৰ কৰ্মীসকলক দিয়া উপদেশ)

"অৰ্থনৈতিক সমতা হল অহিংস স্বাধীনতাৰ মুখ্য পথ। অৰ্থনৈতিক সমতাৰ কাৰণে কাম কৰা মানে পুজিবাদী আৰু সৰ্বহাৰাৰ মাজত চলি অহা চিৰন্তন সংঘাতৰ ওৰ পেলোৱা, তাৰ মানে দেশৰ সম্পদসমূহ গচ্ছিত কৰি ৰখা, মুষ্টিমেয় ধনিক শ্ৰেণীক এহাতে তললৈ নমাই অনা, আৰু আনহাতে অৰ্দ্ধনগ্ন কোটি কোটি জনতাক ওপৰৰ স্তৰলৈ তুলি নি দুয়োটাৰে মাজত সমতা স্থাপন কৰা।"

"নতুন দিল্লীৰ ৰাজপ্ৰাসাদ আৰু সৰ্বহাৰাৰ জুপুৰী পঁজাৰ ব্যৱধান স্বাধীন ভাৰতত অন্ত পৰিব লাগিব। ধনিক শ্ৰেণীৰ হাতত থকা সম্পদ-সমূহ আৰু ক্ষমতাৰাজি যদি সমূহীয়া স্বাৰ্থৰ কাৰণে তেওঁলোকে আপোন ইচ্ছাৰে আগবঢ়াই নিদিয়ে তেনেহলে কোনোবা এদিন ৰক্তক্ষয় বিপ্লৱৰ সূচনা অনিবাৰ্য্য।"

(২৫।৮।৪০)

"ভবিষ্যতে এনে এখন সমাজ গঢ়ি তুলিব লাগিব য'ত ধনী আৰু দুখীয়াৰ, ক'লা বগাৰ প্ৰভেদ নেথাকিব।"

(৩।১১।৪৬)

"[illegible] দ্বাৰা অপমানহত হ'লে সকলোৰে মাৰ বান্ধি সেই অপমানৰ বিপক্ষে থিয় দিব পৰা ক্ষমতাহে প্ৰকৃত স্বৰাজ।"

(২২/১২/৪১)

"ঈশ্বৰৰ সৃষ্টিত বায়ু, পানী যিদৰে সকলোৰে কাৰণে সমান, সেইদৰে উৎপাদিত সামগ্ৰীসমূহো সকলোৰে কাৰণে মুকলিভাৱে উভৈনদী হব লাগিব। কোনেও কাকো শোষণ কৰাৰ সুবিধা থাকিব নেলাগিব। কোনো দেশ বা জাতি বা দলৰ হাতত উৎপাদন কেন্দ্ৰীভূত হৈ থকাতো অন্যায় বুলি বিবেচিত হব। এই সাধাৰণ নীতিটো উলংঘা কৰাৰ ফলতেই বৰ্তমান অকল আমাৰ দুৰ্ভগীয়া দেশখনেই নহয়, পৃথিৱীৰ অন্যান্য দেশতো বিড়ম্বনাৰ সৃষ্টি হৈছে।"

(২৫/১১/২৮)

"আজিৰ ভাৰতে মুষ্টিমেয় এচাম লোকৰ মাজত পুঁজি সংৰক্ষণ কৰি ৰখাটো মই বিচৰা নাই, পুঁজি বিতৰণ এনেভাবে হব লাগে যাতে ১৯০০ মাইল দীঘ আৰু ১৫০০ মাইল পুতলৰ মহাদেশখনৰ ৭-১ লাখ গাৱঁৰ গঞা ৰাইজে সহজে সেই পুঁজি পাব পাৰে।"

(২৩/৩/২১)

"প্ৰতিজন লোকৰে জীয়াই থকাৰ অধিকাৰ আছে। সেই গতিকে তেওঁলোকৰ আশ্ৰয় লবলৈ এটা ঘৰৰ আৰু লজ্জা নিবাৰণৰ বাবে বস্ত্ৰৰ অধিকাৰ আছে।"

"মই সপোন দেখা স্বৰাজ হ'ল—সৰ্বহাৰাৰ স্বৰাজ। মই মৰ্য্যাদাৰ সমতা আনিব খোজো। শ-শ বছৰ ধৰি হজুৱা বজুৱা, জনজাতি, অনুসূচিত আদিক নিম্ন স্তৰত ৰাখি থোৱা হৈছে। তেওঁলোকক ক্ষুদ্ৰ বোলা হৈছে। 'ক্ষুদ্ৰ শব্দটো লোৱা হৈছে নিম্নস্তৰ বুজাবলৈ। এজন তাতী, এজন জনজাতি, অনুসূচিত, শ্ৰমিক, কৃষক, শিক্ষক, বুদ্ধিজীৱী ধনী সন্তানৰ মাজত কোনো ব্যৱধান ৰাখিব নোখেজো"।

"মই মিল মালিক আৰু জমিদাৰসকলক সদায় কৈ আহিছো যে মিলবোৰৰ বা মাটি সম্পত্তিৰ সৰ্বেসৰ্বা তেওঁলোকেই নহয়। বনুৱা ৰায়তসকলো মালিকসকলৰ সমানেই অংশীদাৰ।"

"মিল মালিক, জমিদাৰ তোমালোকে লাভৰ ধন বিলাসিতা বা অপৰিমিতাচাৰি হৈ ব্যয় কেতিয়াও কৰিব নোৱাৰা। ৰায়ত, বনুৱাসকলৰ কল্যাণৰ বাবে ব্যয় কৰিব লাগিব। এবাৰ যদি তোমালোকে শ্ৰমিক আৰু ৰায়ত সকলৰ সৈতে আত্মীয়তা গঢ়ি তুলিব পাৰা। তোমালোকৰ শ্ৰমিক আৰু ৰায়তৰ মাজত সংঘাত কেতিয়াও নহয়। শ্ৰেণীসংঘাত ভাৰতৰ বাবে আচহুৱা। ই সকলোৰে ন্যায়িক সমতাৰ মৌলিক অধিকাৰৰ নামত সাম্যবাদৰ সৃষ্টি কৰে।"

(২০।৮।৪:)

গ্ৰন্থ-পঞ্জী

'গান্ধীজী, অসম আৰু অসমৰ চাহ মজদুৰ' পুথিখনি যুগুত কৰোতে নিম্ন উল্লেখিত কিতাপসমূহৰ সহায় লোৱা হৈছে।

১। অসমত অসহযোগ আন্দোলন —অমিয় কুমাৰ দাস

২। গান্ধীজী অসমত —অমিয় কুমাৰ দাস
—লীলাধৰ বৰুৱা

৩। Charles Freer ANDREWS – B. Chaturvedi and M. SYKES.

৪। প্লেণ্টাৰ ৰাজ টু স্বৰাজ —ড° অমলেন্দু গুহ

৫। গান্ধীজী —গোপীনাথ বৰদলৈ

ইয়াৰ উপৰিও গান্ধীজীৰ ডায়েৰী, জীৱনী, গান্ধীজীয়ে লিখা কিছুমান প্ৰবন্ধ আৰু দীনবন্ধু এণ্ড্ৰুজে গান্ধীজীলৈ চাহ মজদুৰ সম্পৰ্কত দিয়া ৰিপোৰ্ট আৰু চৰকাৰক দিয়া কিছুমান স্মাৰক-পত্ৰ।